# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

SECOND SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE ELEVENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## SEPTEMBER/OCTOBER SESSION

**NO. 4**

**THE 4TH OCTOBER, 2001**

**Price Rs. 41.00**

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Thursday, the 4th October, 2001.**

**The House met at 9 A.M. of the Clock in the Assembly Chamber, at Dispur with Shri Prithibi Majhi, Speaker in the Chair.**

## STARRED

## QUESTIONS AND ANSWERS

(To which oral answers were given)

**Mr. Speaker :** Now Starred Question No. 81. questioner Shri Gopinath Das. Hon'ble Minister Education is to reply.

**বিষয় ঃ শিক্ষকৰ অনাদায় দৰমহা।**

শ্ৰীগোপীনাথ দাসে সুধিছে ঃ

* ৮১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ থকা কংগ্ৰেছ চৰকাৰৰ দিনত হাইস্কুল, এম ই স্কুল আৰু এল পি স্কুলত নিযুক্তি পোৱা কেইবা হেজাৰ শিক্ষকে যোৱা ৫ (পাঁচ) টা বছৰ দৰমহা নোপোৱাৰ বাবে অতি কষ্টৰে দিন অতিবাহিত কৰিব লগা কথাটোৰ ক্ষেত্ৰত বৰ্তমান চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) যদি ব্যৱস্থা লোৱা নাই তেন্তে অতি সোনকালে ব্যৱস্থা ল'বনে?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ইতিমধ্যে ৩৫১১ জনৰ চাকৰী নিয়মীয়াকৰণ কৰা হৈছে। বাকীবোৰৰ বিষয়ে চিন্তা চৰ্চা কৰি থকা হৈছে।

(খ) পৰ্য্যায়ক্ৰমে চৰকাৰে ব্যৱস্থা ল'ব।

* **শ্ৰীগোপী নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে ৩৫১১ জনৰ চাকৰী নিয়মীয়াকৰণ কৰা হৈছে। সৰ্বমুঠ কিমান শিক্ষকে দৰমহা পোৱা নাই মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ নিযুক্তি পোৱা শিক্ষকসকলৰ

---

* Speech not corrected

৩৫১১ জনক নিয়মীয়াকৰণ কৰা হৈছে। বাকী সকলৰো নিয়মীয়াকৰণৰ কাৰণে চিন্তা-চৰ্চা কৰি থকা হৈছে।

* **শ্ৰীগোপী নাথ দাস ঃ** অধ্যক্ষ মহোদয়, ১৯৯১-৯৬ চনত নিযুক্তি পোৱা বহুত শিক্ষকে এতিয়ালৈকে দৰ্মহা পোৱা নাই। চৰকাৰে সেই সময়ত মনোহৰণ কমিটী, স্কিনিং কমিটীৰ নামত ভেকোভাওনা কৰি ৫ বছৰ দৰ্মহা নিদিলে। স্কিনিং কমিটীয়ে আকৌ তেওঁলোকক দুটা কেটেগৰীত ভাগ কৰিলে ইৰেগুলাৰ আৰু ইল্লিগেল। ইৰেগুলাৰ বিলাকক ৰেগুলাৰ কৰিছে ২০০০ চনৰ আগষ্ট মাহত। দৰ্মহা কিন্তু আজিলৈ পোৱা নাই। আগৰ চৰকাৰে দুটা কেটেগৰী যে কৰিলে ইৰেগুলাৰ আৰু ইল্লিগেল সেই কেটেগৰী বাদ দি সকলোকে দৰ্মহা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** ১৯৯১-৯৬ চনৰ ভিতৰত নিযুক্তি পোৱা শিক্ষকসকলক যি সকলক ইৰেগুলাৰৰ পৰা ৰেগুলাৰ কৰিলে তেওঁলোকৰ দৰ্মহা দিয়াৰ ব্যৱস্থা কৰা হৈছে বাকীসকলকো পৰ্য্যায়ক্ৰমে ব্যৱস্থা কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰি থকা হৈছে।

* **শ্ৰীগোপী নাথ দাস ঃ** ব্যৱস্থা লোৱাৰ কাৰণে ধন্যবাদ জনাইছো। যোৱা ৫ বছৰে তেওঁলোকে দৰ্মহা নোপোৱাত তেওঁলোকৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ গৈছে। মন্ত্ৰী মহোদয়ে টপ পায়ৰিটি দি ১-২ মাহৰ ভিতৰত যাতে তেওঁলোকৰ প্ৰাপ্যখিনি আদায় পায় তাৰ ব্যৱস্থা কৰিব। মোৰ আন এটা প্ৰশ্ন হৈছে কিছুমান হাইস্কুলত ভেকেন্ট পোষ্টৰ বিপৰীতে শিক্ষক নিযুক্তি দিয়া হৈছিল একজিচষ্টিং ভেকেন্সীত কিন্তু পাছৰ চৰকাৰে নতুন দিগন্তৰ নামত ৪-৫ মাহৰ কাৰণেহে নিযুক্তি দিলে মোৰ সমষ্টিতে চাৰিটা তেনে কেচ আছে তেওঁলোকে এতিয়াও দৰ্মহা পোৱা নাই, ভেকেন্সি বিলাক আছে যেতিয়া একো অসুবিধা নাই এটা অৰ্ডাৰতে তেওঁলোকক ৰেগুলাৰাইজ কৰিব পাৰি, এই ব্যৱস্থা কৰিব নেকি?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** সকলোকে একেলগে তেনেকৈ ৰেগুলাৰ কৰা অসুবিধা হ'ব কিন্তু সকলো ইৰেগুলাৰিটিকে পৰ্য্যায়ক্ৰমে ৰেগুলাৰ কৰাৰ ব্যৱস্থা কৰা হ'ব।

* **শ্ৰীগোপী নাথ দাস ঃ** অধ্যক্ষ মহোদয়, কিছুমান হিন্দী শিক্ষক আছে তেওঁলোকক ৰিটেনচনও দিয়া হৈছে কিন্তু বাজেট নোজোৱাৰ কাৰণে তেওঁলোকে দৰ্মহা পোৱা নাই মন্ত্ৰী মহোদয়ে বাজেটৰ ব্যৱস্থা কৰি সোনকালে দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিবনে? আনহাতে ভেকেন্ট পোষ্টৰ বিপৰীতে তেওঁলোকক এক্সটেনচন দিয়াত অসুবিধা নাই মাত্ৰ এটা অৰ্ডাৰ দিলেই হ'ব তেতিয়া তেওঁলোকে দৰ্মহা পাব।

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** ব্যৱস্থা লোৱা হ'ব।

* **ডঃ হৰেণ দাস ঃ** শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰিবলৈ যাওতে দুটা কেটেগৰীৰ আলোচনা কৰাতো গম পাইছো। নিয়মীয়াকৰণ কৰা শিক্ষকসকলক যি সকলে ১৯৯৬ চনত দৰ্মহা পাইছিল তেওঁলোকে এতিয়া দৰ্মহা পাইছে কিন্তু যি সকলে ১৯৯৫ চনত

* Speech not corrected

দৰ্মহা পাইছিল সেইসকলে ১৯৯৬ চনত দৰ্মহা পোৱা সকলৰ লগত কিন্তু দৰ্মহা পোৱা নাই। গতিকে ১৯৯৫ চনৰ যি সকলে দৰ্মহা পোৱা নাই তেওঁলোকক দৰ্মহা দিয়াৰ ব্যৱস্থা কৰিবনে?

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ যি সকলক ৰেগুলাৰ কৰা নাই তেওঁলোকৰ পৰীক্ষা নিৰীক্ষা চলি আছে পৰ্য্যায়ক্ৰমে তেওঁলোককো ৰেগুলাৰ কৰা হ'ব।

* শ্ৰীগুণীন হাজৰিকা ঃ মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে এই শিক্ষকসকলক কেতিয়া নিয়মীয়া কৰা হ'ল?

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ আগৰ চৰকাৰে এই শিক্ষকসকলক ৰেগুলাৰ পোষ্টৰ পৰা বঞ্চিত কৰিছিল বিভিন্ন কমিটীৰ নামত। তেওঁলোকক ভাগ ভাগ কৰা হ'ল। সকলো তথ্যপাতি মোৰ হাতত নাই সকলো কথা ফঁহিয়াই ক'ব নোৱাৰিম।

* শ্ৰীগুণীন হাজৰিকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যে মনোহৰণ কমিটীৰ কথা উথাপন কৰিছে মনোহৰণ কমিটীৰ ৰিপ'ৰ্ট বাতিল কৰাৰ ব্যৱস্থা কৰিছে নেকি?

* শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ বাতিল কৰা নকৰা কথাটো এতিয়াই চিন্তা কৰা নাই। পিচতহে চিন্তা কৰা হ'ব।

**Mr. Speaker :** Now starred question No. 82.

**বিষয় ঃ ফ্লোৰাইডযুক্ত বিষাক্ত পানী।**

শ্ৰীবিদ্যা সিং ইংলেঙে সুধিছে ঃ

* ৮২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং জিলাত দূষিত ফ্লোৰাইডযুক্ত বিষাক্ত পানীৰ পূৰ্ণ এই বিষয়টো চৰকাৰৰ অৱগতনে?

(খ) যদি অৱগত এই ফ্লোৰাইডযুক্ত দূষিত পানীকেই জিলাখনৰ সৰ্বসাধাৰণ ৰাইজে খোৱাপানী হিচাপে ব্যৱহাৰ কৰি আছেনে?

(গ) এই দূষিত পানী বিশুদ্ধ কৰিবৰ বাবে চৰকাৰে কিবা বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে নেকি আৰু যদি কৰিছে কি ব্যৱস্থা কৰিছে?

(ঘ) যদি কোনো ব্যৱস্থা কৰা নাই, কিয় কৰা হোৱা নাই?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগ, মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, কিছু অংশত বৰ্দ্ধিত পৰিমাণৰফ্লোৰাইড পোৱাৰ বিষয়ে অৱগত।

(খ) নাই, যিবোৰ উৎসত ফ্লোৰাইডৰ পৰিমাণ বৰ্দ্ধিত হাৰত পোৱা গৈছে সেই উৎসৰ পানী খোৱাৰ বাবে ব্যৱহাৰ নকৰিবৰ বাবে জাননী ফলক আদিৰ দ্বাৰা বাধা কৰা হৈছে।

---

* Speech not corrected

(গ) যিহেতুকে ফ্লোৰাইড নিস্কাষণ পদ্ধতি উন্নত প্ৰণালীৰ আৰু ব্যয়বহুল হয় সেয়ে প্ৰতিটো পানীৰ উৎসত, সেই ব্যৱস্থা ল'বৰ অসুবিধা থকা দেখা যায়। সেই বাবে বিভাগে UNICEF ৰ সহায়ত অতি সহজে তথা ঘৰুৱাভাৱে ব্যৱহাৰ কৰিবৰ বাবে হ্ৰস্বকালীন ব্যৱস্থাৰে ফ্লোৰাইড মুক্ত কৰাৰ বাবে অন্য পদ্ধতিৰ ব্যৱস্থা হাতত লৈছে। তাৰোপৰি বিভাগে ইতিমধ্যে ২০ টা নতুনকৈ পকী কুঁৱা বহুৱাবৰ বাবে আঁচনি লৈছে।

(ঘ) বৰ্তমান প্ৰশ্ন নুঠে।

* **শ্ৰীবিদ্যা সিং ইংলেং** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিছে দেখি মোৰ ভয়ে লাগিছে। যিহেতু ফ্লোৰাইড যুক্ত পানী সেৱন কৰাৰ ফলত ২৫ বছৰীয়া ল'ৰা ৬০ বছৰীয়াৰ নিচিনা হয় আৰু ২০ বছৰীয়া যুৱতী ৫০ বছৰীয়াৰ নিচিনা হয়।

দুৰ্ভাগ্যৰ কথা যে এইটো মোৰ সমষ্টিতে হৈছে। মানুহবিলাকে কৈছে এই সম্পৰ্কে সদনত প্ৰশ্ন কৰিব লাগে আৰু মন্ত্ৰীৰ পৰা ভাল উত্তৰ পাব লাগে। উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে ইউনিচেফৰ সহায়ত হ্ৰস্বকালীন ব্যৱস্থাৰে ফ্লৰাইড মুক্ত কৰাৰ কাৰণে ব্যৱস্থা হাতত লোৱা হৈছে। এনেয়ে আমাৰ মানুহ কম, তাতে দেৰী হ'লে আৰু মানুহৰ অৱস্থা নোহোৱা হ'ব। মোৰ প্ৰশ্ন হৈছে কিমান সময়ৰ ভিতৰত এই ব্যৱস্থা হৈ উঠিব? এটা নিৰ্ধাৰিত সময় দিলে ভাল হয়।

* **শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী)** ঃ ১। অধ্যক্ষ মহোদয়, ১৯৯৯ চনৰ জুন মাহত দুটা ঘৰুৱা (হাওৰাঘাট উন্নয়ন খণ্ডৰ অধীনত) নলীনাদৰ পানী বিভাগীয়ভাৱে পৰীক্ষা কৰোতে বৰ্দ্ধিত পৰিমাণৰ ফ্লোৰাইডৰ উপস্থিতিৰ কথা গম পোৱা গৈছিল। সেই তথ্যৰ ভিত্তিত বিভাগে আৰু অধিক সংখ্যক খোৱা পানীৰ উৎস পৰীক্ষা কৰোতে যথেষ্ট সংখ্যক উৎসত বৰ্দ্ধিত পৰিমাণৰ ফ্লোৰাইডৰ উপস্থিতি নিশ্চিত কৰা হয়।

২। এই সংক্ৰান্তত ডিফুৰ অতিৰিক্ত মুখ্য অভিযন্তাৰ পৰা পোৱা তথ্যৰ ভিত্তিত জনসাধাৰণক উক্ত উৎসৰ পৰা পানী ব্যৱহাৰ নকৰিবলৈ আৰু উৎসবোৰ চিহ্নিত কৰিবৰ ব্যৱস্থা হাতত ল'ব দিয়া হৈছে। সেই নিৰ্দেশ মতে কাৰ্বিআংলং জিলাৰ বিষয়াসকলে নলীনাদ ৰঙাৰঙেৰে আৰু জাননীফলক আদিৰে ৰাইজক সাৱধান কৰি দিয়ে যাতে তেওঁলোকে উক্ত উৎসৰ পৰা পানী, খোৱাপানী আৰু ৰন্ধাত ব্যৱহাৰ নকৰে।

৩। বিভাগে পানীৰ লগত জড়িত বিভিন্ন চৰকাৰী বিভাগ যেনে— চিকিৎসা, ভূতত্ব আৰু খনি (Geology & Mining), আঞ্চলিক গৱেষণাগাৰ, যোৰহাট (R.R.L.), কেন্দ্ৰীয় ভূ-জলপৰিষদ (Central Ground Water Board), পাব্লিক পৰীক্ষাৰ বিভাগ (Public Analysis) আদিৰ লগত দুবাৰকৈ (১২-১০-৯৯ আৰু ২৯-৩-২০০০) মিলিত হৈছিল আৰু সভাৰ সিদ্ধান্ত অনুসৰি উক্ত বিভাগৰ দ্বাৰা পানীৰ উৎসবোৰ পুনৰ পৰীক্ষাৰ ব্যৱস্থা হাতত লোৱা হয়।

---

* Speech not corrected

৪। ওপৰোক্ত আলোচনাৰ ভিত্তিত উক্ত বিভাগবোৰৰ দ্বাৰা পানীৰ উৎসত বৰ্দ্ধিত পৰিমাণৰ ফ্লোৰাইড থকাৰ কথা নিশ্চিত হোৱাৰ পিচত কেন্দ্ৰীয় চৰকাৰৰ লগতো যোগাযোগ কৰা হয়।

৫। বিভাগীয় মানৱ সম্পদ উন্নয়ন বিকাষৰ সহযোগত কলকাতাৰ All India Public Health Institute and Hygene ৰ দ্বাৰা কিছুসংখ্যক উৎস পুনৰ পৰীক্ষা আৰু বিভাগীয় বিষয়া তথা বেচৰকাৰী সংগঠনৰ সদস্যকো প্ৰশিক্ষণ দিয়া হয়।

তাৰোপৰি বিভাগে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধিৰ বাবে বিভিন্ন অনুষ্ঠান/প্ৰতিষ্ঠান যেনে—Jasong- Asong (NGO), Lions Club, জৱাহৰলাল নেহৰু যুৱ ক্লাব, Karbi- Anglong Students Union ৰ সহযোগত বিভিন্ন ব্যৱস্থা হাতত লৈছে।

৬। ফ্লোৰাইডৰ অসুবিধাৰ প্ৰতি লক্ষ্য কৰি বিভাগে UNICEF ৰ লগতো যোগাযোগ কৰিছিলি আৰু UNICEF য়ে ইতিমধ্যে আশ্বাস দিছে যে তেওঁলোকে PHED আৰু District Council ৰ সহযোগত আঁচনি ল'ব। সেইমতে যুটীয়া কৰ্ম-আঁচনি এখন প্ৰস্তুত কৰা হৈছে আৰু UNICEF ৰ পৰা অনুমোদন পালে কাম আৰম্ভ কৰিব পৰা যাব।

৭। বৰ্তমান ডিফুত বিভাগীয়ভাৱে এটা পানী পৰীক্ষাগাৰ স্থাপন কৰা আছে যদিও ফ্লোৰাইডৰ পৰীক্ষাৰ বাবে বিশেষ উন্নত ধৰণৰ নহয়। UNICEF ৰ সাহাৰ্য্যত এটা Iron Meter আহৰণ কৰা হৈছে আৰু পানী পৰীক্ষাত সেইটো ব্যৱহাৰ কৰি থকা হৈছে।

* শ্ৰীবিদ্যা সিং ইংলেং ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি উত্তৰ দিলে তাত কিছু পৰিমাণে হ'লেও সন্তুষ্টি হ'ব লাগিব।

কিন্তু আৰু এটা প্ৰশ্ন হৈছে— কাৰ্বি আংলং জিলাত ফ্লোৰাইডমুক্ত পানীৰ পৰিমাণ কিমান হ'ব? আৰু কিমান জনসংখ্যাক দিবলৈ চেষ্টা কৰা হৈছে?

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) ঃ ইয়াৰ বাবে বেলেগ প্ৰশ্ন দিলে ভাল হয়।

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, ২৫ বছৰীয়া যুৱক ৬০ বছৰীয়া হয় আৰু ২০ বছৰীয়া যুৱতী ৫০ বছৰীয়া হয় বুলি মাননীয় সদস্যজনে কৈছে, মোৰ প্ৰশ্ন হৈছে এক্সপাৰ্ট টীমৰ জৰিয়তে ব্যৱস্থা হাতত লোৱা হ'ব নে কি?

* শ্ৰীদীনেশ প্ৰসাদ গোৱালা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এক্সপাৰ্ট টীমৰ পৰামৰ্শমতে ইউনিচেফৰ সহায়ত ব্যৱস্থা হাতত লোৱা হৈছে বুলি উত্তৰত কোৱা হৈছে।

**Mr. Speaker :** Now starred question No. 83.

বিষয় ঃ অপাৰেচন ব্লেকবৰ্ড আঁচনি।

শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ

* Speech not corrected

* ৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শেহতীয়াভাৱে অপাৰেচন ব্লেকবৰ্ড আঁচনিৰ অধীনত নিযুক্তি পোৱা শিক্ষকসকলক মাহিলী দৰ্মহা আদায় দিয়া হৈছেনে?

(খ) যদিহে আদায় দিব পৰা নাই, তেন্তে দিব নোৱাৰাৰ কাৰণ কি?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) নাই।

(খ) নিযুক্তি পোৱা শিক্ষকসকলৰ বেতনৰ ধন কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা নাই বাবে।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে, অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে শিক্ষকসকলে দৰমহা নোপোৱাকৈ সাত মাহ কাল অতিক্ৰম কৰিছে। গতিকে মন্ত্ৰী মহোদয়ে আশ্বাস দিব পাৰে নে কি যে অতি সোনকালে শিক্ষকসকলক দৰমহা দিয়াৰ ব্যৱস্থা হ'ব?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সেইসকল শিক্ষকৰ চাকৰি এনে এটা সময়ত দিয়া হ'ল যে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা বিচাৰিব লগা হৈছে আৰু কেন্দ্ৰৰ পৰা টকা পালেহে দৰমহা দিব পৰা হ'ব।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** অধ্যক্ষ মহোদয়, এজন দায়িত্বশীল মন্ত্ৰী হিচাপে মই আপোনাৰ পৰা জানিব বিচাৰিছো যে নিৰ্দিষ্ট সময়ৰ ভিতৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰিবনে কি?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় চৰকাৰ পৰা ধন নহালৈকে আশ্বাস দিব পৰা সম্ভৱ নহয়।

* **শ্ৰীসৰ্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাটো বিশেষভাৱে টনকিয়াল কৰিবৰ কাৰণে এই অ' বি বি খন ৰূপায়ণ কৰি দিছে। ইয়াৰ অধীনত থকা শিক্ষকসকলে শিক্ষা স্থানত নেথাকি আন্দোলন কৰিব লগা হৈছে। মোৰ প্ৰশ্নটো হৈছে— যিসকল নিবনুৱা যুৱক-যুৱতীয়ে বহু বছৰ ধৰি কৰ্ম সংস্থান নোহোৱাকৈ আছিল সেই সকলে চাকৰি পাইছিল আৰু এতিয়া দীৰ্ঘ দিন ধৰি দৰ্মহা নোপোৱাত অসুবিধা হৈছে। তেওঁলোকে ভৱিষ্যতে স্থায়ী সংস্থান পোৱাৰ ক্ষেত্ৰত কিবা ব্যৱস্থা কৰিবনে?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, অ' বি বি-ৰ ক্ষেত্ৰত নম্বৰ বিত্তীয় আয়োগৰ অনুমোদন অহা ২০০১ চনৰ মাৰ্চ মাহত শেষ হ'ব। নিবনুৱা যুৱকসকলক চাকৰি দিয়াৰ কাৰণে ভাৰত চৰকাৰলৈ ইতিমধ্যে অনুমোদন বিচাৰি লিখা হৈছে, ক'ত কেনেকৈ সংস্থান দিব পৰা হ'ব এতিয়া ক'ব পৰা নহ'ব আৰু ভাৰত চৰকাৰৰ পৰা অনুমোদন অহাৰ পিচতহে দৰমহা দিব পৰা হ'ব।

---

* Speech not corrected

**Mr. Speaker :** Now, starred question No. 84.

**বিষয় ঃ ঘাটি মঞ্জুৰী মহাবিদ্যালয়।**

শ্ৰীবুবুল দাসে সুধিছে ঃ

* ৮৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ ঘাটি মঞ্জুৰী মহাবিদ্যালয়সমূহৰ Special Body/GB সমূহ গঠন হোৱাটো সঁচানে?

(খ) যদি গঠন হৈছে জি বি / Special Body সমূহত স্থানীয় বিধায়কসকলক সদস্য মনোনীত কৰাটো সঁচানে?

(গ) জাগীৰোড মহাবিদ্যালয়ৰ GB/ Special Body খন গঠন কৰা হৈছেনে?

(ঘ) যদি হৈছে, তেনেহ'লে এই সমিতিত জাগীৰোড বিধান সভা সমষ্টিৰ বিধায়ক গৰাকীক সদস্য মনোনীত কৰিছেনে?

(ঙ) কলেজৰ GB/ Special Body ত বিৰোধী দলৰ বিধায়কসকলক সদস্য মনোনীত নকৰিবলৈ চৰকাৰে নীতি গ্ৰহণ কৰাতো সঁচানে?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) পৰিচালনা সমিতি (GB) গঠন হোৱাটো সঁচা।

(খ) কিছুমানত দিয়াটো সঁচা।

(গ) জাগীৰোড মহাবিদ্যালয় পৰিচালনা সমিতিখন গঠন কৰা হৈছে আৰু জাননীখন ইয়াৰ লগত গাঠি দিয়া হ'ল। (See Annexure-I)

(ঘ) কৰা হোৱা নাই।

(ঙ) সঁচা নহয়।

* **শ্ৰীবুবুল দাস ঃ** অধ্যক্ষ মহোদয়, উচ্চ শিক্ষা মন্ত্ৰী তথা মুখ্য মন্ত্ৰী মহোদয়ে মোৰ প্ৰশ্নৰ (খ) আৰু (ঙ)ৰ উত্তৰত কিছুমানত দিয়াটো সঁচা আৰু (ঙ)ত সঁচা নহয় বুলি কৈছে।

মোৰ প্ৰশ্নটো আছিল গভাৰ্ণিং ব'ডিত বিৰোধী দলৰ বিধায়কসকলক সভাপতি বা সদস্য হিচাপে নিয়োগ কৰা হৈছিল নেকি? ইয়াত সঁচা নহয় বুলি কৈছে। মোৰ প্ৰশ্নটো হৈছে— কলেজত গভাৰ্ণিং ব'ডি বা স্পেচিয়েল ব'ডি গঠন কৰা হৈছে নেকি আৰু বিৰোধী দলৰ বিধায়কসকলকো গুৰুত্ব আৰোপ কৰি সদস্য নিয়োগ কৰিব নেকি?

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ বিলাকৰ গভৰ্ণিং ব'ডি গঠন হোৱাটো সঁচা, কিন্তু আমি সকলো দলৰে সদস্যক লৈ গবৰ্ণিং ব'ডি গঠন হোৱাটো বিচাৰো।

* **শ্ৰীবুবুল দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ঘাটি মঞ্জুৰী মহাবিদ্যালয়সমূহৰ স্পেচিয়েল ব'ডি

---

* Speech not corrected

সমূহ গঠন হোৱাটো সঁচানে?

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যয় মহোদয়, পৰিচালনা সমিতি গঠন হোৱাটো সঁচা। আমি দলৰ কোনো সদস্য বা সভাপতি চাই প্ৰাৰ্থি নিযুক্তি দিয়া নাই, অৰ্হতা অনুসৰিহে দিয়া হয়।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয় আপোনালোকে গভৰ্ণিং ব'ডিত ক্ৰিমিনেলক দিয়াৰ ব্যৱস্থা কৰিছে। এই সম্পৰ্কে মই মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় শিক্ষামন্ত্ৰীক চিঠি দিছো আৰু তাৰ কপিবিলাক মোৰ লগত আছে। আৰু অলপ সময়ৰ পিচতে অধ্যক্ষ মহোদয়ৰ ওচৰত দিম।

* **শ্ৰীবিপুন বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনকো ইতিমধ্যে চিবি আইয়ে চাৰ্চচিট দিছে।

(মাননীয় সদস্যসকলে শাসক আৰু বিৰোধীপক্ষই একেমুখে ক'বলৈ আৰম্ভ কৰাত এক হুলস্থুলৰ সৃষ্টি হয়।)

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে তেওঁক ব্যক্তিগতভাৱে আক্ৰমণ কৰিছে। (পুনৰ সদনত হুলস্থুলৰ সৃষ্টি হয়)

**Mr. Speaker :** Order, Order. Please listen to me. I request all the Hon'ble Members of the House to speak in the House in a decent way. Since Hon'ble Ministers are in the house so replies of the questions put by Hon'ble Members will be given by concerned Ministers. And also from opposition bench please speak one by one.

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে সঁচা নহয় বুলি কৈছে। মই আগতেই কৈছো যে যোৱা ১৫ বছৰে মই কোনো কলেজৰে চেয়াৰমেন হোৱা নাছিলো। অধ্যক্ষ মহোদয় মই সুধিব বিচাৰিছো যে ক্ৰিমিনেলসকলক গভৰ্ণিং ব'ডিত কিয় দিয়া হৈছে। মোৰ হাতত প্ৰমাণ আছে মই আপোনাক কাগজ দিম। আপোনালোকে শিক্ষাবিদ বা সমাজসেৱক সকলক দিয়ক তাত আমাৰ ক'বলগীয়া নাই। অধ্যক্ষ মহোদয়, বিধায়কসকলে যাতে কোনো গভৰ্ণিং ব'ডিত চেয়াৰমেন হ'ব নোৱাৰে তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমিও ক্ৰিমিনেলক দিয়াৰ বিৰোধী যদিহে আমি প্ৰমাণ পাও তেন্তে তেওঁক আঁতৰাই দিম।

(Starred question No. 85 was not taken up as the questioner was absent in the House when called for. However, the said question deemed to have been laid on the table of the House with replies thereto)

---

* Speech not corrected

**Mr. Speaker :** Now starred question No. 85, Dr. Zoii Nath Sarma. He is absent.

**বিষয় ঃ পশুধন সংখ্যা।**

ডঃ জয় নাথ শৰ্মাই সুধিছে ঃ

* ৮৫। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান পশুধন আছে (জিলা ভিত্তিত তথ্য সদনৰ মেজত দিব)

(খ) পশুধনৰ উন্নয়নৰ বাবে চৰকাৰে কি ব্যৱস্থা লৈছে?

(গ) পশুধনৰ পৰা ৰাজ্যখনত কিমান ধন উপাৰ্জন হয়?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (পশুপালন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৭ চনৰ পশুধন পিয়ল অনুসৰি অসমত প্ৰায় এক কোটি আশী লাখ টা পশুধন আছে। (জিলা ভিত্তিত তথ্য সদনৰ মেজত দাখিল কৰা হ'ল) (সংযোজক 'ক')

(See the Annexure-II)

(খ) পশুধন উন্নয়নৰ বাবে চৰকাৰে লোৱা ব্যৱস্থাবোৰ এনেধৰণৰ—

(১) উন্নত পশু চিকিৎসা ব্যৱস্থা গ্ৰহণ, পশুধনৰ ৰোগ প্ৰতিৰোধ আৰু প্ৰতিষেধকৰ ব্যৱস্থা গ্ৰহণ।

(২) বিশ্ববেংক প্ৰকল্পৰ আধাৰত কৃত্ৰিম প্ৰজননৰ জৰিয়তে অধিক উৎপাদনক্ষম বৰ্ণ শংকৰ গৰুৰ উৎপাদন।

(৩) পশুধনৰ খাদ্যৰ বাবে অধিক উৎপাদনক্ষম ঘাঁহ আৰু ঘাঁহৰ বীজ উৎপাদন।

(৪) বিভাগীয় বিষয়া-কৰ্মচাৰী, নিবনুৱা যুৱক-যুৱতী, মহিলা-কৃষকসকলক পশুপালনৰ বিভিন্ন দিশত প্ৰশিক্ষণ।

(৫) বিভাগত থকা পশুধন পামসমূহ উন্নত আৰু আধুনিকীকৰণ কৰা ইত্যাদি।

(গ) পশুধনৰ পৰা ৰাজ্যখনত প্ৰত্যক্ষভাৱে প্ৰায় ২৬৭.১৯ কোটি টকা বাৰ্ষিক উপাৰ্জন হয় (গাখীৰ, কণী, মাংসৰ ক্ষেত্ৰত)। (বিতং তথ্য সংযোজন 'খ'ত দিয়া হৈছে)

(See Annexure-III)

**Mr. Speaker : Starred question No. 86. Hon'ble Minister, Forest to reply.**

**বিষয় ঃ বনাঞ্চলৰ মাটি বেদখল।**

শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্মাই সুধিছে ঃ

* ৮৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসমৰ পশ্চিম সীমান্তত সোণকোষ

নদীৰ পাৰত অসমৰ বনাঞ্চলৰ মাটি ওচৰৰে চাহ্ বাগানৰ মালিকে বেদখল কৰি চাহ্ খেতি কৰি থকাৰ কথা চৰকাৰ অৱগতনে?

(খ) যদি অৱগত তেন্তে চৰকাৰৰ ফালৰপৰা ইয়াৰ প্ৰতিৰোধৰ ব্যৱস্থা হাতত লৈছে নেকি?

(গ) যদি লৈছে, তেন্তে কেনেকৈ আৰু কেতিয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিব?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত

(খ) হয়, লোৱা হৈছে।

(গ) বন আৰু ৰাজহ বিভাগীয় (জিলা প্ৰশাসন) বিষয়াসকলে বেদখন অঞ্চল যুটীয়াভাৱে পৰিদৰ্শন কৰিছে। তদুপৰি পশ্চিমবংগৰ চৰকাৰী বিষয়াসকলৰ সৈতেও যুটীয়াভাৱে পৰিদৰ্শন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰ বিষয়াসকলে উক্ত ঠাইত জৰীপ কৰাৰ সিদ্ধান্ত লৈছে।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসমৰ পশ্চিম সীমান্তত সোণকোষ নদীৰ পাৰত অসমৰ বনাঞ্চলৰ মাটি ওচৰৰে চাহ্ বাগানৰ মালিকে বেদখল কৰি চাহ্ খেতি কৰি থকাৰ কথা চৰকাৰৰ অৱগতনে? অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে বন আৰু ৰাজহ বিভাগীয় বিষয়াসকলে বেদখল অঞ্চল যুটীয়াভাৱে পৰিদৰ্শন কৰিছে। তদুপৰি পশ্চিমবংগৰ চৰকাৰী বিষয়াসকলৰ সৈতে যুটীয়াভৱে পৰিদৰ্শন কৰা হৈছে আৰু দুয়োখন ৰাজ্যৰ বিষয়াসকলে উক্ত ঠাইত জৰীপ কৰাৰ সিদ্ধান্ত লৈছে। অধ্যক্ষ মহোদয়, মই এই প্ৰশ্নটো যোৱাবাৰো আনিছিলো। কিন্তু এতিয়ালৈ কাৰ্য্যকৰী কৰা পৰিলক্ষিত হোৱা নাই। সেয়েহে মই মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে যাতে অতি শীঘ্ৰে এই বিষয়টো তদন্ত কৰি কিবা ব্যৱস্থা লয়। তাৰোপৰি আৰু এটা কথা হৈছে যে চোৰাং চিকাৰীসকলে বনাঞ্চল ধ্বংস কৰি আছে। পশ্চিমবংগৰ পৰা চোৰাং চিকাৰী আহি এই অঞ্চলৰ কাঠ কাটি লৈ গৈ আছে। এইবোৰ চৰকাৰে দেখিছে নে নাই মই নাজানো। যদি মাননীয় মন্ত্ৰী মহোদয় এই বিষয়ে অৱগত তেনেহ'লে তেখেতে ক'ব। অধ্যক্ষ মহোদয়, সীমা ঠিক মতে নিৰ্ধাৰণ নোহোৱা বাবে সেই অঞ্চলৰ বেঙ্গলী মানুহে অসমৰ নিৰ্বাচনৰ সময়ত ভোট দিয়ে আৰু পশ্চিমবংগৰ নিৰ্বাচনতো ভোট দিয়ে। তেওঁলোকে অসমৰ পৰাও একো লাভ নাপায় আৰু পশ্চিমবংগৰ পৰাও একো নাপায়। অধ্যক্ষ মহোদয়, তেওঁলোকে অসমৰ পৰা কিবা বিচাৰিলে তেওঁলোকক কোৱা হয় তোমালোকক পশ্চিম বঙ্গইহে দিব আৰু পশ্চিমবঙ্গলৈ গ'লে তেওঁলোকক কোৱা হয় তোমালোকক অসমেহে দিব। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই আজি মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে মাননীয় মন্ত্ৰী মহোদয়ে বনাঞ্চলৰ উক্ত এলেকা পৰিদৰ্শন কৰি তেওঁলোকক উদ্ধাৰ কৰাৰ বাবে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

* Speech not corrected

মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু প্ৰশ্ন আছিল। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বনাঞ্চলৰ যি মাটি পশ্চিমবংগৰ চাহ বাগানৰ মালিকে বেদখল কৰি আছে, সেইখিনি মাটি আমাৰ অসমৰ নিবনুৱা যুৱক-যুৱতীক লীজত দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি?

* **Shri Gobinda Chandra Langthasa (Minister) :** Hon'ble Speaker Sir, this issue of the inter-state boundary Dispute between Assam and West Bengal is long standing prior to 1981. Due to frequent change of courses of Sankosh River some boundary pillars were not found to have been existed. As a result it was difficult to take Suitable action in regard to the state boundary as also to the Kachugaon Forest Division boundary. On 21.4.1997 the S. D. O. Gossaigaon Sub Division, the D. F. O. Kachugaon division jointly inspected the area in question and the S. D. O (C) Gossaigaon submitted a detailed report alongwith all relevant documents to the Deputy Commissioner, Kokrajhar District. A copy of this letter was also endorsed to the Commissioner, Lower Assam for his information and necessary action. The D.F. O., Kachugaon Division requested the Deputy Commissioner, Kokrajhar to convey his valuable suggestion in this regard vide letter No. dt. 23.4.1997. There after on 24.3.2001 a joint field inspection was conducted with the presence of the following officers from Assam as well as West Bengal. From Assam, DC., Kokrajhar, SP. Kokrajhar, SDO (C), Gossaigaon, Divisional Forest Officer, Kachugaon Divn. Subdivisional Police Officer, Gossaigaon and other officers from Kachugaon. From West Bengal side the Addl. Deputy Commissioner, Jalpaiguri Dist., Addl. SP., Jalpaiguri Dist. BDO., Kumargram, Manager, Kumargram Tea Estate and other officials from West Bengal, The problems for ascertaining the boundary was still there. It was decided to carry out a joint preliminary survey after the rainy season is over and afterwards survey of India may be requested for finalisation of the disputes.

Sir, this question will be examined by the Government as soon as possible.

---

* Speech not corrected

**Mr. Speaker** : Now, Starred question No. 87.

**বিষয় ঃ স্কুল প্ৰাদেশীকৰণ।**

শ্ৰীৰিপুণ বৰাই সুধিছে ঃ

* ৮৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ মাধ্যমিক আৰু প্ৰাথমিক পৰ্য্যায়ৰ বে-চৰকাৰী স্কুলসমূহৰ প্ৰাদেশীকৰণ সম্পৰ্কত চৰকাৰে শেহতীয়াভাৱে কি সিদ্ধান্ত লৈছে?

(খ) যদি চৰকাৰে বে-চৰকাৰী স্কুলসমূহৰ প্ৰাদেশীকৰণৰ সিদ্ধান্ত লৈছে, তেন্তে কেতিয়াৰ পৰা ইয়াক কাৰ্য্যকৰী কৰিব?

(গ) ১৯৯১-৯৬ চনৰ কংগ্ৰেছ চৰকাৰৰ পাঁচ বছৰীয়া কাৰ্য্যকালত নিযুক্তি পোৱা কোন পৰ্য্যায়ৰ কিমান শিক্ষকৰ চাকৰি এতিয়াও নিয়মীয়াকৰণ নোহোৱাকৈ আছে?

(ঘ) এতিয়াও নিয়মীয়াকৰণ নোহোৱাকৈ থকা প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ শিক্ষকসকলৰ চাকৰি আৰু দৰমহা নিয়মীয়াকৰণ কেতিয়াৰ পৰা হ'ব আৰু এই কাৰ্য্য সমাপন কৰিবলৈ চৰকাৰক কিমান দিন সময় লাগিব?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনৰ মাধ্যমিক আৰু প্ৰাথমিক পৰ্য্যায়ৰ বে-চৰকাৰী স্কুলসমূহ প্ৰাদেশীকৰণ সম্পৰ্কত চলিত বিত্তীয় বছৰত চৰকাৰে কোনো সিদ্ধান্ত লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰায় সকলোবোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষকৰ পদসমূহ নিয়মীয়া কৰা হৈছে আৰু সহ শিক্ষকসকলৰ ক্ষেত্ৰত সংশ্লিষ্ঠ বিদ্যালয়সমূহৰ পৰিদৰ্শকসকলৰ পৰা তথ্য বিচৰা হৈছে। প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষকসকলৰ নিযুক্তিৰ সন্দৰ্ভত মনোহৰণ কমিটীয়ে দাখিল কৰা প্ৰতিবেদনৰ পুনৰীক্ষণ বৰ্তমানেও অব্যাহত আছে।

(ঘ) মাধ্যমিক পৰ্য্যায়ৰ শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ প্ৰক্ৰিয়া বিভিন্ন পৰ্য্যায়ত চলি আছে। প্ৰাথমিক আৰু মজলীয়া শিক্ষকসকলৰ ক্ষেত্ৰত মনোহৰণ কমিটীৰ প্ৰতিবেদনৰ ওপৰত পুনৰীক্ষন (Screening) চলি আছে। খাটাং সময় ক'ব পৰা নাযায়।

* **শ্ৰীৰিপুণ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন কেইটাৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে পৰিষ্কাৰভাৱে দিছেই। তথাপি ইয়াৰ আগতে আমাৰ মাননীয় সহযোগী শ্ৰীগোপীনাথ দাসৰ কিছু কথা ৰৈ যোৱাৰ বাবে মই ক'বলৈ গৈছো। অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক দুটা কথাই কম। প্ৰথমটো হৈছে ৰাজ্যখনৰ মাধ্যমিক আৰু প্ৰাথমিক পৰ্য্যায়ৰ বে-চৰকাৰী স্কুলসমূহৰ প্ৰাদেশীকৰণ সম্পৰ্কত। অধ্যক্ষ মহোদয়, এই বছৰ লৰালৰি হোৱাৰ কাৰণে হয়তো এইটো কৰিব পৰা নহ'ল। ইয়াৰ আগতে আমাৰ নিৰ্বাচনী ইস্তাহাৰতো এই বিষয়টো আহিল যে

* Speech not corrected

১৯৯১ চনৰ পৰা ১৯৯৫ চন পৰ্য্যন্ত যিখিনি বেচৰকাৰী স্কুল আছিল সেইখিনি প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক মই সুধিব বিচাৰিছো যে অহা বছৰলৈ এই সমূহ স্কুল প্ৰাদেশীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

দ্বিতীয়তে, ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ আমাৰ চৰকাৰৰ দিনত নীতি নিয়ম মতে নিযুক্তি দিয়া শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি? কিয়নো অধ্যক্ষ মহোদয়, এইসকল শিক্ষকক মনোহৰণ কমিটীৰ নামত নানা ধৰণে হাৰাশাস্তি কৰা হৈছে। সেয়েহে অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈকে বিধিগতভাৱে নিযুক্তি হোৱা শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণ আৰু দৰ্মহা নিয়মীয়াকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰত কওঁ যে যোৱা ১৯৯২-৯৩ চনৰ স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহৰ ক্ষেত্ৰত যোগাযোগ চলি আছে। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত 'মেমৰেণ্ডাম'ৰ আন্দাৰ টেকিঙত চহী কৰা হৈছে। মাননীয় সদস্যগৰাকীয়ে বিচৰাত মই এই কথাখিনি ক'বলৈ গৈছো যে ১৯৯১ চনলৈ স্বীকৃতিপ্ৰাপ্ত মাধ্যমিক বিদ্যালয়সমূহৰ শিক্ষক আৰু কৰ্মচাৰীসকলৰ চাকৰি প্ৰাদেশীকিকৰণ কৰা হৈছে। ১৯৯২-৯৩ চনৰ স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়সমূহৰ তথ্যপাতি সংগ্ৰহ কৰা হৈছে। বৰ্তমান চলিত বছৰত প্ৰাদেশীকৰণৰ বাবে বাজেটত পুঁজি নাই। পুঁজি সাপেক্ষে যথা সময়ত প্ৰাদেশীকৰণৰ ব্যৱস্থা লোৱা হ'ব।

১৯৯১-৯৬ চনৰ ভিতৰত নিযুক্তি পোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ বিষয় শিক্ষকৰ চাকৰিসমূহ তথ্যৰ অভাৱত দুই এখন বিদ্যালয়ৰ বাহিৰে প্ৰায় সকলোখিনিৰে নিয়মীয়া কৰা হৈছে। উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ সহ শিক্ষকসকলৰ নিযুক্তি আৰু নিয়মীয়াকৰণ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়সমূহৰ পৰা কৰা হয়। সেয়েহে তথ্যসমূহ বিদ্যালয় পৰিদৰ্শকসকলৰ পৰা বিচৰা হৈছে। তথ্যসমূহ পোৱাৰ লগে লগে যোগান ধৰা হ'ব।

১৯৯২-৯৩ চনৰ বিত্তীয় বৰ্ষৰ পৰা প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয় প্ৰাদেশীকৰণ কৰিবৰ বাবে বাজেটত পুঁজিৰ কোনো ব্যৱস্থা নাই। ১৯৯১-৯৬ চনত নিযুক্তি পোৱা শিক্ষকসকলৰ চাকৰিসমূহ মনোহৰণ কমিটীয়ে তদন্ত কৰি প্ৰতিবেদন দাখিল কৰিছে। উক্ত প্ৰতিবেদনৰ ওপৰত পুনৰীক্ষণ চলি আছে।

* **শ্ৰীৰিপুণ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯১ চনৰ পৰা ১৯৯৬ কালছোৱাত এল পি আৰু এম ই স্কুল চৰকাৰীকৰণ কৰা হোৱা নাই, হাইস্কুলো ও হোৱা নাই। কিছুমান 'ড্ৰপ প'ষ্ট' থাকি গৈছে। সেইসকলৰ ভিতৰত 'ফাউণ্ডাৰ টিচা'ৰ আছে যিসকলে দৰমহা পোৱা নাই। এই বিলাক 'ড্ৰপ-প'ষ্ট'ৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে।

---

* Speech not corrected

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, 'ড্ৰপ পষ্ট' বিলাকৰ ক্ষেত্ৰত তথ্যপাতি বিচৰা হৈছে, তথ্য আহিলে ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীপংকজ বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা সুধিবলৈ বিচাৰিছো যে মধ্য ইংৰাজী বিদ্যালয়সমূহৰ শিক্ষকসকলক মনোহৰণ কমিটীয়ে কিছুমানক চাকৰি দিয়াৰ কথা ঘোষণা কৰিছে। কিন্তু এচাম শিক্ষকে অবৈধভাৱে এই সুবিধাটো লোৱাৰ অভিযোগ উঠিছে।

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এনে ধৰণৰ অভিযোগ সম্পৰ্কে ইতিমধ্যে বহুত খবৰ পাইছো। আমি এতিয়ালৈকে এই শিক্ষকসকলক ৰেগুলাৰ কৰিবৰ কাৰণে সিদ্ধান্ত ল'ব পৰা নাই। মনোহৰণ কমিটীৰ সম্পৰ্কে চালিজাৰি চাই থকা হৈছে।

* **ড° হৰেণ দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্কুলবিলাকত যি বিলাক 'ড্ৰপ পষ্ট' আছে সেই বিলাক প্ৰায় হাইক'ৰ্ট চলি আছে আৰু কিছুমানক মাননীয় হাইক'ৰ্টে দিবলৈ দিছে। প্ৰকৃততে যিসকলে পাব লাগে সেইসকলক দিয়াৰ ব্যৱস্থা মাননীয় মন্ত্ৰী মহোদয়ে ল'ব নেকি?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বৰ্তমান শিক্ষা বিভাগৰ ৫ হেজাৰৰো অধিক কেচ হাই ক'ৰ্টত চলি আছে। চাচপেঞ্চনৰ পৰা আদি কৰি বহুত এনে ধৰণৰ কেচ আছে। কিছুমানে 'প্ৰপাৰ জাষ্টিফিকেশ্যন' পোৱা নাই। সেইকাৰণে 'স্পেচিয়েল' ভাৱে কিবা ব্যৱস্থা কৰিব পৰা যাব নেকি সেই বিষয়ে আলোচনা কৰি ব্যৱস্থা লোৱা হ'ব এইটো সোনকালে কৰাৰ ব্যৱস্থা কৰিছো।

* **শ্ৰীমদন কলিতা** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নলবাৰী জিলাত বহুত হায়াৰ ছেকেণ্ডাৰী স্কুল আছে তাত বিশেষকৈ বিষয় শিক্ষক নাই। কলা বিভাগৰ বিষয় শিক্ষক নহ'লে কিবা কৰি চলাই যাব পাৰি কিন্তু যেতিয়া বিজ্ঞান বিষয়ৰ শিক্ষক নাথাকে তেতিয়া অসুবিধা হয়। যিবিলাক স্কুলত বিষয় শিক্ষক নাই সেইবিলাকত বিষয় শিক্ষক দিয়াৰ ব্যৱস্থা ল'ব নেকি?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত সোনকালে ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

* **শ্ৰীবিশ্বজিৎ দৈমাৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, স্কুলৰ প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত আমাৰ বড়ো মেডিয়াম স্কুল বিলাক প্ৰাদেশীকৰণ কৰা হোৱা নাই। অসমীয়া মেডিয়াম স্কুল বিলাক যিমান কৰিছে তাৰ তুলনাত বড়ো মেডিয়ামৰ স্কুল বিলাক প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা ল'ব নেকি?

* **শ্ৰীহেম প্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত এটা বেলেগ প্ৰশ্ন হ'লে ভাল আছিল। আমাৰ প্ৰাদেশীকৰণ কৰাৰ ক্ষেত্ৰত বড়ো মেডিয়াম বা অসমীয়া মেডিয়াম বুলি কোনো কথা নাই। বিদ্যালয়সমূহ প্ৰাদেশীকৰণৰ ক্ষেত্ৰত একেটা ভিত্তিতে চলি আছে।

---

* Speech not corrected

**Mr. Speaker :** Starred question No. 88.

**Re. : Construction of Ranger College Building.**

Shri Sarbananda Choudhury asked :

* 88. Will the Minister of Forest be pleased to state :

What developments have been made in the matter of construction of proposed Ranger College Buildings and other related works at Naosarka Pathar under Bhawanipur L.A.C. and how much time will be needed to start the scheme?

**Shri Gobinda Chandra Langthasa (Minister, Forest) replied :**

North Eastern Council has not agreed to establishment of Rangers' Training College at Naosarka Pathar.

* শ্ৰীসৰ্বানন্দ চৌধুৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, তেতিয়া এইটো কৰা হৈছিল বুলি বিভাগীয় মন্ত্ৰী মহোদয়ে কৈছিল কিন্তু বিত্ত বিভাগৰ পৰা সেউজ সংকেত (গ্ৰীণ চিগনেল) পোৱা নাছিল নেকি? যদি সেয়ে হয় তেতিয়াহ'লে কিয় কৰিছিল? এতিয়া কাৰ্য্যকৰী কৰিব পৰা হ'বনে?

* **Shri Gobinda Chandra Langthasa (Minister) :** Mr. Speaker Sir, The North East Forest Rangers' College is NEC sponsored one. All the expenditure which are incurred for maintenance of staff and college building are borne by the NEC. As per State Government decision for location of NEFRC some where in Barpeta district (near Sarupeta) for the Forest Rangers' college, the Hon'ble Chief Minister of Assam laid the foundation stone on 15.10.90. The work of construction of FR College could not be taken up as the NEC (who finance the scheme for establishment of the college) did not agree to shift the college from Assam Forest School campus and therefore the site though taken over could not be utilised for the purpose. Immediately after laying the foundation stone at Naosarka Pathar, Swahid Khargeswar Talukdar Nagar, the NEC was moved for required fund for construction of the infrastructure for the proposed area, but instead of providing fund the NEC allowed for extension of the existing building of the Assam Forest

---

* Speech not corrected

School, Jalukbari. The construction works was taken up at Jalukbari with the fund allotted by the NEC from time to time.

An amount of Rs. 115.00 lakhs was approved by the NEC for Regional FR College originally during 8th Plan period with the provision of Rs. 25.00 lakhs during 1989-90. Due to delay in release of fund during 1989-90 no expenditure had been incurred during 1989-90, as the college started functioning during 1989 and non sanction of the scheme in time, the idea of shifting of college to Naosarka pathar has abandoned.

Further Govt. of India have discontinued allotment of seats at NEFR college, Jalukbari for 2 years Rangers' course. The Govt. of India has introduced Rangers' Course at SFS College, Bornihat from last year. Though request was made for allotment of seats at NEFR College, but Govt. of India did not agree with out proposal.

Ministry of Environment and Forests has issued instructions for discontinuing of Rangers' Course in NE Forest Rangers' College, Jalukbari. In future, Rangers' Training will be done in Forest Rangers' College, Bornihat.

However, North Eastern Council (NEC) has agreed in principle to continue with NE Forest Rangers' College as an Institution to impart training on defined modules in the 10th Five Year Plan.

**Mr. Speaker :** Now Starred question No. 89.

**বিষয় ঃ অনুসূচীত কল্যাণ বৰ্ড।**

**শ্ৰীশাদিদ মজুমদাৰে সুধিছে ঃ**

* ৮৯। মাননীয় অনুসূচীত জাতি জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন মহকুমাত অনুসূচীত কল্যাণ বৰ্ড গঠন কৰা হৈছে? আৰু কিমানখনত হোৱা নাই?

(খ) গোৱালপাৰা জিলাত গোৱালপাৰা মহকুমা কল্যাণ বৰ্ড গঠন কৰা হৈছেনে?

(গ) সেই কমিটীখনত কিমানজন অনুসূচীত জাতিৰ ব্যক্তি আছে আৰু অ-অনুসূচীত জাতিৰ (General Caste) ব্যক্তি কিমানজন আছে।

(ঘ) সাধাৰণ শ্ৰেণীৰ জাতিক লৈ অনুসূচীত কল্যাণ ব'ৰ্ড গঠন কৰাৰ নীতি নিয়ম আছে নেকি আৰু যদি নিয়ম-নীতি নাই তেনেহ'লে কেতিয়া এই কমিটী ভাঙি দিয়া হ'ব?

(ঙ) গোৱালপাৰা জিলাৰ অনুসূচীত জাতি কল্যাণ ব'ৰ্ডৰ অন্য এখন জিলাৰ পৰা সদস্য আনি গঠন কৰা হৈছে নেকি আৰু যদি এই কমিটী গঠন কৰা হৈছে সেয়া কেনেকৈ অন্তৰ্ভুক্তি হ'ল?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (অনুসূচীত জাতি-জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমত ৩৮ খন মহকুমাত অনুসূচীত জাতি কল্যাণ ব'ৰ্ড গঠন কৰা হৈছে, আৰু ১০ খন মহকুমাত অনুসূচীত জাতি কল্যাণ ব'ৰ্ড গঠন কৰা হোৱা নাই।

(খ) গোৱালপাৰা জিলাত গোৱালপাৰা মহকুমা কল্যাণ ব'ৰ্ডখন গঠন কৰা হৈছে।

(গ) চৰকাৰী নিয়ম অনুসৰি সেই কমিটীখন অনুসূচীত জাতিৰ ব্যক্তিৰ দ্বাৰা হোৱা বুলি গণ্য কৰি অধিসূচনাখন কৰা হৈছে, আৰু সেই কমিটীখনত অ-অনুসূচীত জাতিৰ ব্যক্তি থকা বুলি চৰকাৰ অৱগত নহয়।

(ঘ) সাধাৰণ শ্ৰেণীৰ জাতিক লৈ অনুসূচীত কল্যাণ ব'ৰ্ড গঠন কৰাৰ নিয়ম নীতি নাই, এই কমিটীখন চৰকাৰৰ ম্যাদ শেষ হ'লেহে সাধাৰণতে ভাঙি দিয়া হয়।

(ঙ) গোৱালপাৰা জিলাৰ অনুসূচীত জাতিৰ কল্যাণ ব'ৰ্ডখন অন্য এখন জিলাৰ পৰা সদস্য আনি গঠন কৰা চৰকাৰৰ অৱগত নহয়।

* **শ্ৰীশাদিদ মজুমদাৰ ঃ** অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলা অনুসূচীত জাতি কল্যাণ পৰিষদৰ ক্ষেত্ৰত যিখন ব'ৰ্ড গঠন কৰি দিয়া হৈছে তাত ও বি চি বা অন্যান্য পিছপৰা জাতিৰ লোকৰ বাহিৰে আন লোকৰ নাম থকাটো জ্ঞাত নহয় বুলি কৈছে। কিন্তু আমি জনাত কলিতা মানুহ মৰনৈ অঞ্চলৰ। তেওঁকো ব'ৰ্ডৰ অন্তৰ্ভুক্ত কৰা হৈছে। তেনেকৈ ধুবুৰী জিলাৰ জামাদাৰহাট অঞ্চলৰ লোকো অন্তৰ্ভুক্ত কৰা হ'ল। এই বিলাক মন্ত্ৰী মহোদয়ে জানে নে নাজানে?

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** মাননীয় সদস্যক জনাব খুজিছো ধুবুৰী অনুসূচীত জাতি ব'ৰ্ডৰ চেয়াৰম্যান জয়বালা দাস আৰু সৰকাৰকে ধৰি আন এজন লোক অনুসূচীত জাতিৰ নহয় বুলি অভিযোগ পাইছো আৰু গোৱালপাৰা জিলাৰ উপায়ুক্ত ডাঙৰীয়ালৈ এই অভিযোগৰ সত্যাসত্যতা প্ৰমাণ কৰিবলৈ দিয়া হৈছে। যদি তদন্তৰ পিছত অনুসূচীত জাতিৰ নহয় বুলি প্ৰমাণিত হয় তেতিয়াহ'লে অনুসূচীত জাতিৰ ব'ৰ্ডৰ পৰা নাম বাতিল কৰা হ'ব।

* **শ্ৰীশাদিদ মজুমদাৰ ঃ** আমি জনাত চেয়াৰম্যানে যি প্ৰমাণপত্ৰ দিছে সেই বিলাকো সঁচা নহয়। জিলা

* Speech not corrected

উপায়ুক্তই বহুদিনৰ আগতে চাৰ্টিফিকেট দিয়া বুলি জনাইছে যদিও মণ্ডল এছ ডি চিৰ পৰা কাৰচাজি কৰি চাৰ্টিফিকেট অনা বুলি জানিব পৰা গৈছে। যিহেতু অনুসূচীত জাতি পৰিষদে প্ৰমাণ পত্ৰ দিব পাৰে আৰু তাত কাউণ্টাৰ চহী কৰিব লাগে সেই কাৰণে বিষয়টো তদন্ত কৰিলে ভাল হ'ব বুলি ভাবিছো।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চেয়াৰম্যান যিজন তেওঁ মনোমোহন দাস আৰু এছ চি নহয় বুলি যিটো অভিযোগ আনিছে সেই ক্ষেত্ৰত কওঁ যে তেওঁ গোৱালপাৰা জিলা ট্ৰাইবেল ডেভেলপমেন্ট অফিচৰ পৰা ১৯৯১ চনতে লোৱা এখন চাৰ্টিফিকেট দাখিল কৰিছিল। পিচতে আকৌ নানান অভিযোগ উঠাত ১৯৯৮ চনত আৰু এখন এচ চি চাৰ্টিফিকেট উলিয়াই দিয়ে। যদিহে তেখেত অনুসূচীত জাতিৰ মানুহ হৈ মিছা চাৰ্টিফিকেট উলিয়াইছে তেতিয়াহ'লে বিষয়টো জিলাৰ উপায়ুক্তৰ তদন্ত কৰিবলৈ দি প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হ'ব।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি কেইজন মানুহে এই ভুৱা চাৰ্টিফিকেট দিয়াৰ লগত জড়িত তেওঁবিলাকৰ বিৰুদ্ধে কি ব্যৱস্থা লোৱা হ'ব বা ল'বনে নাই এইটো মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** এইটো অকল গোৱালপাৰা বুলি নহয় গোটেই অসমৰ কাৰণে। যতেই ভুৱা চাৰ্টিফিকেট দিয়াৰ অভিযোগ পোৱা হ'ব তাতেই তদন্ত আৰু ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীবুবুল দাস ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে গোৱালপাৰা জিলাৰ ক্ষেত্ৰত ব্যৱস্থা ল'ব বুলি কৈছে। কিন্তু যিখন অনুসূচীত জাতি কল্যাণ পৰিষদ গঠন কৰা হৈছে তাৰ তালিকাখন সদনৰ মজিয়াত দাখিল কৰিবনে? ইয়াৰ লগতে অন্যান্য জিলা বিলাকতো এনেকুৱা যিবিলাক ঘটনা ঘটিছে তাৰ ওপৰত ব্যৱস্থা ল'বনে?

* **শ্ৰীভৰত চন্দ্ৰ নৰহ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এইটো অকল গোৱালপাৰা জিলাৰ কাৰণে নহয় গোটেই অসমৰ কাৰণে। যতেই অ-অনুসূচীত জাতিৰ মানুহে ভুৱা চাৰ্টিফিকেট দিব তাতেই তদন্ত কৰি ফৌজদাৰি কেচ কৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(Starred question No. 90 to 100 were laid on the table of the House with replies thereto.)

**বিষয় ঃ পৰিচালনা সমিতি গঠন।**

শ্ৰীবানেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ

* ৯০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সকলো মহাবিদ্যালয়ৰ পৰিচালনা সমিতিসমূহ চৰকাৰে কেতিয়া গঠন কৰিব আৰু পৰিচালনা সমিতি গঠনৰ বাবে চৰকাৰে কি নীতি গ্ৰহণ কৰিছে?

---

* Speech not corrected

(খ) অসমত এতিয়ালৈকে যিবোৰ কলেজত পৰিচালনা সমিতি গঠন হ'ল তাৰ ভিতৰত পৰিচালনা সমিতিত যোৱা বিধান সভাৰ নিৰ্বাচনত কংগ্ৰেছ (ই) দলৰ পৰাজিত প্ৰাৰ্থীক 'সভাপতি' হিচাপে নিযুক্তি দিছে নেকি?

(গ) যদি দিছে কোন কোন মহাবিদ্যালয়ত কাক কাক এনে ধৰণে নিযুক্তি দিছে?

(ঘ) গৌৰীপুৰ প্ৰমোথেশ বৰুৱা মহাবিদ্যালয়ত U.G.C. ৰ পৰা কিবা অনুদান এতিয়ালৈকে পাইছে নেকি?

(ঙ) যদি পাইছে, তেন্তে উক্ত অনুদান খৰছ কৰাৰ বাবে U.G.C. য়ে দিয়া নিৰ্দেশনা মতে Construction Committee গঠন কৰা হৈছেনে?

(চ) গৌৰীপুৰ প্ৰমোথেশ বৰুৱা মহাবিদ্যালয়ৰ বৰ্তমান সভাপতি গৰাকীয়ে তেওঁৰ সম্বন্ধীয় এজনক Technical Member হিচাপে উক্ত Construction Committee সমিতিত অন্তৰ্ভুক্ত কৰিছে নেকি?

(ছ) উক্ত ব্যক্তিজন সদ্যহতে ASTC ৰ চাকৰিৰ পৰা নিলম্বিত হৈ আছে নেকি?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী, অসম তথা উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মহাবিদ্যালয়সমূহত পৰ্য্যায়ক্ৰমে সমিতি গঠন কৰি থকা হৈছে আৰু শীঘ্ৰে সকলো মহাবিদ্যালয়তে পৰিচালনা সমিতি গঠন প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। "The Assam Non-Govt. College Management Rules'2001" ৰ আধাৰত ৩ নং ধাৰাৰ অধীনত গঠন কৰা হৈছে।

(খ) কিছুমান কলেজত দিয়া হৈছে।

(গ) তালিকা লগত গাঠি দিয়া হ'ল। (See Annexure- IV)

(ঘ) প্ৰমোথেশ বৰুৱা মহাবিদ্যালয়ে U.G.C. ৰ পৰা লাইব্ৰেৰী নিৰ্মাণৰ বাবে ৫ লাখ টকাৰ আৱণ্টন পাইছে তাৰে ভিতৰত আয়োগৰ ২৯/১২/৯৯ তাৰিখৰ নং ৬-৫৫/৯৮ (NER) চিঠি মৰ্মে বৰ্তমান ২.৫০ লাখ টকাৰ অনুমোদন পাইছে।

(ঙ) হয়, নিৰ্মাণ কমিটী গঠন কৰা হৈছে।

(চ) নিৰ্মাণ সমিতিৰ নিৰ্দেশ মতে বৰ্তমান সভাপতিৰ সম্পৰ্কীয় এজনক Technical expert হিচাপে লোৱাটো সত্য।

(ছ) তেওঁ কিছুসময়ৰ বাবে Foreman apprentice আছিল । বৰ্তমান তেওঁ ASTC ত নাই।

**Re. : Budget allocation.**

Smti Pramila Rani Brahma asked :

* 91. Will the Minister of Education be pleased to state :

(a) The amount of budget allocation earmarked by the Govt. for the development of Kokrajhar University Campus in the financial years of 1999-2000. 2000-2001 and 2001-2002?

(b) Whether all he budgetted fund has been released to the Guwahati University and all the released fund has been received by the Kokrajhar University Campus?

(c) If not, the reasons thereof?

(d) Whether the Govt. will agree to release the budgetted fund to the campus directly for its development?

(e) At present how many departments have introduced in the campus?

(f) Whether the Guwahati University has agreed to introduce another three departments?

**Shri Tarun Gogoi (Chief Minister I/C of Minister, Education Higher) replied :**

(a) The amount of budget allocation earmarked for development of Kokrajhar University Campus is Rs. 25.00 Lakhs each year for the year 1999-2000, 2000-2001 and 2001-2002.

(b) Kokrajhar University is running under Gauhati University. The budgetted amount only for the year 2000-2001 was released to Gauhati University. Govt. was unable to released fund for the year 1999-2000 due to paucity of fund and for the year 2001-2002 is being processed.

(c) As above as (b).

(d) Universities are Autonomous bodies and hence Govt. is not in a position to release fund directly to Kokrajhar campus of Gauhati University.

(e) At present, Assamese, Bodo, English and Economics Deptt. are introduced in Gauhati University Kokrajhar Campus.

(f) Gauhati University has agreed to introduce three more departments provided fund position permits them to do so.

**Re. : Vacant post in L. P. & M. E. School.**

Shri Kali Ranjan Deb asked :

* 92. Will the Minister of Education be pleased to state :

(a) How many posts of L. P. and M. E. School teachers are now lying vacant in Cachar District?

(b) Whether Government is taking any step for filling up the vacancies immediately?

(c) Whether select list prepared earlier will remain valid till new appointments are made?

**Shri Hem Prakash Narayan (Minister of Education) replied :**

(a) Awaited from the District authorities.

(b) No.

(c) Normally select list remains valid for one year from the date of publication.

**বিষয় ঃ হিন্দী শিক্ষকৰ দৰ্মহা।**

**শ্ৰীমতী শ্বৰিফা বেগমে সুধিছে ঃ**

* ৯৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ হিন্দী শিক্ষকসকলৰ দৰ্মহাৰ বাবদ কেন্দ্ৰীয় চৰকাৰে দুটা কিস্তিত মুঠ ৫ কোটি ৩৮ লাখ ৪০ হাজাৰ ৯৪৫ টকা মোকলাই দিয়াটো সঁচানে?

(খ) যদি সঁচা, ৰাজ্যৰ হিন্দী শিক্ষকসকলে যোৱা ১৩ মাহ ধৰি দৰ্মহাৰ পৰা বঞ্চিত হৈ থকাটো চৰকাৰৰ অৱগতনে?

(গ) এইটো কথা সঁচানে যে পূৰ্বৰ চৰকাৰে উক্ত টকা অন্য শিতানত ব্যয় কৰাৰ ফলত হিন্দী শিক্ষকৰ দৰ্মহা আজিলৈকে আদায় দিব পৰা নাই?

(ঘ) চৰকাৰে জানেনে যে কেন্দ্ৰীয় চৰকাৰে উক্ত টকাৰ ব্যৱহাৰ উপযোগী প্ৰমাণ পত্ৰ দাখিলৰ বাবে ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ আয়ুক্ত সচিবলৈ পত্ৰ প্ৰেৰণ কৰিছিল?

(ঙ) উক্ত প্ৰমাণ পত্ৰ দাখিল কৰা হ'লনে আৰু যদি কৰা নাই ইয়াৰ কাৰণ কি?

(চ) বৰ্তমান চৰকাৰে হিন্দী শিক্ষকসকলক দিবলৈ থকা দৰ্মহা আদায় দিয়াৰ কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা নহয়। ৫ কোটি ১৪ লাখ ৯০ হেজাৰ টকাহে।

(খ) দৰমহা নোপোৱাটো অৱগত। কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় পুঁজি নোপোৱা বাবেহে।

(গ) সঁচা নহয়।

(ঘ) জনা নাযায়, কিন্তু কেন্দ্রীয় চৰকাৰে ইতিমধ্যে মুকলি কৰি দিয়া সম্পূৰ্ণ টকাৰ উপযোগী প্ৰমাণ পত্ৰ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰা হৈছে।

(ঙ) প্ৰশ্ন নুঠে।

(চ) প্ৰয়োজনীয় ধনৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ যাৱতীয় প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

**Re. : Non-Formal Education.**

Shri Dileswar Tanti asked :

* 94. Will the Minister of Education be pleased to state :

(a) Whether the Government is aware of the fact that about more than five hundred employees of the Non-formal Education Department are not getting their salaries for last several months?

(b) What is the reason behind and what steps the Government is taking for removing the hardship of those employees?

**Shri Hem Prakash Narayan (Minister of Education) replied :**

(a) Yes, Govt. is aware.

(b) The reason for non-receipt of salaries by Non-Formal Education employees with effect from 1-4-2001 is the phasing out of existing Non-Formal Education by the Govt. of India and launching of a new scheme of Survey Siksha Abhijan in brief. SSA Jan for universalisation of Elem entary Education is the Country. The Govt. is taking necessary steps for removal of hardship of the employees as under.

(i) The Govt. has meanwhile adjusted 39 employees of Non-formal Education in other Directorates of Education Department,

(ii) The Govt. is also taking steps to adjust some other employees against the existing vacancies in the Directorates of Education Department.

(iii) The Non-Formal Education employees left unadjusted are being considered for utilisation in the modified Non-Formal Education scheme such as Education guarantee scheme and Alternative Innovative Education scheme (EGS & AIES) under Survey Siksha Abhijan (SSA).

**বিষয় ঃ D.P.E.P. ৰ কাৰ্য্যালয়।**

শ্ৰীদিলদাৰ ৰেজ্জাই সুধিছে ঃ

* ৯৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ মন্দিয়াত নিৰ্মীয়মান D.P.E.P. ৰ কাৰ্যালয় গৃহ নিৰ্মাণৰ বাবে কিমান টকা ধাৰ্য কৰা হৈছে আৰু নিৰ্মাণ কাৰ্য কিমান দিনৰ ভিতৰত শেষ কৰিবলৈ সংশ্লিষ্ট ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল?

(খ) উক্ত কাম Plan Estimate আৰু Specification মতে হৈ নথকাটো সঁচানে?

(গ) উক্ত গৃহ নিৰ্ধাৰিত Plan Estimate অনুসৰি সোনকালে নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীহেমপ্ৰকাশ** নাৰায়ণ (শিক্ষা **বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰপেটা জিলাৰ মন্দিয়াত নিৰ্মীয়মান খণ্ড সমলকেন্দ্ৰ ভৱন (ডি, পি, ই, পিৰ কাৰ্য্যালয় ভৱন) টোৰ বাবে ধাৰ্য্য কৰা টকাৰে পৰিমাণ হ'ল ৭,৮৬,৬২৭,.০০ (সাত লাখ ছিয়াশী হাজাৰ ছয়শ সাতাইশ টকা) মাত্ৰ। উক্ত ভৱনটোৰ নিৰ্মাণ কাৰ্য্য শেষ কৰিবলৈ সংশ্লিষ্ট ঠিকাদাৰক ৭ (সাত) মাহ সময় দিয়া হৈছিল।

(খ) সঁচা নহয়।

(গ) উক্ত ভৱনটোৰ নিৰ্মাণ কাৰ্য্য বৰ্তমান লিনটেল পৰ্য্যায়লৈ সম্পন্ন হৈছে আৰু অহা ডিচেম্বৰ মাহৰ ভিতৰত নিৰ্ধাৰিত Plan Estimate অনুসৰি সম্পূৰ্ণ কৰা হ'ব বুলি আশা কৰা হৈছে।

**Re. : Post of Science Teacher.**

Shri Biswajit Daimary asked :

* 96. Will the Minister of Education be pleased to state :

(a) Whether the Govt. is aware of the fact that the posts of Science teacher from Latibari High School, Arts Graduate post from Tamulpur Girls High School, Arts Graduate post from Tamulpur H. S. School and a post of Education Subject teacher from Naokata High School have been with-drawn from those schools and adjusted them to other Schools?

(b) Whether the Govt. had accorded permission to withdraw all those posts from those Schools?

(c) Whether the Government will sanction the posts again to fill up the vacant posts in those Schools?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) Govt. is aware of the withdrawal of post from Latibari High Schools, Tamulpur H. S. School and Naokata Milan H. S. Schools Smti Mira Kalita was transferred from Tamulpur Girls High School to Nalbari Girls High School against the vacant post. But not with post.

(b) No permission was accorded from Govt. in respect of Latibari High School and Tamulpur H. S. School. The post of subject teacher (Education) of Naokata Milan H. S. School was withdrawn in pursuance of order dated 5-6-94 of the Hon'ble High Court under C. R. No. 2536/94.

(c) At present there is no proposal for creation of posts.

**বিষয় ঃ এম ই স্কুলৰ শিক্ষকৰ পদ নিয়মীয়াকৰণ।**

ডাঃ নজৰুল ইছলামে সুধিছে ঃ

* ৯৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১-৬-৯৬ তাৰিখৰ পৰা ৩০-৪-২০০১ তাৰিখলৈকে মৰিগাঁও জিলাত এম ই স্কুলৰ শিক্ষকৰ কিমান পদ Regularise কৰা হৈছে? (কোন স্কুলত কোন শিক্ষকক Regularise কৰা হৈছে তাৰ তালিকা সদনৰ মেজত দিব।)

(খ) লাহৰিঘাট সমষ্টিৰ দেৱাগুৰি এম ই মাদ্ৰাছাত আজিজুল ইছলাম আকন্দ নামৰ শিক্ষকজনে কোন চনৰ পৰা কাম কৰি আছে আৰু তেওঁৰ পদটো কোন তাৰিখে Regularise কৰণ কৰা হৈছে।

(গ) বৰ্তমান তেখেতে কোন স্কুলত কাম কৰি আছে?

(ঘ) কোন চনত তেওঁ H.S.L.C. পৰীক্ষাত উত্তীৰ্ণ হৈছিল?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১-৬-৯৬ তাৰিখৰ পৰা ৩০-৪-২০০১ তাৰিখলৈকে মুঠ ১০৪ জন শিক্ষক/ শিক্ষয়িত্ৰীৰ পদ নিয়মীয়াকৰণ কৰা হৈছে। উক্ত শিক্ষক/ শিক্ষয়িত্ৰীসকলৰ তালিকা ইয়াৰ লগত গাঁথি দিয়া হ'ল (প্ৰ-পত্ৰ নম্বৰ-এ) (Annexure-V)

(খ) লাহৰিঘাট সমষ্টিৰ দেৱাগুৰি মধ্য ইংৰাজী মাদ্ৰাছাত মোঃ আজিজুল ইছলাম আকন্দ নামৰ কোনো শিক্ষক এই বিদ্যালয় নাই।

(গ) জনা নাযায়।

(ঘ) জনা নাযায়।

---

* Speech not corrected

**Rs. : Supply of Drinking Water.**

Shri Tijen Basumatary asked :

* 96. Will the Minister of P. H. E. be pleased to state :

(a) How many drinking water supply schemes are lying inactive under Chapaguri Constituency?

(b) Whether any step will be taken to make the schemes active within this financial year?

(c) Why the construction works of Narayanpur and Barbari Water supply Schemes under Nalbari District have been delinked?

(d) Whether the schemes will be completed within this financial year?

**Shri Dinesh Prasad Gowala (Minister, P. H.E.) replied :**

(a) 15 (fifteen) Nos. of Piped Water Supply Schemes under Chapaguri L. A. C. are lying inactive.

(b) 2 (two) Nos. of Piped Water Supply Schemes namely (1) Nikashi & (2) Reclamation- 'B' Block out of the above have been targeted to make functioning during the current financial yet and the rest subject to availability of fund.

(c) The Narayanpur Water Supply Scheme is almost completed and expected Commissioning curing the current financial yet.

The Barbari Water Supply Scheme is sanctioned by B. A. C. and the completion of it is subject to release of fund by B. A. C. for materials/ labour.

(d) As above.

**বিষয় ঃ ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়।**

শ্ৰীফণী ভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ৯৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয় আছে আৰু উক্ত মহাবিদ্যালয়সমূহৰ কিমানখন মহাবিদ্যালয়ৰ পৰিচালনা সমিতি এতিয়ালৈকে গঠন কৰা হৈছে?

(খ) কি নীতি, নিয়মৰ অধীনত মহাবিদ্যালয়সমূহৰ পৰিচালনা সমিতিসমূহ গঠন কৰা হৈছে?

---

* Speech not corrected

(গ) কিমানখন মহাবিদ্যালয়ত কং (ই) দলৰ পৰাজিত প্ৰাৰ্থীক (বিধান সভা নিৰ্বাচনত) পৰিচালনা সমিতিৰ সভাপতি মনোনীত কৰিছে?

(ঘ) বঙাইগাঁও সমষ্টিৰ মহাবিদ্যালয়সমূহত স্থানীয় বিধায়কৰ সলনি অইন সমষ্টিৰ বিধায়ক পৰিচালনা সমিতিৰ সভাপতি/ সদস্য মনোনীত কৰাৰ কিবা প্ৰস্তাৱ আছেনেকি?

(ঙ) যদি আছে College Management Rule ৰ কোন ধাৰা মতে উক্ত ব্যৱস্থা গ্ৰহণ কৰিছে?

শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী, অসম তথা উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) বৰ্তমান অসমত ১৯০ খন ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয় আছে। এতিয়ালৈকে ৭০ খন ঘাটি মঞ্জুৰী প্ৰাপ্ত মহাবিদ্যালয়ৰ পৰিচালনা সমিতি গঠন কৰা হৈছে।

(খ) "The Assam Non-Govt. College Management Rule 2001"-ৰ নীতিৰ আধাৰত গঠন কৰা হৈছে।

(গ) বৰ্তমানলৈকে অসমৰ বাৰখন মহাবিদ্যালয়ত কংগ্ৰেছ (ই) দলৰ পৰাজিত প্ৰাৰ্থীক (বিধান সভা নিৰ্বাচনত) পৰিচালনা সমিতিৰ সভাপতি মনোনিত কৰা হৈছে। ইয়াৰ তালিকা লগত গাঁঠি দিয়া হ'ল। (See Annexure- VI)

(ঘ) নাই।

(ঙ) প্ৰশ্ন নুঠে।

**Re. : R. E. C.**

Shri Bimolangshu Roy asked :

* 100. Will the Minister of Education be pleased to state :

(a) Is it a fact that there is a Board of Governors to deal with R.E.C. and failure to constitute the Board of Governors in time led to crisis in R. E. C. to contain agitation of a section of lecturers for which academic atmosphere in the College has been vitiated & Students & guardians and suffering seriously?

(b) What steps Government has taken to resolve the crisis and for booking the erring officers?

(c) What is the reason for non-payment of dues of R.E.C to the tune of Rs. 8 (eight) crores?

(d) Will the Government pay the dues to resolve financial crunch of R. E.C.?

---

* Speech not corrected

(e) If so, when and if not why?

(f) Has the present Government Communicated its willingness to the H. R. D. Ministry Government of India for upgrading R. E. C. into N.I.T. to save R.E.C.?

(g) Has the Government caused any enquiry as to alleged corruption of High Official/Lecturers/Staff of R.E.C. & if so what is the present status of enquiry?

**Shri Tarun Gogoi (C.M., Minister I/C.H.E.) replied :**

(a) Yes, The problem cannot be attributed to Board of Governors.

(b) The problem has been settled for the time being after discussions by the Director of Technical Education and Adviser to the Chief Minister with the representatives of Teachers' and Employees' Associations.

(c) Due to financial constraints.

(d) & (e) It will depend on availability of funds.

(f) The matter is under examination of the Government. No decision has been taken so far.

(g) All the concerned matters regarding these issues will be pleased before the Board of Governors as Board of Governors is the competent authority to take cognisance and dispose of such matters.

## SHORT NOTICE QUESTIONS AND ANSWERS

**Mr. Speaker :** Now, Short Notice question No. 12.

**বিষয় ঃ উৰণীয়া সেতুৰ নিৰ্মাণ কামৰ অগ্ৰগতি সম্পৰ্কে।**

ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ

১২। মাননীয় গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীত সদ্যনিৰ্মিত হৈ থকা উৰণীয়া সেঁতুসমূহৰ কামৰ অগ্ৰগতি কি?

(খ) এনে উৰণীয়া সেঁতুৰ কোনখন কেতিয়া সম্পূৰ্ণ হ'ব?

(গ) এতিয়ালৈকে এনে সেঁতুৰ বাবে কাক কিমান ধন আদায় দিয়া হ'ল?

**শ্ৰীঅঞ্জন দত্ত (গুৱাহাটী উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ**

(ক) গণেশগুৰি চাৰিআলিত নিৰ্মীয়মান উৰণীয়া সেঁতুৰ কাম ৯৫% অগ্ৰগতি হৈছে আৰু উলুবাৰী

চাৰিআলিত নিৰ্মীয়মান উৰণীয়া সেঁতুৰ কাম ৩০% অগ্ৰগতি হৈছে।

(খ) গণেশগুৰি চাৰিআলি উৰণীয়া সেঁতুৰ নিৰ্মাণ কাৰ্য্য ২০০১ চনৰ অক্টোবৰ মাহত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল যদিও কিছু এৰাব নোৱাৰা কাৰণত ইয়াৰ সম্পূৰ্ণ কৰাৰ লক্ষ্য অহা ডিচেম্বৰ মাহলৈ পুনৰ নিৰ্দ্ধাৰণ কৰা হৈছে আৰু উলুবাৰী চাৰিআলি উৰণীয়া সেঁতুৰ কাম অহা ইং ২৫-৬-২০০২ ত সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

(গ) এতিয়ালৈকে গণেশগুৰি চাৰিআলি উৰণীয়া সেঁতুৰ বাবদ মুঠ ১০,৯১,৩৯,৫৬৮.০০ টকা (দহ কোটি একান্নবৈ লাখ ঊনচল্লিশ হেজাৰ পাঁচশ আঠষষ্ঠি টকা) খৰছ হৈছে। ইয়াৰোপৰি উলুবাৰী চাৰিআলি উৰণীয়া সেঁতুৰ বাবদ ৩,৩২,৮০,৫২১.০০ (তিনি কোটি বত্ৰিশ লাখ আশি হেজাৰ পাঁচশ একৈশ টকা এতিয়ালৈকে আদায় দিয়া হৈছে। এই টকা নিৰ্মাণৰ লগত জড়িত সংশ্লিষ্ট কোম্পানী আৰু অন্যান্য চৰকাৰী বিভাগ/ সংস্থাক আদায় দিয়া হৈছে।

**বিষয় ঃ পৰিবহণ নিগম।**

ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ

১৩। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ASTC ৰ লোকচানৰ মূল কাৰণ কি কি?

(খ) সদ্যহতে কিমান কৰ্মচাৰী বিষয়া আছে?

(গ) দৰ্মহাৰ বাবে প্ৰতিমাহত কিমান খৰছ হয় আৰু প্ৰতিমাহত কিমান উপাৰ্জন হয়?

(ঘ) সদ্যহতে কিমান গাড়ী যাতায়াতৰ উপযোগী অৱস্থাত আছে? আৰু কিমান গাড়ী অনুপযোগী হৈ পৰি আছে?

(ঙ) A. S. T. C.-য়ে বেচৰকাৰী গাড়ী চলাইছে নেকি?

(চ) যদি চলাইছে, কিমান আৰু কি কি স্বত্তৰ্ত এনে গাড়ী চলাইছে?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) (১) বাছৰ তুলনাত সংখ্যাধিক কৰ্মচাৰী থকা বাবে।

(২) নিগমৰ সচল বাছৰ সংখ্যা কমি যোৱাত উপাৰ্জনৰ হাৰ নিম্নগামী হোৱাৰ বাবে।

(৩) তৈল সামগ্ৰী আৰু যন্ত্ৰাংশৰ মূল্য বৃদ্ধি হোৱাৰ অনুপাতে বাছৰ ভাড়া বৃদ্ধি নহৈ স্থিৰ অৱস্থাত থকা বাবে।

(৪) সামাজিক দায়বদ্ধতাৰ বাবে কম উপাৰ্জন পথত নিগমৰ বাছ চলাব লগা হোৱা বাবে।

(৫) অত্যাধিক সংখ্যক ব্যক্তিগত বাছ তথা চুবুৰীয়া ৰাজ্যৰ বাছসমূহৰ অবাধ চলাচলৰ বাবে।

---

* Speech not corrected

(খ) ২০০১ চনৰ আগষ্ট মাহৰ পৰিসংখ্যা মতে বৰ্তমান নিগমত ৭৯ জন বিষয়া আৰু ৪৮৭৬ জন কৰ্মচাৰী আছে।

(গ) (১) দৰ্মহাৰ বাবদ প্ৰতিমাহে ২২০ লাখ টকাৰ আৱশ্যক হয়।

(২) উপাৰ্জন হোৱা পৰিসংখ্যা তলত দিয়া ধৰণৰ —

২০০১ চনৰ জুন মাহত = ৭০.১৯ লাখ টকা

২০০১ চনৰ জুলাই মাহত = ৮০.২১ লাখ টকা

২০০১ চনৰ আগষ্ট মাহত = ৮৮.৩৫ লাখ টকা।

উল্লেখিত ২২০ লাখ টকাৰ পৰা বিভিন্ন শিতানত কৰ্তনৰ পাছত ১৭০ লাখ নগদ টকা দৰমহাৰ বাবে আৱশ্যক হয়। উল্লেখিত সৰ্বমুঠ উপাৰ্জনৰ পৰা ডিজেল, ম'বিলৰ বাবদ খৰছৰ পাছত নেট আয় হয়—

২০০১ চনৰ জুন মাহত = ৩১.৭৩ লাখ টকা

২০০১ চনৰ জুলাই মাহত = ৩৪.৪১ লাখ টকা

২০০১ চনৰ আগষ্ট মাহত = ৩৯.০০ লাখ টকা।

(ঘ) বৰ্তমান ২০০ (দুশ) গাড়ী চলাচলৰ উপযোগী হৈ আছে আৰু ১৫০ (এশ পঞ্চাশ)খন গাড়ী চলাচলৰ অনুপযোগী অৱস্থাত আছে। এই ১৫০ খন গাড়ীৰ ভিতৰত ৭০ খন গাড়ী মেৰামতি কৰি চলাচলৰ উপযোগী কৰি তোলাৰ বাবে চিনাক্ত কৰা হৈছে।

(ঙ) "নিগমৰ স্বনিয়োজন আঁচনি ২০০১ চন"ৰ জৰিয়তে ব্যক্তিগত মালিকাধীন বাছ নিগমৰ অধীনত চলাবলৈ লোৱা হৈছে।

(চ) (১) বৰ্তমানলৈকে ২৫০ (দুশ পঞ্চাশ)খন ব্যক্তিগত খণ্ডৰ বাছৰ আবেদন পোৱা হৈছে আৰু ইয়াৰে ১০৪ (এশচাৰি) খন গাড়ীৰ চলাচল ইতিমধ্যে আৰম্ভ হৈছে।

(২) ব্যক্তিগত মালিকৰ অধীনত লোৱাৰ ক্ষেত্ৰত থকা চৰ্তসমূহৰ ভিতৰত ঘাই চৰ্ত কেইটা হ'ল —

প্ৰতিখন বাছৰ বাবদ নিগমক ৰেজিষ্ট্ৰেচন ফি দিব লাগিব —

(i) ডিলাক্স — ২০,০০০/- (বিশ হাজাৰ) টকা

(ii) দিষ্ট্ৰিকটাইপ — ১০,০০০/- (বিশ হাজাৰ) টকা

(iii) ৭০৯/৬০৯ আৰু ৮ বছৰৰ ওপৰৰ গাড়ী — ৫,০০০/- (পাঁচ হাজাৰ) টকা

(৩) প্ৰতিখন বাছৰ বাবদ আমানত ধন ১০,০০০/- (দহ হেজাৰ) টকা চাৰিটা কিষ্টিত লোৱা হয়।

(৪) গাড়ীসমূহ নিগমে ধাৰ্য্য কৰি দিয়া আৰ্হিত ৰং কৰিহে চলাচল কৰিবলৈ দিয়া হয়।

(চ) (৫) ডিলাক্স বাছৰ মুঠ উপাৰ্জনৰ ১৫ (পোন্ধৰ) শতাংশ আৰু ড্ৰিষ্টিক তথা ৭০৯/৬০৯ টাইপ আদি বাছৰ পৰা ১০ (দহ) শতাংশ নিগমৰ অংশ (A.S.T.C.'s Chare) হিচাবে আদায় লোৱা হয়। কিন্তু ডাঙৰ বাছসমূহে অতি কমেও প্ৰতি কিলোমিটাৰত ১০২৫ (এটকা পঁচিশ পইচা) আৰু সৰু বাছ তথা ৭০৯/৬০৯ আদি বাছসমূহে প্ৰতি কিলোমিটাৰত অতিকমেও ১.০০ (এটকা) টকাকৈ দৈনিক নিগমক দিবই লাগিব।

(৬) দীৰ্ঘ দূৰত্বৰ বাছসমূহত ঘাইকৈ নৈশ সেৱাৰ দুজনকৈ চালক থাকিব লাগিব আৰু তাৰে এজন চালক নিগমৰ পৰা ল'ব লাগিব। এনে চালকজন প্ৰয়োগ কৰাৰ বাবদ বাছমালিকে প্ৰতিমাহে নিগমক ২০০০.০০ (দুহেজাৰ) টকাকৈ জমা দিব লাগিব।

(৭) প্ৰতিখন ব্যক্তিগত মালিকৰ বাছত নিজা চালক-পৰিচালকৰ উপৰিও নিগমৰ তৰফৰ পৰা এজন পৰিচালক বাধ্যতামূলক হিচাপে থাকিব আৰু নিগমৰ পৰিচালকজনক নিগমৰ নিৰ্ধাৰিত নিৰিখত ট্ৰিপ ভাত্তা দিব লাগিব।

(৮) ব্যক্তিগত বাছসমূহৰ মালিকে নিজাববীয়াকৈ নিগমৰ পৰা পৰিচালক বিচাৰিব পাৰিব আৰু এনে পৰিচালক লোৱাৰ বাবদ মাহে ১০০০.০০ (এহেজাৰ) টকাকৈ নিগমক জমা দিব লাগিব। ইয়াৰ উপৰিও এনে পৰিচালকক নিৰ্দ্ধাৰিত হাৰত ট্ৰিপ ভাত্তা দিব লাগিব।

**বিষয় ঃ অবৈধ জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

১৪। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত অবৈধভাৱে চলি থকা ৫ টা জিলা পৰিবহণ কাৰ্য্যালয় (D.T.O. Office) ধৰা পেলোৱা কথাটো সঁচানে?

(খ) যদি সঁচা, এই কাৰ্য্যালয়সমূহ গুৱাহাটীৰ কোন ঠাইত আছিল আৰু কেতিয়াৰ পৰা আছিল?

(গ) এই অবৈধ কাৰ্য্যালয়সমূহ ধৰা পেলোৱা বিষয়াগৰাকী কোন আৰু তেওঁ কি কি সামগ্ৰী জব্দ কৰিলে?

(ঘ) চৰকাৰে এনে অবৈধ কাৰ্য্যালয় খুলি ব্যৱসায় চলোৱাসকলৰ বিৰুদ্ধে কি আইনগত ব্যৱস্থা লৈছে জনাবনে?

**শ্ৰীঅঞ্জন দত্ত (পৰিবহণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) গুৱাহাটী মহানগৰীৰ কেইটামান পৰিবহণ ব্যৱস্থাৰ লগত জড়িত এজেঞ্চীৰ কাৰ্যালয়ত জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়ৰ পৰা মঞ্জুৰ কৰা কিছুমান গাড়ীৰ নথি পত্ৰ উদ্ধাৰ কৰা কথাটো সত্য। সেই কাৰ্যালয় কেইটাত অবৈধভাৱে জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয় চলি থকাৰ সত্যাসত্যতা আৰক্ষীয়ে তদন্ত কৰি আছে।

(খ) পৰিবহণ ব্যৱস্থাৰ লগত জড়িত এজেঞ্চীৰ কাৰ্য্যালয়সমূহ গুৱাহাটীৰ বেলতলা অঞ্চলত আছিল। কিন্তু কেতিয়াৰ পৰা আছিলজনা নাযায়। এই বিষয়ে আৰক্ষীৰ অনুসন্ধান চলি আছে।

(গ) এই কাৰ্য্যালয়সমূহ ধৰা পোলোৱা অভিযান দিশপুৰ আৰক্ষী চকীৰ উপ-আৰক্ষী অধীক্ষকৰ নেতত্বত যোৱা আৰক্ষীৰ দলটোৰ লগত সহকাৰী পৰিবহন আয়ুক্ত গৰাকীও লগত আছিল। দলটোৱে ভালেমান নথি পত্ৰৰ লগতে যানবাহনৰ পঞ্জীয়ন পত্ৰ আৰু যান-বাহনৰ যোগ্যতা পত্ৰও জব্দ কৰিছিল।

(ঘ) আৰক্ষীয়ে গোচৰটো পঞ্জীয়ন কৰিছে আৰু আইনগত ব্যৱস্থাৰ বাবে তদন্ত কৰি আছে।

**বিষয় ঃ মদৰ দোকানৰ অনুজ্ঞাপত্ৰ।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

১৫। মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনত বৰ্ত্তমানলৈ চৰকাৰী লাইচেন্স প্ৰাপ্ত বিলাতী মদৰ দোকান কেইখন আছে?

(খ) এই দোকানসমূহৰ পৰা ৰাজ্য চৰকাৰে প্ৰতি বছৰত কিমান ৰাজহ (Revenue) লাভ কৰে?

(গ) ৰাজ্যখনত চলিত বিত্তীয় বছৰত নতুনকৈ মদৰ দোকান খুলিবলৈ লাইচেন্স দিয়াৰ কথা চৰকাৰে ভাবিছে নেকি?

(ঘ) যদি ভাবিছে কিমানখন নতুন লাইচেন্স দিয়া হব জনাবনে ?

**শ্ৰীশৰৎ বৰকটকী (আৱকাৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৩৯৪ খন।

(খ) ২০০০-২০০১ বিত্তীয় বছৰত এই দোকান সমূহৰ পৰা ১২২, ৫০, ৮৫, ১৯৮ টকা ৰাজহ লাভ কৰা হৈছে।

(গ) নতুনকৈ মদৰ দোকান দিয়াৰ ব্যৱস্থা বৰ্ত্তমান বন্ধ আছে।

(ঘ) প্ৰশ্ন নুঠে।

**বিষয় ঃ ৩০ খন বিচনাযুক্ত হাস্পতাল আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

১৬। মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে ৰাজ্যখনত চলিত বিত্তীয় বছৰত নতুনকৈ ৩০ খন বিচনাযুক্ত হস্পিতাল আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) স্থাপন কৰাৰ সিদ্ধান্ত লৈছে নেকি?

(খ) যদি লৈছে, কিমানখন এনে হস্পিতাল স্থাপন কৰা হ'ব?

(গ) ৰাজ্যখনত বৰ্তমানলৈ কিমানখন ৩০ খন বিচনাযুক্ত আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ অৰ্ধ নিৰ্মিত অৱস্থাত আছে?

(ঘ) এই অৰ্ধনিৰ্মিত হস্পিতালসমূহ চলিত বিত্তীয় বছৰত সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে?

(ঙ) এনে সম্পূৰ্ণকৰণ প্ৰক্ৰিয়াত পাটাছাৰকুছি সমষ্টিৰ টিহু মৌজাত অৱস্থিত অৰ্ধনিৰ্মিত

মাখিবাহা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰিবনে?

**ডাঃ ভূমিধৰ বৰ্মন (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰে ৰাজ্যখনত চলিত বিত্তীয় বছৰত নতুনকৈ ৩০ খন বিচনাযুক্ত হাস্পতাল (CHC) আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) স্থাপন কৰাৰ সিদ্ধান্ত বৰ্তমান লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) ৰাজ্যখনত বৰ্তমান অৰ্ধনিৰ্মিত অৱস্থাত থকা চিকিৎসালয়ৰ সংখ্যা গড়কাপ্টানি বিভাগৰ খতিয়ান অনুযায়ী এনে ধৰণৰ ঃ—

(১) ৩০ খনবিচনাযুক্ত গ্ৰাম্য চিকিৎসালয়ৰ সংখ্যা (CHC) = ৫১ খন।

(২) প্ৰথমিক স্বাস্থ্য কেন্দ্ৰ (PHC) = ১২০ খন।

(ঘ) অৰ্ধনিৰ্মিত হাস্পতালসমূহ প্ৰধানমন্ত্ৰী গ্ৰামোন্নয়ন যোজনাৰ পৰা পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা কৰা হ'ব।

(ঙ) পাটাছাৰকুছি সমষ্টিৰ টিহু মৌজাত অৱস্থিত অৰ্ধনিৰ্মিত মাখিবাহা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোৰ নিৰ্মাণ কাৰ্য অসম আঞ্চলিক প্ৰকল্পৰ জৰিয়তে সম্পূৰ্ণ কৰা হৈছে। ডাক্টৰ আৰু অন্যান্য কৰ্মচাৰীৰ আৱাস গৃহ নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

**বিষয় ঃ নিবনুৱা ভাট্টা।**

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

১৭। মাননীয় শ্ৰম আৰু নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) ৰাজ্যখনত বৰ্তমান কিমান চৰকাৰী পঞ্জীয়নভুক্ত নিবনুৱা আছে?

(খ) এই নিবনুৱাসকলৰ নিয়োগৰ বাবে চৰকাৰী কিবা আঁচনি গ্ৰহণ কৰিছে নেকি?

(গ) যদি কৰিছে কি আঁচনি গ্ৰহণ কৰিছে?

(ঘ) চাকৰি অথবা কৰ্মত নিয়োগ কৰিব নোৱাৰালৈ অসমৰ নিবনুৱাসকলক নিবনুৱা ভাট্টা দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবনে?

**শ্ৰীবামেশ্বৰ ধানোৱাৰ (শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান ২০০১ চনৰ ৩০ জুনলৈ অসমৰ বিভিন্ন নিয়োগ বিনিময় কেন্দ্ৰসমূহত পঞ্জীয়নভুক্ত হোৱা মুঠ নিবনুৱাৰ সংখ্যা হ'ল– ১৫,১২,৬৬৯ জন।

(খ) বৰ্তমানলৈকে শ্ৰম আৰু নিয়োগ বিভাগে তেনে কোনো আঁচনি গ্ৰহণ কৰা নাই।

(গ) প্ৰশ্ন নুঠে।

(ঘ) ১৯৮৩ চনৰ ১৫ আগষ্ট তাৰিখৰ পৰা 'অসম নিবনুৱা ভাট্টা আঁচনি ১৯৮৩' অধীনত অসমত নিয়োগ বিনিময় কেন্দ্ৰত স্নাতক আৰু স্নাতকোত্তৰ নিবনুৱা প্ৰাৰ্থীক মাহিলী ৫০.০০ (পঞ্চাশ) টকাকৈ সৰ্বাধিক তিনি বছৰৰ বাবে ভাট্টা দিয়াৰ ব্যৱস্থা কৰা হয়, যদিহে সাধাৰণ

প্ৰাৰ্থীৰ পৰিয়ালৰ বছৰেকীয়া আয় ৭,২০.০০ টকা আৰু অনুসূচীত জাতি/ জনজাতি আৰু শাৰীৰিকভাৱে প্ৰতিবন্ধী প্ৰাৰ্থীৰ ক্ষেত্ৰত ১,৬০০.০০ টকাতকৈ বেছি নহয়।

কিন্তু পুঁজিৰ অভাৱত এই আঁচনিৰ অধীনত ১৯৯৫ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা বৰ্তমানলৈ স্নাতক / স্নাতকোত্তৰ প্ৰাৰ্থীক ভাট্টা দিব পৰা হোৱা নাই।

**বিষয় ঃ DRDA ৰ টকা।**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

১৮। মাননীয় পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১-২০০২ বিত্তীয় বৰ্ষত এতিয়ালৈকে কোন কোন আঁচনিত কোন কোন DRDA লৈ কিমান টকা আদায় দিছে?

**ডাঃ ভূমিধৰ বৰ্মন (পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২০০১-২০০২ বিত্তীয় বৰ্ষৰ কোনো ধন এতিয়ালৈ মোকোলাই দিয়া হোৱা নাই। অৱশ্যে যোৱা বিত্তীয় বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত ৭৫ কোটি টকাৰ মুঠ ৩০ কোটি টকা চলিত বিত্তীয় বৰ্ষত বিভিন্ন জিলালৈ প্ৰেৰণ কৰা হৈছে। বিভিন্ন বৰ্ষত বিভিন্ন জিলালৈ প্ৰেৰণ কৰা হৈছে। বিভিন্ন গ্ৰামোন্নয়ন অভিকৰণলৈ প্ৰেৰণ কৰা ধনৰ পৰিমাণৰ তালিকা সদনৰ মেজত দাখিল কৰা হ'ল।

**বিষয় ঃ কেন্দ্ৰীয় চৰকাৰৰ পৰা নিৰ্বাচন পৰিচালনাৰ টকা।**

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

১৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ নিৰ্বাচন বিভাগে যোৱা বিধানসভা নিৰ্বাচন পৰিচালনাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা কি কি কামৰ বাবে কিমান কিমান টকা পাইছিল আৰু উক্ত টকা কোন কোন জিলা/ মহকুমাত কি কি কামৰ বাবে কিমান কিমানকৈ মঞ্জুৰী দিছিল?

(খ) বিলাসীপাৰা মহকুমা নিৰ্বাচনী বিষয়াই সৰ্বমুঠ কিমান টকা মঞ্জুৰী পাইছিল আৰু উক্ত টকা কি কি কামত খৰচ কৰিছিল? (তালিকা প্ৰস্তুত কৰি বিতং তথ্য দাখিল কৰিব)

(গ) উপৰোক্ত সময়ত নিৰ্বাচনী (ৰিটাৰ্ণিং) বিষয়াজনে বিলাসীপাৰা আৰু বগৰীবাৰী থানাৰ নিৰ্বাচনী কৰ্তব্য পালনত দোষী বুলি চিহ্নিত পুলিচ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগটো সঁচানে, [illegible]

(ঘ) ৰিটাৰ্ণিং বিষয়া (S.I [illegible] অফিচ বিল্ডিঙৰ ওপৰ মহলাটোৰ নিৰ্মাণ কাৰ্য্য চলাইছে- ই নিৰ্বাচনী [illegible] কোন ফাণ্ডৰ অধীনত?

**শ্ৰীতৰুণ গগৈ (মুখ্য মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসম চৰকাৰৰ নিৰ্বাচন বিভাগে যোৱা বিধান সভা নিৰ্বাচন পৰিচালনাৰ বাবে কেন্দ্ৰীয়

চৰকাৰৰ পৰা কোনো মঞ্জুৰী পোৱা নাই।

(খ) বিলাসীপাৰা মহকুমা নিৰ্বাচনী বিষয়াক ৰাজ্য চৰকাৰৰ পৰা পোৱা মঞ্জুৰীৰ পৰা সৰ্বমুঠ ৩৬,৮০,০০/- টকা আৱণ্টন দিয়া হৈছিল। (See Annexure-VIII)

(গ) এই সম্পৰ্কে এতিয়ালৈকে নিৰ্বাচন বিভাগত কোনো অভিযোগ পোৱা হোৱা নাই।

(ঘ) নিৰ্বাচন বিভাগৰ পৰা অফিচ বিল্ডিং নিৰ্মাণ কাৰ্য্যৰ বাবে কোনো ফাণ্ড দিয়া হোৱা নাই।

**বিষয়া ঃ EAS আঁচনিৰ টকা।**

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

২০। মাননীয় গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা বিধান সভা নিৰ্বাচনৰ আগে আগে অসমৰ চৰকাৰে EAS আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ পৰা সৰ্বমুঠ কিমান টকা মঞ্জুৰী পাইছিল আৰু উক্ত টকা কোন কোন জিলালৈ কিমান কিমানকৈ মুকলি কৰি দিছিল?

(খ) কোন কোন জিলা (DRDA)ই ইতিমধ্যে উক্ত টকা খৰচ কৰিছে আৰু কোন কোন জিলা (DRDA) ই উক্ত টকা এতিয়াও খৰছ কৰা নাই? (তালিকাসহ তথ্য সদনৰ মেজত দাখিল কৰিব)

(গ) ওপৰোক্ত সময়ত ধুবুৰী (DRDA) ই ১০৭.২০ লাখ টকা পোৱাটো সঁচানে?

(ঘ) যদি সঁচা, তেন্তে উক্ত টকা কি কি কামত খৰচ কৰা হ'ল? (কামৰ স্পষ্ট নামৰ বিপৰীতে গাঁও, গাঁও পঞ্চায়ত ও উন্নয়ণ খণ্ডৰ নাম, টকাৰ পৰিমাণ উল্লেখ কৰি সদনৰ মেজত তথ্য দাখিল কৰিব)।

**ডাঃ ভূমিধৰ বৰ্মন (গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) জিলা ভিত্তিত মঞ্জুৰী ও মুকলি কৰি দিয়া ধনৰ পৰিমাণ Annexure-I ত উল্লেখ কৰা হ'ল— (See Annexure-VIII)

(খ) অসমৰ সকলো জিলাৰ জিলাভিত্তিক খৰচৰ তালিকা সংগ্ৰহ কৰি থকা হৈছে।

(গ) হয়, সঁচা।

(ঘ) ধুবুৰী জিলা গ্ৰাম্য উন্নয়ন অভিকৰণে পোৱা উক্ত ১০৭.২০ লাখ টকা খৰচ কৰা আঁচনিসমূহৰ তালিকা উন্নয়ণ খণ্ড, গাঁও, গাঁও পঞ্চায়তৰ বিপৰীতে আঁচনিসহ নাম উল্লেখ কৰি সদনৰ মেজত দাখিল কৰা হ'ল।

**Re. : Annual budget allocation**

Smt. Pramila Rani Brahma asked :

21. Will the Minister, in charge WPT & BC be pleased to state :

(a) What was the annual budget allocation for Bodoland Autonomous

Council since 1995-96 to 2000-2001?

(b) Whether the amount allocated annually for plan and non-plan were released to BAC administration since 1995-96 to 2000-2001?

(c) If not, why the fund was not released. As no fund has been released as shown in the list, may I know the reason?

**Shri Bharat Chandra Narah (Minister, WPT & BC Department) replied :**

(a)&(b) The Annual budget allocation for Bodoland Autonomous Council Under plan and non plan since 1995-96 to 2000-2001 and the amount released to Bodoland Autonomous Council under Plan and non-plan are shown in Annexure-I.

(c) Total budgeted amount under Plan and Non-plan could not be released to BAC due to re-orientation of Annual Plan, budget out, non Sanction of the scheme in time and due to ban imposed by RBI from time to time. In some cases due to non -submission of utilisation certificates of earlier years by the BAC authority.

**বিষয় ঃ ICDS Project.**

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

২২। মাননীয় সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ICDS Project বোৰৰ অধীনত অঙ্গনবাদী কৰ্মী ও সহায়ক নিযুক্তি দিবলৈ উপদেষ্টা বা বাছনি কমিটি চৰকাৰে গঠন কৰি দিয়াটো সচাঁনে?

(খ) এই উপদেষ্টা বা বাছনি কমিটিবোৰ কি বিধিনিয়ম/নীতি (guideline) ভিত্তিত গঠন কৰা হৈছে ? (guideline) ৰ কপি সংলগ্ন কৰি প্ৰতিবেদন আকাৰে তথ্য দাখিল কৰিব)

(গ) ধুবুৰি জিলাৰ ICDS Project বোৰৰ অধীনস্থ এলেকাৰ অঙ্গনবাদী কেন্দ্ৰসমূহৰ ওপৰত চাৰ্ভেৰ কাম আৰম্ভ কৰা হৈছে নে, নে চাৰ্ভেৰ কাম শেষ হৈছে ?

(ঘ) যদি শেষ হৈছে তেন্তে কোন project ৰ চাভেৰ কাম শেষ হৈছে ? (কেন্দ্ৰৰ নাম ও তাৰিখ উল্লেখ কৰি তথ্য দাখিল কৰিব।

**শ্ৰীগৌতম ৰয় (সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) বাছনি কমিটি সমূহ ভাৰত চৰকাৰৰ সংহত শিশু উন্নয়ণ সেৱা প্ৰকল্প আঁচনিৰ নিয়মাবলিৰ আধাৰত গঠন কৰা হৈছে। (নিয়মাবলীৰ নিৰ্দিষ্ট অংশৰ কপি সংলগ্ন কৰি দিয়া হৈছে। ) (See Annexure -IX)

(গ) জৰিপৰ কাম বৰ্ত্তমানেও চলি আছে।

(ঘ) সম্পূৰ্ণ হোৱা নাই।

## UNSTARRED QUESTIONS AND ANSWERS

**বিষয় ঃ বকেয়া বেতন প্রদান।**

শ্রীপরিমল শুক্লবৈদ্য জিজ্ঞাসা করেছেন ঃ

২০১। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) Director of Elementary Education, Assam প্রদত্ত Memo No EPD/ P/5/89/ Pt/172-A, dated 09-04-93 ইং তারিখের নির্দ্দেশানুযায়ী করিমগঞ্জ District Elementary Education Officer কর্ত্তৃত্ব (I) Memo No. KDEO/ 93/861-68, dated Karimganj 27-05-93 এবং (2) Memo No. MEDO/ 92-93/7662-68 dated Karimganj 16-04-93 তারিখে নিযুক্তি প্রাপ্ত এম, ই/এম. ভি স্কুল শিক্ষক শিক্ষয়ত্রীদের বিগত ১৯৯৬ ইং এপ্রিল মাস থেকে ১৯৯৮ ইং পর্য্যন্ত এবং ২০০০ সালের ডিসেম্বর-জানুয়ারী ও ফেব্রুয়ারী মাস পর্য্যন্ত বকেয়া বেতন সমূহ অদ্যাবধি নাদিয়ে এবিষয়ে বর্ত্তমান সরকার অবহিত আছেন্ কি?

(খ) যদি আছেন, তাহলে উক্ত ব্যাপারে শিক্ষা বিভাগের যেসব আধিকারি ও কর্মি জড়িত তাদের বিরুদ্ধে কি কি বিভাগীয় ব্যবস্থা নিয়েছেন? (বিশদ তথ্য সদনের মেঝে দাখিল করিবেন)

(গ) ডিসেম্বর ২০০১ ইং মাসের ভিতর উপরি উক্ত শিক্ষক-শিক্ষয়ত্রীদের যাবতীয় বকেয়া বেতন দেওয়ার ব্যৱস্থা করবেন কি?

(ঘ) সর্বমোট কত টাকা তাদের প্রাপ্য? (১৯৯৬ ইং এপ্রিল মাস থেকে, ১৯৯৭,১৯৯৮ ইং এবং ২০০০ সালের ডিসেম্বর, জানুয়ারী, ফেব্রুয়ারী)

**শ্রীহেম প্রকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) বকেয়া বেতন পুঁজীৰ অভাবত দিব পৰা হোৱা নাই।

(গ) অতিৰিক্ত পুঁজি আবন্টন চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(ঘ) ১,০২,৪৯,২০০ টকা মুঠতে প্রয়োজন হ'ব।

**বিষয় ঃ শিক্ষক নিযুক্তি ।**

শ্রীপানীৰাম ৰাভাই সুধিছে ঃ

২০২ । মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নলবাৰী জিলাত প্ৰাথমিক বিদ্যালয়ত যোৱা ১৯৯৯ ইং ৰ পৰা ২০০১ ইং চনলৈ শিক্ষক নিযুক্তি দিয়া হৈছিল নেকি?

(খ) যদি হৈছিল, অনুমোদিত পদৰ বিপৰীতে কিমানজন হৈছিল ?

(গ) নিযুক্তি পোৱা শিক্ষকৰ তালিকা সদনৰ মেজত দাখিল কৰিবনে ? (বৰমা সমষ্টিৰ)

শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) অনুমোদিত পদৰ বিপৰীতে ৮৬৮ জনক নিযুক্তি দিয়া হৈছিল।

(গ) বৰমা সমষ্টিৰ তালিকা সংলগ্ন কৰা হ'ল (See Annexure-X)

**বিষয় ঃ প্ৰাইভেট জুনিয়ৰ কলেজ ।**

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

২০৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত কিমানখন প্ৰাইভেট জুনিয়ৰ কলেজ আছে ?

(খ) সেই কলেজ সমূহৰ ছাত্ৰ ছাত্ৰী আৰু শিক্ষকৰ সংখ্যা কিমান ?

(গ) এই কলেজ সমূহে চৰকাৰৰ বিধি সন্মত নিয়ম নীতিৰ কলেজসমূহ চলাইছেনে ?

(ঘ) কি কি ভিত্তিত এনেবোৰ প্ৰাইভেট কলেজৰ খোলাৰ অনুমোদন দিয়ে ?

(ঙ) এইবোৰ প্ৰাইভেট তথ্য জুনিয়ৰ কলেজৰ শিক্ষক সকলৰ দৰমহা কিমান আৰু ছাত্ৰ ছাত্ৰী সকলে কিমান টকাকে মাহিলী ফিজ দিব লগা হয়?

(চ) এইবোৰ কলেজক ব্যৱসায়িক প্ৰতিষ্ঠানৰূপে গণ্য কৰিব নোৱাৰিনে?

(ছ) চৰকাৰৰ অনুমোদিত কলেজবোৰ থাকোতে এনেবোৰ শিক্ষা প্ৰতিষ্ঠান কিয় প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰে অনুমোদন দিছে?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তথ্যৰ বাবে অপেক্ষা কৰা হৈছে।

(খ) ঐ

(গ) ঐ

(ঘ) ছাত্ৰ ছাত্ৰীৰ সংখ্যা, মাটিৰ পৰিমান, ঘৰৰ বিৱৰণ, শিক্ষক শিক্ষয়িত্ৰীৰ শিক্ষাগত অৰ্হতা আদি সম্পৰ্কে স্কুল পৰিদৰ্শকে দাখিল কৰা পৰিদৰ্শন প্ৰতিবেদন উপদেষ্টা সমিতিয়ে পৰীক্ষা কৰাৰ পিছত দিয়া মতামতৰ ওপৰত কৰি কলেজ খোলাৰ অনুমোদন দিয়া হয়।

(ঙ) তথ্য সংগ্ৰহ কৰি থকা হৈছে।

(চ) সম্পূৰ্ণ তথ্য পোৱাৰ পিছতহে ক'ব পৰা যাব।

(ছ) চৰকাৰৰ অনুমোদিত কলেজবোৰত ছাত্ৰ ছাত্ৰীৰ বাবে থকা আসনৰ সংখ্যা সীমিত হোৱাৰ বাবে।

**বিষয় ঃ শিক্ষক নিযুক্তি ।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

২০৪। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ জুন মাহৰ পৰা ২০০১চনৰ আগষ্ট মাহলৈ ৰাজ্যখনৰ প্ৰাথমিক, মধ্য, উচ্চ

আৰু উচ্চতৰ বিদ্যালয় সমূহত শিক্ষক নিযুক্তি দিয়া হৈছে নেকি?

(খ) যদি হৈছে, কোন কোন জিলাত কিমান জনকৈ শিক্ষক নিযুক্তি দিয়া হ'ল?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত সময়চোৱাত নিযুক্তি দিবৰ বাবে চৰকাৰৰ কোনো নিৰ্দেশ দিয়া হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

**বিষয় ঃ বৰনদী অভয়াৰণ্যৰ বন্যপ্ৰাণী সংৰক্ষণ ।**

শ্ৰীমতী কমলী বসুমতাৰীয়ে সুধিছে ঃ

২০৫। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ বন্যপ্ৰাণী বন সংমণ্ডলৰ অধীনত থকা বৰনদী বন্যপ্ৰাণী অভয়াৰণ্যখন নল গাহৰিৰ বাবে সংৰক্ষণ কৰা হৈছিলনে?

(খ) যদি হৈছিল, বৰ্ত্তমান উক্ত অভয়াৰণ্যত কিমান সংখ্যক নল গাহৰি আছে?

(গ) উক্ত অভয়াৰণ্যখন ধ্বংসৰ পৰা প্ৰতিৰোধ কৰাৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছেনে?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, হৈছিল।

(খ) গণনা কৰা হোৱা নাই।

(গ) লোৱা হৈছে।

**বিষয় ঃ বনাঞ্চল ধ্বংস।**

শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ

২০৬। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ বনাঞ্চল সমূহৰ পৰা চোৰাং ভাবে সংগ্ৰহ কৰি অনা কাঠেৰে ধুপধৰাত কাঠৰ ফাৰ্ণিচাৰৰ বজাৰ এখন চলি থকা বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে বা চৰকাৰে ইয়াৰ বাবে অনুমতি দিছে নেকি?

(খ) যদি অৱগত নহয়, বন বিভাগৰ উচ্চ পৰ্য্যায়ৰ নীতি আদৰ্শ মানি চলা বিষয়া এজনৰ দ্বাৰা উক্ত বজাৰখনলৈ অহা ফাৰ্ণিচাৰৰ বাবে ব্যৱহাৰ কৰা কাঠবোৰ ক'ৰ পৰা আহে এই বিষয়ে অনুসন্ধান কৰাৰ ব্যৱস্থা কৰিবনে?

(গ) উক্ত এলেকাত ভাৰপ্ৰাপ্ত বন বিষয়া সকলক এই ক্ষেত্ৰত জবাব দিহি কৰা হয়নে?

(ঘ) উক্ত এলেকা সমূহত থকা চেকগেটেৰে বিনা চালানে অথবা চৰকাৰক দিবলগীয়া নিৰ্দ্ধাৰিত ৰয়েলটি নিদিয়াকৈ উক্ত এলেকাৰ বালি মহলৰ পৰা অবৈধভাবে বালি বিক্ৰী হৈ থকাটো চৰকাৰ অৱগতনে?

(ঙ) বিনা চালানে বালি মহলৰ পৰা অবৈধভাবে বালি বিক্ৰী কৰি থকা ব্যৱস্থা বন্ধ কৰাৰ বাবে তৎকালীন ভাবে ব্যৱস্থা গ্ৰহণ কৰিবনে?

শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) কামৰূপ আৰু গোৱালপাৰা এই দুই জিলাৰ সীমান্তবৰ্তী ধুপধৰা বজাৰখনত ফাৰ্ণিচাৰ বিক্ৰী কৰি থকা কথাটো চৰকাৰৰ অৱগত। অবৈধ কাঠেৰে বনোৱা ফাৰ্ণিচাৰ বিক্ৰী কৰিবলৈ চৰকাৰে কোনো অনুমতি দিয়া নাই। এই অবৈধ কাৰ্য্য বন্ধ কৰিবলৈ বিভাগীয় ভাবে মাজে মাজে আকস্মিক চালাচী অভিযান চলোৱা হৈ আছে। তেনেদৰে বহুতো অবৈধ কাঠেৰে বনোৱা ফাৰ্ণিচাৰ, ঠেলাগাড়ী আৰু ফাৰ্ণিচাৰ বনোৱা কাঠ আদি জব্দ কৰা হৈ আছে, আৰু যোৱা বছৰৰ পৰা এতিয়ালৈকে মুঠ ১৩ টা গোচৰ তৰা হৈছে।

(খ) হয়, কৰা হ'ব।

(গ) যি কোনো বন বিষয়া / বনকৰ্মী অবৈধ কাৰ্য্যত লিপ্ত থকাৰ প্ৰমাণ পালে বিভাগীয় নিয়ম অনুযায়ী জবাবদিহি কৰা হয় আৰু অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হয়। যদি উক্ত এলেকাৰ বন বিষয়াই অবৈধ কাৰ্য্যত লিপ্ত হোৱা প্ৰমাণ পোৱা যায় তেওঁলোকৰ বিৰুদ্ধেও বিভাগীয় অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

(ঘ) উক্ত এলেকাত থকা চেক্ গেটেৰে বালি মহলৰ পৰা বিনা চালানে ৰয়েলটি আদি নিদিয়াকৈ অবৈধভাৱে বালি বিক্ৰী হৈ থকা কথাটো চৰকাৰৰ দৃষ্টি গোচৰ হোৱা নাই।

(ঙ) এই সম্পৰ্কত ইতিমধ্যে থকা ফৰেষ্টৰ তালাচী চকী সমূহৰ উপৰিও বে-আইনীভাৱে সংগ্ৰহ কৰা যি কোনো বনজ সম্পদৰ যাতায়ত /পৰিবহন বন্ধ কৰাৰ বাবে ম'বাইল স্কোৱাৰ্ড গঠন কৰি দিয়া হৈছে, যিয়ে বিভিন্ন সময়ত তহলদাৰী কৰি এনে বে-আইনী কাৰ্য্য ধৰা পেলাই বিহিত ব্যৱস্থা ল'বৰ চেষ্টা কৰে। ইয়াৰ উপৰিও মুখ্য বন সংৰক্ষক, বন সংৰক্ষক আদি উচ্চ পদস্থ বিষয়াও মাজে সময়ে তহলদাৰী কৰি বে-আইনী কাৰ্য্য ধৰা পেলাই বিহিত ব্যৱস্থা লৈছে।

**বিষয় ঃ নিয়মীয়া ঔষধ আৰু ডাক্তৰৰ ব্যৱস্থা।**

শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ

২০৭। মাননীয় পশুপালন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দেশৰ প্ৰায় ৮০ শতাংশ ৰাইজ যিহেতু গৰু মহৰ দ্বাৰা খেতি কৰে গতিকে এই গৰু ম'হ বিলাকক বেমাৰ আজাৰ পৰা ৰক্ষা কৰিবৰ কাৰণে পশুপালন বিভাগটো সক্ৰিয় কৰি পশু চিকিৎসালয় সমূহত নিয়মীয়া দৰব আৰু ডাক্তৰ ৰক্ষাৰ ব্যৱস্থা কৰিবনে?

(খ) দুলীয়াজানত অসম গেছ কোম্পানী এখন পশু চিকিৎসালয় থকাৰ কথাটো জানেনে ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (পশুপালন আৰু পশুচিকিৎসা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়, যাবতীয় ব্যৱস্থা লোৱা হৈছে।

(খ) এই বিষয়ে জ্ঞাত নহয়। কিন্তু গেছ কোম্পানীৰ নিচেই কাষতে এখন চৰকাৰী পশু চিকিৎসালয় আছে।

**Re : Illegal Appointment.**

Shri Mission Ranjan Das asked.

208. Will the Minister of Education be pleased to state :

(a) The steps taken by the Government on the representation submitted by the questioner to the Hon'ble Minister for Education (Elementary & Secondary) on 1-8-2001 for enquiry and follow-up- action against illegal appointment ?

(b) Whether any enquiry was done and whether any follow-up action was taken and if so, state it in detail ?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) Necessary steps will be taken as soon as the representation is received.

(b) All Deputy Commissioner and S.D.O (C) have been requested to cause enquiry in respect of the allegations of illegal appointment of teachers.

**বিষয় ঃ উপ পৰিদৰ্শকৰ পদ।**

শ্ৰীআকলিয়াছ তিৰ্কীয়ে সুধিছে ঃ

২০৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধনশিৰি মহকুমাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক আৰু আৱশ্যকীয় সহকাৰী পৰিদৰ্শকো চৰকাৰে অদ্য পৰিমিত মকৰল নকৰাৰ কাৰণ কি ?

(খ) গতিকে এই বিষয়া সকলক অনতি পলমে মকৰল কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব নেকি ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) নিযুক্তি আৰু পদোন্নতিৰ প্ৰক্ৰিয়া বন্ধ থকাৰ কাৰণে ।

(খ) নিযুক্তি আৰু পদোন্নতিৰ প্ৰক্ৰিয়া কাম আৰম্ভ হোৱাৰ লগে লগে পদসমূহ পূৰণৰ বাবে বিহিত ব্যৱস্থা লোৱা হ'ব।

**বিষয় ঃ অসম চুক্তি মূল দফা।**

শ্ৰীসৰ্বানন্দ সোণোৱালে সুধিছে ঃ

২১০। মাননীয় অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

বিদেশী নাগৰিকৰ চিনাক্তকৰণ, বহিস্কৰণ, সীমান্ত সুৰক্ষা আৰু সাংবিধানিক ৰক্ষনাবেক্ষণৰ বিষয়ে অসম চুক্তিৰ অন্তৰ্গত মূল দফাবোৰ ৰূপায়ণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ**

ফৰেনাৰচ এক্ট, ১৯৪৬ আৰু ফৰেনাৰচ (ট্ৰাইবুনেল) অৰ্ডাৰ, ১৯৬৪ ৰ অনুসৰি গঠন কৰা ১১ খন ফৰেনাৰচ ট্ৰাইবুনেলে ১৯৬৬-৭১ চনৰ মাজত অসমলৈ অহা বিদেশী প্ৰব্ৰজনকাৰীৰ চিনাক্তকৰণ আৰু বহিষ্কৰণ আদিৰ কাম কৰি আছে। তদুপৰি, ১৯৮৩ চনৰ আই এম ডি টি আইন অনুসৰি গঠন কৰা ১৬ খন আই এম ডি ট্ৰাইবুনেলে ১৯৭১ চনৰ ২৫ মাৰ্চ বা তাৰ পাছত অসমলৈ অহা বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ কাম কৰি আছে। ইয়াৰ উপৰিও অসমত আপিল ন্যায়াধিকৰণ (আই এম ডি এ টি) নামৰ এখন ন্যায়াধিকৰণে পূৰ্ণগতিত বিদেশী সংক্ৰান্তীয় বিষয়ত কাম কৰি আছে।

ত্ৰিপাক্ষীক আলোচনাৰ সিদ্ধান্ত অনুসৰি বাংলাদেশী অনুপ্ৰবেশকাৰীক সীমান্তত বাধা দিবলৈ Second line Defence নামেৰে এটা আৰক্ষী বাহিনী গঠন কৰা হয় আৰু এই বাহিনীটোৱে বৰ্ত্তমান ভাৰত বাংলাদেশ সীমান্তৰ সুৰক্ষাৰ দায়িত্বত থকা বি এছ এফ বাহিনীক সহায় কৰি আছে। ত্ৰিপাক্ষীক আলোচনাৰ সিদ্ধান্ত অনুসৰি এখন State Level Border Management Committee গঠন কৰা হয়। সীমান্তৰ কাম-কাজ সুচাৰুৰূপে চোৱা চিতা কৰাৰ উদ্দেশ্য সকলো জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষক সকলকো এই কমিটীৰ ফালৰ পৰা পৰামৰ্শ আগবঢ়োৱা হয়।

অসম চুক্তিৰ ৬ নং দফা অনুসৰি সাংবিধানিক ৰক্ষণাবেক্ষণৰ সম্পৰ্কে পৰীক্ষা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে এখন উপসমিতি গঠন কৰি দিছে। বৰ্ত্তমান বিষয়টো উপসমিতিৰ বিবেচনাধীন হৈ আছে।

**বিষয় ঃ বেচৰকাৰী আৰু স্বীকৃতি প্ৰাপ্ত বিদ্যালয় ।**

শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ

২১১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাজবাট বিধান সভা সমষ্টিত কিমানখন বেচৰকাৰী আৰু স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক ইংৰাজী বিদ্যালয় আছে, (ভাষা মাধ্যমসহ বেচ ৰকাৰী আৰু স্বীকৃতিপ্ৰাপ্ত বিদ্যালয়বোৰ পৃথক পৃথককৈ সৰ্বমুঠ সংখ্যা জনাব)

(খ) বিদ্যালয় সমূহ প্ৰাদেশীকৰণ কৰিবনে আৰু যদি কৰে, কেতিয়া ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) মাজবাট বিধানসভা সমষ্টিত বেচৰকাৰী প্ৰাথমিক বিদ্যালয় মুঠ ১০৯ খন আছে । ইয়াৰ ভিতৰত অসমীয়া মাধ্যমৰ ৭৬ খন আৰু বড়ো মাধ্যমৰ ৩০ খন আৰু অসমীয়া আৰু বড়ো দুয়োটা মাধ্যম সংলগ্ন হৈ থকা ৩ আছে। স্বীকৃতি প্ৰা প্ত মধ্য ইংৰাজী বিদ্যালয় ১৮ খন ইয়াৰে ১৫ খন অসমীয়া মাধ্যমৰ আৰু ৩ খন বড়ো মাধ্যমৰ বিদ্যালয়। উচ্চ মাধ্যমিক মুঠ ১২২ খন অসমীয়া মাধ্যমৰ বিদ্যালয়লৈ অষ্টম শ্ৰেণীৰ স্বীকৃতি দিয়া হৈছে, আৰু ১

খন ইংৰাজী মাধ্যমৰ অষ্টম শ্ৰেণীৰ স্বীকৃতি দিয়া হৈছে। নৱম আৰু দশম শ্ৰেণীৰ স্বীকৃতি অসম মাধ্যমিক শিক্ষা পৰিষদৰ পৰাহে হয়। বেচৰকাৰী মধ্য ইংৰাজী বিদ্যালয় আৰু উচ্চ ইংৰাজী বিদ্যালয়ৰ তথ্য প্ৰিচৰা হৈছে।

(খ) স্বীকৃতি প্ৰাপ্ত বিদ্যালয় সমূহ প্ৰাদেশীকৰণৰ প্ৰস্তাৱ চলিত বিত্তীয় বৰ্ষত নাই।

**বিষয় ঃ চাকৰি নিয়মীয়াকৰণ ।**

শ্ৰীমদন কলিতাই সুধিছে ঃ

২১২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হাইস্কুলবোৰত বহুতো Dropped post থকাটো সঁচানে ?

(খ) যদি সঁচা, Drop post ত কাম কৰি যি সকল শিক্ষকে চাকৰি ক ৰি আছে, তেওঁলোকৰ চাকৰি নিয়মীয়া কৰাৰ কি ব্যৱস্থা লোৱা হৈছে ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) শিক্ষক নিযুক্তিৰ বাবে নতুন নিয়মাৱলী প্ৰনয়নৰ বাবে চৰকাৰে বিবেচনা কৰি আছে। এই নিয়মাৱলীত Drop post ৰ শিক্ষক সকলকো উপযুক্ততাৰ ভিত্তিত বিবেচনা কৰা হ'ব।

**বিষয় ঃ অসমৰ অমঞ্জুৰীকৃত কলেজ ।**

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছে ঃ

২১৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অমঞ্জুৰীকৃত কলেজ সমূহ কেতিয়া ঘাটি মঞ্জুৰী দিয়া হ'ব আৰু কিমানখন কলেজ ঘাটি মঞ্জুৰীৰ তালিকাত আছে ?

(খ) বঙাইগাওঁ জিলাৰ লেংটিছিঅ ৰাজীৱ গান্ধী মেমোৰিয়েল কলেজত এডহক (ad-hoc) গ্ৰান্ট কিয় এতিয়ালৈকে দিয়া হোৱা নাই ?

**শ্ৰী তৰুণ গগৈ, ( মুখ্যমন্ত্ৰী তথা উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্তমান চৰকাৰৰ হাতত তেনে কোনো আঁচনি নাই আৰু কোনো তালিকা প্ৰস্তুত কৰা হোৱা নাই।

(খ) বিত্তীয় নাটনিৰ বাবে এতিয়ালৈকে তদৰ্থ মঞ্জুৰী দিব পৰা হোৱা নাই।

**বিষয় ঃ ARP আৰু DCP আঁচনি।**

শ্ৰীখলিলুৰ ৰহমান চৌধুৰীয়ে সুধিছে ঃ

২১৪। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) হোজাই জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত ১৯৯৬-২০০১ চনৰ ভিতৰত ARP আৰু DCP আঁচনি অধীনত কিমান সংখ্যক HTW/M-II/M-III/TP/ আৰু Ring Well আৱন্টন দিয়া হৈছে ?

(খ) যমুনামুখ সমষ্টিত ১৯৯৬-২০০১ চনৰ ভিতৰত কিমান সংখ্যক HTW/MII/TP/Ring well বহুৱা হৈছে? ( pin point) স্থান আৰু ঠিকাদাৰৰ নাম সহ তালিকা সদনৰ মেজত দাখিল কৰিব)

শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) হোজাই জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলৰ অধীনত ১৯৯৬-২০০১ চনৰ ভিতৰত HTW/M-11/ M-III T.P. আৰু Ring Well সমূহ এনেধৰণৰ ঃ-

i) HTW/ M-II/ M - III,T.P আঁচনিৰ অধীনত HTW = ৫৬ টা

M-II = ১০১ টা

MNiIII = ২২৮ টা

T.P. = ৪১ টা

R.W. =৫১ টা

ii) D.C.P. আঁচনিৰ অধীনত H.T.W. =২০৩ টা

M-II =১৯ টা

M-III =২১টা

T.P. =১০ টা

R.W. = ৯ টা

(খ) যমুনামুখ সমষ্টিত ১৯৯৬-২০০১ চনৰ ভিতৰত বহুৱা H.T.W/ M-II/ M-III/T.P./ R.W. সমূহৰ তালিকা এনেধৰণৰ ঃ-

H.T.W. =১৫৮ টা

M-II = ৩৩ টা

M-III = ৮২ টা

T.P. = ৬৫ টা (দশম বিত্তীয় আয়োগৰ অনুমোদন সহ)

R.W. = ৫ টা

(pin-point আৰু ঠিকাদাৰৰ তালিকা লগত গাঁঠি দিয়া হ'ল)

**Re. : Designation of Head Master/ Head Mistress.**

Dr. Idris Ali asked :

215. Will the Minister of Education be pleased to state :

(a). Whether it is a fact that the Lower Primary Schools of the State are running without the post of Head Master/ Head Mistress and the senior most Asstt. Teachers are designated as so called Head Master/ Head Mistress and Making correspondences with officials

and also issue transfer certificates under the seal of Head Master/ Mistress without authority and without creation of the post by the Government?

(b) If so, why the Government is not creating the post of Head Master/ Mistress for L.P. Schools of the State of the greater interest of the Elementary Education of the State ?

**Shri Hem Prakash Narayan (Minister, Education) Replied :**

(a) As per existing norms for establishment of L.P. School no post of Head Master is created for L.P. School. There is no Govt. instruction to use the designation of "Head Master" by the senior most teacher of L.P. School.

(b) Does not arise.

**Re. : Water Supply Scheme at Lumding Town.**

Shri Sushil Dutta asked :

216. Will the Minister of P.H.E. be pleased to state :

(a) Whether the government will consider to sanction "Lumding Town Water Supply Scheme"

(b) If Yes, when ?

(c) If not, Why ?

**Shri Dinesh Prasad Gowala (Minister, Public Health Engineering) replied :**

(a) No.

(b) Does not arise.

(c) The Jurisdiction of this Deptt. is confined to Water Supply to Rural Areas only. There is a separate agency for Water Supply of Urban Areas.

**Re. : Drinking Water Supply Schemes.**

Shri Rathish Ranjan Choudhury asked :

217. Will the Minister of P.H.E. be pleased to state :

(a) How many drinking water supply schemes are functioning under Ratabari (SC) Constituency ? (Please Place a list on the table of

the House mentioning name of schemes and villages covered)

(b) How many Non functioning water supply schemes are there under Ratabari (SC) Constituency ? (Please place a list on the table of the House mentioning name of non-functioning/ closed schemes)

(c) What action has been taken to reactivate the schemes in the interest of deprived and backward people of that areas ?

(d) If not, why ?

**Shri Dinesh Prasad Gowala, (Minister, Public Health Engineering) replied.**

(a) 10 (ten) numbers of schemes are functioing (List enclosed as per Annexure - A). (See Annexure-XI)

(b) 2 (two) Nos.

Name of the Schemes — 1/ Daragar bond.
2/ Dullav Cherra T.E.

(c) Step has taken to reactivate the Schemes subject to availability of fund.

(d) Doesnot arise.

**Re. : Payment of Salary.**

Shri Gunin Hazarika asked :

218. Will the Minister of Education be pleased to state :

(a) Is it a fact that Government has stopped payment of Salary to the subject and Asstt. Teachers legally appointed in the month of February and March, 2001 though sufficient funds are available and earmarked in the budget?

(b) When the legally appointed teacher's will get the salary?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) There is no information towards stoppage of Salary to the subject and Assistant Teachers appointed legally during February and March/2001.

(b) Does not arise.

**বিষয় ঃ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান।**

শ্ৰীজীতেন গগৈয়ে সুধিছে ঃ

২১৯। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ এটা অংশ বানপানীৰ কবলৰ পৰা আৰু ইয়াৰ জীৱ-জন্তুৰ উপদ্ৰপৰ পৰা ওচৰৰ গাওঁ সমূহক ৰক্ষণা-বেক্ষণ দিয়াৰ ক্ষেত্ৰত চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কৰা হৈছে।

**বিষয় ঃ শিক্ষক, কৰ্মচাৰীৰ পেঞ্চন।**

শ্ৰীউৎপল দত্তই সুধিছে ঃ

২২০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যখনৰ অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্মচাৰীসকলে নিয়মীয়াকৈ পেঞ্চন নাপাই হাহাকাৰ অৱস্থাত পৰিণত হোৱাটো চৰকাৰ অৱগতনে?

(খ) এই সমস্যাটো জৰুৰী সমাধানৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৰাজ্যখনৰ শিক্ষক কৰ্মচাৰীয়ে অৱসৰ পোৱাৰ পৰবৰ্তী মাহৰ পৰা পেঞ্চন (সাময়িক) পোৱাৰ ব্যৱস্থা আছে। সাময়িক পেঞ্চন নিয়মীয়া কৰাৰ বাবে পেঞ্চন সঞ্চালকালয়ত যথোচিত ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে ৩১-৮-২০০১ ইং তাৰিখলৈ মুঠ ৩৯,০৩০ টা পেঞ্চন প্ৰস্তাৱৰ ভিতৰত ৩৩১৫০ টা প্ৰস্তাৱৰ পেঞ্চন নিয়মীয়া কৰা হৈছে আৰু ৪৭৮৩ টা পেঞ্চন প্ৰস্তাৱ ভূল শুধৰনিৰ বাবে শিক্ষা বিভাগৰ সংশ্লিষ্ট মুৰব্বী বিষয়ালৈ ঘূৰাই পঠোৱা হৈছে। বাকী পেঞ্চন প্ৰস্তাৱ তৎকালীনভাবে নিস্পত্তি কৰি পেঞ্চন নিয়মীয়া কৰাৰ ব্যৱস্থা অব্যাহত আছে।

(খ) সকলোবোৰ অৱসৰ প্ৰাপ্ত শিক্ষক কৰ্মচাৰীয়ে অৱসৰ পোৱাৰ পিচৰ পৰা নিয়মীয়াকৈ পেঞ্চন পোৱাৰ বাবে যথোচিত ব্যৱস্থা পেঞ্চন বিভাগে লৈ আছে।

**Re. : Appointment of Teacher.**

Shri Abdul Jabbar asked :

221. Will the Minister of Education be pleased to state :

(a) Whether any appointment of Teacher was made at Ballav Bhai Patel H.S. & M. P. School, Koputi and Kharupetia H. S. School by the I/S. D. D. C., Mangaldoi in 2000 as per order of Hon'ble Gauhati High Court?

(b) If yes, furnish their names with date of appointment ?

(c) Whether I/S.D.D. C., Mangaldoi obtained necessary sanction from the State Level Selection Committee ?

(d) If not, will those appointment be cancelled ?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) Yes, one adjustment has been made in the Ballav Bhai Patel H.S. & M. P. School in pursuance of Hon'ble High Court order dated 10-10-2000 in WP (C) No. 5751/ 2000.

One appointment has been made in Kharupetia H.S. School in pursuance of Hon'ble High Court Order dated 10-12-99 in WP (C) No. 6228/99.

(b) Shri Utpal Deka has been adjusted in Ballav Bhai Patel H.S. School on 21-10-2000 and Abu Naser Ohid has been appointed in Kharupetia H.S. School on 12-3-2001.

(c) Not obtained.

(d) Necessary action will be taken.

**Re. : Appointment of Md. Riajul Ahmed.**

Shri Himanta Biswa Sarma asked :

222. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that Md. Rouchan Ali a Gr. - IV employee of the office of the Deputy Director of Madrassa Education, Assam was suffering from paralysis since last 15 years and later on he was granted retirement under invalid pension grounds under Rule 82 and 83 on 15-9-2000 ?

(b) Whether it is a fact that Pension rules 82/83 (invalid pension ground) permit to appoint the son or daughter of retired person on compansionate ground?

(c) Whether it is also a fact that the Deputy Director of Madrassa Education, Assam has submitted a proposal to the Commissioner, Education, Assam, after retirement of Md. Rouchan Ali for appointment of his son Md. Riajul Ahmed on compansionate

ground in the vacant post of his father under the said Rule?

(d) Whether it is also a fact that Hon'ble Gauhati High Court in its Verdict, dt. 10-11-2000 has directed the Respondents authorities to consider Md. Riajul Ahmed for appointment as Grade- IV employee against the vacant post of his father as per Government circular, dated 9-9-1983 ?

(e) It so, then why the Commissioner, Education, Assam has instructed the DSE/DDME, Assam to appoint another person Shri Dilip Kumar Deka in the said post instead of considering the proposal of the Deputy Director of Madrassa Education, Assam for appointment on compansionate ground and also violating the verdict of the Hon'ble Gauhati High Court ?

(f) When the Commissioner, Education, Assam will consider the proposal of the DDME, Assam for appointment of Md. Riajul Ahmed on compansionate ground by complying with the direction of the Hon'ble Gauhati High Court's order, dated 10-11-2000 in WP (C) No. 5849/2000 ?

**Shri Hemprakash Narayan (Minister of Secondary Education) replied:**

(a) Yes.

(b) Not as per pension Rules 82/83.

(c) Yes, but not under the said Rule. It was submitted under Govt. circular No. ABP. 357 / 80/ 137, dated 9-9-1983 from the Secretary to the Govt. of Assam, Personnel (B) Department.

(d) It is a fact the Hon'ble High Court has directed the Govt. to consider the appointment of Md. Riajul Ahmed if found otherwise eligible for appointment under the above scheme and if no vacancy is available at present, the name of the petitioner shall be duly registered and necessary order shall be passed along with other similarly situated eligible persons as and when vacancy arises.

(e) In pursuance of the Hon'ble High Court's order dated 23-7-2001 in WP (C) No. 7048/ 2000 and as per Govt. letter No. B(3) S-

595/2000/51, dtd. 25-5-2000 the DSE/DDME, Assam has been instructed to adjust Shri Dilip Kr. Deka, casual employee, office of the DDME, Assam against the vacant post of Grade - IV fallen vacant due to retirement of Md. Rouchan Ali.

(f) Direction of Hon'ble High Court will be complied with for appointment of Riajul Ahmed as and when the vacancy of Grade-IV occurred in the office of the DDME, Assam, after observing necessary formalities.

**Re. : Establishment of Pre-Senior Madrassa.**

Shri Siddeque Ahmed asked :

223. Will the Minister of Education be pleased to state :

(a) Whether it is a fact that the Dy. Director of Madrassa Education Assam has submitted proposal to the Commissioner & Secretary to the Government of Assam, Education Department for necessary Government approval for establishing Pre-Senior Madrassa, under Sr. Madrassas of the State for better development of Madrassa Education in the State during the year of 1995 as per decision of the State Madrassa Education Board, Assam ?

(b) Whether it is also a fact that several queries from the Government made to the concerning authority and accordingly the concerning authority met the queries in this respect time to time ?

(c) If so, then why and under what circumstances the Government is delaying for according Government approval for the purpose ?

(d) If not, when the Government will accord Government approval for the purpose.

**Shri Hemprakash Narayan (Minister of Secondary Education) replied:**

(a) Yes.

(b) Yes.

(c)
(d) } Due to present financial condition, no approval could be granted creating future liability of the Government.

**বিষয় ঃ ৰাজীৱ গান্ধী অভয়াৰণ্য।**

শ্ৰীবসন্ত দাসে সুধিছে ঃ

২২৪। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ ৰাজীৱ গান্ধী অভয়াৰণ্যখন পৰ্য্যটন কেন্দ্ৰ হিচাপে উন্নীতকৰণৰ কিবা ব্যৱস্থা চৰকাৰে লৈছে নেকি ?

(খ) উক্ত অভয়াৰণ্য খনৰ গড় সংৰক্ষণৰ আৰু বেদখল ৰোধৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

(গ) উক্ত অভয়াৰণ্যত কৰ্মচাৰীৰ সংখ্যা কিমান ?

(ঘ) চোৰাং চিকাৰীয়ে গড় মৰাটো সত্য নে আৰু যদি হয় ইয়াৰ প্ৰতিৰোধৰ বাবে চৰকাৰে কিবা ব্যৱস্থা লৈছে নেকি ?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) দৰং জিলাৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যান ইতিমধ্যে পৰ্য্যটকৰ দৰ্শনৰ ব্যৱস্থা কৰা হৈছে।

(খ) হয়, লোৱা হৈছে।

(গ) উক্ত ৰাষ্ট্ৰীয় উদ্যানত মুঠ ৭৫ জন কৰ্মচাৰী আছে।

(ঘ) হয়, প্ৰতিৰোধৰ ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ শিক্ষকৰ দৰমহা।**

শ্ৰীহেমন্ত তালুকদাৰে সুধিছে ঃ

২২৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জনাবনে ঃ

(ক) ১৯৯২ চনৰ পৰা ১৯৯৬ চনৰ ভিতৰত আৱণ্টিত শিক্ষক পদৰ বিপৰীতে নিযুক্তি হোৱা বহু সংখ্যক প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষকে কেইবা বছৰ ধৰি দৰমহা নোপোৱাকৈ কাম কৰি থকাটো সঁচানে ?

(খ) যদি সঁচা, তেওঁলোকক দৰমহা দিয়া আৰু চাকৰি নিয়মীয়া কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) মনোহৰণ আয়োগৰ প্ৰতিবেদন মতে কিমান সংখ্যক শিক্ষকৰ নিযুক্তি অনিয়মীয়া আৰু বৈধ বুলি বিবেচনা কৰা হৈছে ?

(ঘ) ২০০০ চনত চৰকাৰে প্ৰকাশ কৰা শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ তালিকাত অন্তৰ্ভূক্ত নোহোৱা শিক্ষক সকলৰ চাকৰি নিয়মীয়া কৰাৰ ব্যৱস্থা চৰকাৰে লৈছেনে আৰু যদি লৈছে, চলিত বছৰতে কাৰ্য্যকৰী হবনে ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সঁচা।

(খ) চিন্তা চৰ্চ্চা কৰি থকা হৈছে।

(গ) ৩৫১১ জনৰ ।

(ঘ) চিন্তা চৰ্চা কৰি থকা হৈছে। সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে কাৰ্য্যকৰী ব্যৱস্থা হাতত লোৱা হ'ব।

**বিষয় ঃ শিক্ষক পদ আৱন্টন ।**

শ্ৰীনাথু বড়োৱে সুধিছে ঃ

২২৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত ৰাজ্য চৰকাৰে যোৱা ১৯৯৯-২০০০ বৰ্ষত প্ৰাথমিক আৰু মজলীয়া বিদ্যালয়ত শিক্ষক পদৰ অনুমোদন দিয়া হৈছিল নেকি ?

(খ) চৰকাৰে শিক্ষক পদৰ অনুমোদনতকৈ অধিক অবৈধ শিক্ষক নিযুক্তি দিয়াৰ বাবে Enquiry কৰি আছে নেকি ?

(গ) যদি অনুসন্ধান কৰি আছে, কিমান অধিক অবৈধ শিক্ষক নিযুক্তি দিয়া হৈছে আৰু ইয়াৰ প্ৰতিকাৰৰ বাবে কোনো ব্যৱস্থা ৰাজ্য চৰকাৰে লৈছে নেকি ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) দৰং জিলাত ১৯৯৯-২০০০ বৰ্ষত মজলীয়া বিদ্যালয়ত ২০ টা পদৰ আৱন্টন দিয়া হয় কিন্তু প্ৰাথমিক বিদ্যালয়ত কোনো পদ মঞ্জুৰী দিয়া হোৱা নাই।

(খ) অবৈধ নিযুক্তিৰ ক্ষেত্ৰত যাবতীয় তদন্ত কৰি থকা হৈছে।

(গ) তদন্তৰ ভিত্তিত সম্পূৰ্ণ তথ্য পালে যথা বিহিত ব্যৱস্থা লোৱা হব।

**বিষয় ঃ পানী যোগান আঁচনি ।**

শ্ৰীমতী অজন্তা নেওঁগে সুধিছে ঃ

২২৭। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোলাঘাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দ্বাৰা সম্পন্ন কৰিব খোজা গোলাঘাট নগৰৰ সমীপৰ জ্যোতিনগৰ পানী যোগান আঁচনিখন বৰ্ত্তমান কোন স্তৰত আছে ?

(খ) উক্ত কামত অদ্যপৰিমিত কিমান টকা খৰচ কৰা হ'ল ?

(গ) উক্ত আঁচনিখন জনসাধাৰণৰ বাবে কেতিয়া মুকলি কৰি দিয়া হব ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) গোলাঘাট নগৰত Urban water supply & sewerage Board ৰ দ্বাৰা আৰম্ভ কৰা পানী যোগান আঁচনিখনৰ কাম ৪০ শতাংশ সম্পন্ন কৰা হৈছে।

(খ) উক্ত আঁচনিখনৰ কাম সদ্যহতে বন্ধ হৈ থকা নাই। আঁচনিখনৰ কাম মন্থৰ গতিত চলি আছে।

(গ) উক্ত আঁচনিখন সম্পন্ন কৰি তুলিবলৈ পৰিষদে ইতিমধ্যে এটা সংশোধিত প্ৰাক্কলন (Revised Estimate) চৰকাৰৰ ওচৰত দাখিল কৰিছে আৰু এই সংশোধিত প্ৰাক্কলন

(Revised Estimate) বৰ্তমান পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ বিবেচনাৰ বাবে পেচ কৰা হৈছে। সংশোধিত প্ৰাক্কলন (Revised Estimate) প্ৰশাসনিক ভাবে অনুমোদিত হ'লে ধন মোকলাই দিয়া হ'ব আৰু তেতিয়া অহা ১৮ মাহৰ ভিতৰত আঁচনিখনৰ কাম সম্পন্ন হোৱাৰ আশা আছে।

**বিষয় ঃ বিদ্যালয় সমূহত নিযুক্তি ।**

শ্ৰীচাহাব উদ্দিন চৌধুৰীয়ে সুধিছে ঃ

২২৮। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি, কাছাড় ও করিমগঞ্জ জেলায় গত পাঁচ বছরে প্রাথমিক, মধ্য ইংরাজী এবং উচ্চ ইংরাজী (High School) সমূহে সর্বমোট কতটি নিযুক্তি হয়েছে ? (জেলা ভিত্তিক তথ্য দিবেন)

(খ) উক্ত জিলাগুলিতে কতগুলি L. P. /M. E. School এবং (High School) বেচরকারী পর্য্যায়ে আছে এবং এই স্কুল গুলির মধ্যে কতটি স্বীকৃতি পেয়েছে ?

(গ) স্বীকৃতি প্রাপ্ত বিদ্যালয় গুলি কখন সরকারী করণ করা হবে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ন (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য বিচৰা হৈছে।

(খ) উক্ত তিনিখন জিলাত L.P. / M. E. School প্ৰাপ্ত তথ্যমতে বে-চৰকাৰী পৰ্য্যায়ত মুঠ ১৩৪৬ খন আছে। ইয়াৰ ভিতৰত স্বীকৃতি প্ৰাপ্ত বিদ্যালয় ৯৬ খন আছে। উচ্চ মাধ্যমিক আৰু উচ্চ মাদ্ৰাছা মুঠ ৭০ খনে স্বীকৃতি (S. E. B. A.) সেবাৰ পৰা পাইছে।

(গ) চলিত বিত্তীয় বৰ্ষত পদ সৃষ্টিৰ বাবে কোনো পুঁজিৰ ব্যৱস্থা কৰা হোৱা নাই। সেয়েহে স্কুল চৰকাৰী কৰণৰ প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

**Re. : Creation of Post.**

Shri Jamal Uddin Ahmed asked :

229. Will the Minister of Education be pleased to state :

(a) Whether the government has a proposal to open the office of the Jt. Director, Education at Badarpur the Centre place of Barak Valley ?

(b) If not, Why not ?

(c) Is there any proposal for creation of the post of zonal office of the Board of Secondary Education at Silchar/ Badarpur/ Hailakandi/ Karimganj ?

(d) If not, Why ?

(e) When the post of Zonal Officer and Zonal Office will be created and established under the scheme of Decentralisation of Administration in Barak Valley ?

(f) Is there any proposal given by the Director of Higher Education in 1998 for the upgradation of state Selection Board into " Assam Education Service Commission " ?

(g) If so, whether the proposal will be examined and considered for selection of the teacher of schools and Colleges in the public interest and if not, why ?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) No.

(b) There is no proposal in this regard.

(c) No such proposal has come to the notice of the Govt.

(d) There is no proposal.

(e) Due to financial constraint the proposal did not materialise.

(f) No.

(g) Does not arise.

**বিষয় ঃ শিক্ষকৰ পদ পূৰণ ।**

শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে সুধিছে ঃ

২৩০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ্ কৰি জনাবনে ঃ

(ক) প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়বোৰত বৰ্ত্তমান খালি হৈ থকা শিক্ষকৰ পদ বিলাক পূৰণ কৰাৰ ব্যৱস্থা কৰিব নেকি ?

(খ) যদি উক্ত পদবোৰ পূৰণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে, কি পদ্ধতিত পূৰণ কৰা হ'ব ?

(গ) উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ খালি হৈ থকা পদবোৰ পূৰণৰ ব্যৱস্থা হাতত লৈছে নেকি ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান নিযুক্তি প্ৰক্ৰিয়া বন্ধ আছে ।

(খ) প্ৰশ্ন নুঠে।

(গ) উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষকৰ খালী হৈ থকা পদবোৰ পূৰণৰ ব্যৱস্থা লৈ থকা

হৈছে। কিন্তু মাননীয় হাইকৰ্টৰ গোচৰ আৰু ৰায়ৰ পৰিপ্ৰেক্ষিতত উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষৰ খালি পদবোৰ পূৰণ কৰিব পৰা নাই।

**বিষয় ঃ শিক্ষক নিযুক্তি ।**

শ্ৰীশুকুৰ আলী আহমেদে সুধিছে ঃ

২৩১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিগত চৰকাৰৰ দিনত অসমত উচ্চতৰ মাধ্যমিক, উচ্চ মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয়ত কিমান জন শিক্ষক নিযুক্তি হৈছে ?

(খ) কিমান জন শিক্ষকৰ নিযুক্তি অবৈধ বুলি চিনাক্ত আৰু বাতিল কৰা হৈছে ?

(গ) অবৈধ শিক্ষক নিযুক্তিৰ লগত জড়িত বিষয়াসহ কিমান জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছে ?

(ঘ) শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত হোৱা তদন্ত ৰাজ্যখনৰ সকলো জিলা সামৰি লোৱা হৈছে নেকি ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য সমুহ সংগ্ৰহ কৰি থকা হৈছে ।

(খ) তদন্ত চলি আছে।

(গ) ৪ (চাৰি) জন বিষয়াক গ্ৰেপ্তাৰ কৰা হৈছে।

(ঘ) লোৱা হৈছে।

**বিষয় ঃ বিশুদ্ধ খোৱা পানী ।**

শ্ৰীৰঞ্জিত দত্তই সুধিছে ঃ

২৩২। মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিহালী সমষ্টিৰ অন্তৰ্গত বিভিন্ন গাওঁত থকা জনস্বাস্থ্য কৰিকৰী বিভাগৰ বিশুদ্ধ খোৱা পানী যোগানৰ আঁচনি সমূহ বিকল হৈ থকাটো চৰকাৰৰ অৱগতনে ?

(খ) যদি অৱগত, তেন্তে কিমান সংখ্যক পানীযোগান আঁচনি বিকল হৈ আছে ?

(গ) বিকল হৈ থকা আঁচনি সমূহ পুনৰ কাৰ্য্যক্ষম কৰি তুলিবলৈ চৰকাৰে কেনে ধৰণৰ ব্যৱস্থা হাতত লৈছে ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অৱগত।

(খ) বিহালী সমষ্টিত ৪ (চাৰি) টা পাইপ পানী যোগান আঁচনি আৰু ২৬০(দুশ ষাঠি) টা ঠাইতে বহুৱা পানীৰ উৎস (spot sources) বিকল হৈ আছে।

(গ) বিকল হৈ থকা আঁচনি সমূহ পুঁজি সাপেক্ষে পৰ্য্যায় ক্ৰমে কাৰ্য্যক্ষম কৰি তুলাৰ ব্যৱস্থা হাতত লোৱা হৈছে ।

**বিষয় ঃ শিক্ষকৰ বিৰুদ্ধে টকা আত্মসাৎৰ অভিযোগ আৰু পুলিচ কেচ ।**

শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ

২৩৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰকান্দা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আনোৱাৰ হুচেইনক কি কি দোষৰ বাবে নিলম্বিত কৰা হৈছিল?

(খ) তেওঁৰ বিৰুদ্ধে বিলাসীপাৰা থানাত স্কুল ঘৰৰ সামগ্ৰী (কাঠ, টিন, টালি আদি) চুৰি কৰাৰ বাবে পুলিচ কেচ হোৱা আৰু তাৰ বিপৰীতে তেওঁ এন্টিছিপেটৰি বেইল লৈ আতৰি থকাটো সঁচানে ?

(গ) যদি সঁচা, তেন্তে উক্ত কেচৰ নং ধাৰা আৰু কেচটো বৰ্ত্তমান কি অৱস্থাত আছে?

(ঘ) উক্ত ভাৰপ্ৰাপ্ত অধ্যক্ষজনে বৰকান্দা ছোৱালী হাইস্কুলৰ সম্পাদক হৈ থকা অৱস্থাত কেবাজনো নিবনুৱাৰ পৰা চাকৰী দিয়াৰ নামত ১,২৬,৫০০/- টকা চান্দা হিচাপে লৈ আত্মসাৎ কৰাৰ অভিযোগ কৰাটো সঁচানে ?

(ঙ) যদি সঁচা, তাৰ বিপৰীতে বিভাগীয় কৰ্তৃপক্ষই কি ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰকান্দা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰী আনোৱাৰ হুছেইনক বৰকান্দা ছোৱালী হাইস্কুলৰ সম্পাদক হৈ থাকোতে স্কুলৰ টকা পইচাৰ খেলিমেলি, মাটি আত্মসাৎ আৰু শিক্ষক নিযুক্তিৰ বিনিময়ত লোৱা টকা আত্মসাৎৰ বাবে নিলম্বিত কৰা হৈছিল।

(খ) কেচ থকাটো সঁচা। কিন্তু উপযুক্ত প্ৰমানৰ অভাৱত তেখেতক এৰেষ্ট কৰা হোৱা নাই। গতিকে 'এন্টিছিপেটৰি বেইল' লোৱাৰ প্ৰশ্ন নুঠে।

(গ) কেচৰ নং ১০২/২০০০

তাং - ২৩/৬/২০০০

U/S. 468/420 I.P.C.

(ঘ) অভিযোগ আছে।

(ঙ) তদন্ত চলি আছে।

**বিষয় ঃ সংৰক্ষিত আঁচনি ।**

ডা ঃ আনন্দ ৰাম বৰুৱাই সুধিছে ঃ

২৩৪। মাননীয় ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ অনুসূচীত জাতি ও জনজাতি লোক সকলৰ বাবে সংৰক্ষিত সকলোবোৰ আঁচনি উক্ত জাতিৰ লোক সকলৰ ১৯৭৮ চনৰ সংৰক্ষিত আইনমতে সামৰি লোৱা হৈছেনে ?

(খ) চৰকাৰৰ সকলো বিভাগত 20 Point Roster সঠিক মতে ৰূপায়ণ কৰা হৈছেনে ?

(গ) অসম অনুসূচীত জাতি উন্নয়ণ নিগমৰ কৰ্মচাৰী সকলৰ বেতনৰ বাবে বেলেগ শিতান ধৰা হয় নেকি?

(ঘ) যদি নহয়, সেই সকল কৰ্মচাৰীয়ে কোন শিতানৰ পৰা বেতন পায়?

(ঙ) অসম অনুসূচীত জাতি উন্নয়ণ নিগমৰ দ্বাৰা নিয়োজিত আঁচনিবোৰৰ সঠিক ৰূপায়ণৰ বাবে চৰকাৰৰ এটা Task Force গঠন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি ও অন্যান্য পিচপৰা শ্ৰেণী সমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) হয়। এইমৰ্ম্মে সময় সময় নিৰ্দেশ জাৰি কৰা হৈছে।

(গ) অসম অনুসূচীত জাতি উন্নয়ণ নিগমে কৰ্ম্মচাৰী সকলৰ বেতনৰ বাবে বৰ্তমানলৈ কোনো বেলেগ শিতান ধৰা নাই।

(ঘ) নিগমৰ কৰ্ম্মচাৰী সকলক তলত দেখুৱা উৎস সমূহৰ পৰা যি ধন পোৱা যায় উক্ত ধনেৰে তেখেতসকলৰ মাহিলী বেতনৰ এটি অংশ খৰচ কৰাৰ ব্যৱস্থা কৰি অহা হৈছে।

১। বিভিন্ন আঁচনিৰ অধীনত চৰকাৰৰ পৰা পোৱা ধন স্থানীয় বেংক সমূহত স্থায়ী জমাকৰণৰ যোগেদি পোৱা সুত।

২। নিগমে বিভিন্ন আঁচনিসমূহৰ অধীনত ঋণ বিতৰণ কৰাৰ বিনিময়ত শতকৰা U/ Administrative Charge হিচাবে হিতাধীকাৰীসকলৰ পৰা পোৱা ধন।

ঙ) নিগমে লোৱা আঁচনিসমূহ ঠিকমতে ৰূপায়ণ কৰাৰ বাবে বৰ্তমানলৈ কোনো Task Force গঠন কৰা নাই।

**বিষয় ঃ হিন্দী শিক্ষকৰ দৰমহা।**

শ্ৰীএচাহক আলীয়ে সুধিছে ঃ

২৩৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙাইগাওঁ জিলাৰ জিলা প্ৰাথমিক শিক্ষা বিষয়াই আমগুৰী এম, ভি স্কুলৰ হিন্দী শিক্ষকৰ ১৩ মাহৰ বকেয়া দৰমহা আদায় দিয়াৰ কাৰণে টকা বিচাৰি ক্ৰমে No. Do/BNGN/ Acctt.4/94/95/5684 dtd. Bongaigaon the 16-3-2000 আৰু DO/BNGN/ Acctt.9/2000/6341 dtd. Bongaigaon the 3-6-2000 নং চিঠি দুখন প্ৰাথমিক শিক্ষা সঞ্চালকৰ ওচৰত পঠোৱা কথাটো সঁচানে ?

(খ) যদি সঁচা, তেন্তে শিক্ষকজনৰ দৰমহা আদায় দিয়া হ'লনে?

(গ) যদি আদায় দিয়া হোৱা নাই, তেন্তে এজন নন্‌প্লান পৰ্য্যায়ৰ শিক্ষকৰ মাহিলী দৰমহা সুদীৰ্ঘ দিন ধৰি আদায় নিদিয়াৰ কাৰণ কি?

(ঘ) অবিলম্বে শিক্ষকজনৰ দৰমহা আদায় দিবনে ?

শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিব ঃ

(ক) সঁচা ।

(খ) নাই।

(গ) উক্ত সময় চোৱাৰ বকেয়া ধন মোকলাই দিয়াৰ বাবে বিহীত ব্যৱস্থা লৈ থকা হৈছে।

(ঘ) বিত্ত বিভাগৰ অনুমোদন সাপেক্ষেহে বকেয়া ধন আদায় দিব পৰা যাব।

**Re. : Total Literacy Programme.**

Shri Monilal Gowala asked :

236. Will the Minister of Education be pleased to state :

(a) Whether the Government had taken total literacy programme in the district of Karimganj during the years 1992 to 1996 and 1997 to 2001?

(b) If so, the total amount sanctioned for the success of the scheme (period-wise amount may pleased be furnished) ?

(c) The details of the expenditure (Block-wise and district-wise) made?

(d) The No. of persons made literacy through this scheme with the huge investment (Name of the persons (Block-Wise) may be furnished ) ?

(e) Whether the books purchased for the purpose were distributed to the students ?

**Shri Hemprakash Narayan (Minister of Education) replied :**

(a) The Total literacy programme in Karimganj district has been launched in the year 1995 and completed in the year 2000. It is not true that the programme was taken up in the year, 1992.

(b) The total amount sanctioned for the total literacy campaign in Karimganj District in Rs. 1,57,36,000'00. The Govt. of India's release of fund instalment wise are as follows :

| DATE | AMOUNT |
|---|---|
| 8-2-95 | Rs. 25,00,000/- |
| 8-3-95 | Rs. 56,10,000/- |
| 3-6-97 | Rs. 10,00,000/- |
| 3-5-99 | Rs. 15,00,000/- |

| | |
|---|---|
| 8-11-2000 | Rs. 5,00,000/- |
| | Rs. 1,11,10,000/- |
| State Govt. grant in terms of books | Rs. 46,26,000/- |
| | Rs. 1,57,36,000/- |

c) The details of expenditure District wise and Blockwise for the Total literacy campaign is detailed as under.

| | | |
|---|---|---|
| (A) | Districtwise Expenditure | Rs. 81,47,789.00 |
| (B) | Blockwise Expenditure | |
| 1. | Badarpur Block Level Saksharata Samiti | Rs. 3,38,795.00 |
| 2. | South Karimganj Block Level Saksharata Samiti. | Rs. 5,19,194.00 |
| 3. | North Karimganj Block Level Saksharata Samiti | Rs 3,06,261,00 |
| 4. | Patharkandi Block Level Saksharata Samiti | Rs. 3,82,230,00 |
| 5. | Lowairpowa Block Level Saksharata Samiti | Rs. 4,34,905.00 |
| 6. | Dullavcherra Block Level Saksharata Samiti | Rs. 3,88,305.00 |
| 7. | R.K.Nagar Block Level Saksharata Samiti | Rs. 3,44,276.00 |
| 8. | Karimganj Town Level Saksharata Samiti | Rs. 1,55,450.00 |
| 9. | Badarpur Town Level Saksharata Samiti | Rs. 83,518.00 |
| C. | Amount Accrued as Bank interest. | Rs. 2,25,970.00 |
| D. | State Govt. Matching grant in terms of books & it value | Rs. 46,26,000.00 |
| | **Total** | **Rs. 1,59,52,693.00** |

d. Number of persons proposed to be made literate through the Total literacy programme is 168860, learners. However, the actual picture of made literate is yet to be known in the absence of external evaluation to be carried out by the Govt. of India . The furnishing of name of the persons made literate, therefore does not arise.

e. Yes, as per report from the District Adult Education Officer, Karimganj & Member Secretary, Zilla Saksharata Samity the books were distributed to the learners through the Block Level Saksharata Samity and Town Level Saksharata Samity. And all the books were made available by the State Govt. to the Zilla Saksharata Samity in lieu of State Share.

**বিষয় ঃ কনিষ্ঠ মহাবিদ্যালয় ।**

ডা ঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

৩২৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

অসমত বিগত ছয় বছৰ ধৰি চৰকাৰী স্বীকৃতি (Government Concurrence) প্ৰদান নকৰা কিমানখন কনিষ্ঠ মহাবিদ্যালয় এতিয়ালৈকে চৰকাৰী স্বীকৃতি প্ৰদান কৰিব পৰা পৰ্য্যায়ত আছে আৰু এইবোৰৰ চৰকাৰী স্বীকৃতি কেতিয়ালৈ প্ৰদান কৰা হব?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

৮৯ খন। বৰ্ত্তমান বিত্তীয় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত স্বীকৃতি প্ৰদান বন্ধ ৰখা হৈছে যিহেতুকে এনে স্বীকৃতি ভবিষ্যতে পদ সৃষ্টিৰ পূৰ্ব্বানুমতি বুলি ধৰা হয়।

**Re. : Election of Karbi Anglong Autonomous Council etc.**

Shri Dharamsing Teron and Shri Jagatsing Engti. asked :

238. Will the Minister of Hills Areas Deptt. be pleased to state :

(a) Whether elections to Karbi Anglong Autonomous Council & N.C. Hills Autonomous Councils will be held before mid- November 2001 as per declaration of Hon'ble HAD Minister during his visit to Diphu on 2nd August, 2001 ?

**Shri Gobinda Chandra Langthasa (Minister, Hill Areas Deptt.) replied.**

(a) Yes.

**বিষয় ঃ চাহ্ আৰু প্ৰাক্তন চাহ্ কল্যাণ সঞ্চালকালয়।**

শ্ৰীএটুৱা মুণ্ডাই সুধিছে ঃ

২৩৯। মাননীয় ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণীসমূহৰ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাহ আৰু প্ৰাক্তন চাহ কল্যাণ সঞ্চালকালয়ত বছৰি কিমান টকাৰ বাজেট ধৰা হয় ?

(খ) এই বাজেটৰ টকাৰ এটা অংশ চৰকাৰে সদায় কাটি ৰখাটো সচানে ?

(গ) বাজেটৰ টকা মুকলি কৰি নিদি চৰকাৰে কেনেধৰণে চাহ আৰু প্ৰাক্তন চাহ জনগোষ্ঠীৰ কল্যাণৰ ব্যৱস্থা কৰিছে ?

**শ্ৰীভৰত চন্দ্ৰ নৰহ (ভৈয়াম জনজাতি আৰু অনুন্নত শ্ৰেণীসমূহৰ কল্যান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চাহ আৰু প্ৰাক্তন চাহ জনজাতি কল্যাণ সঞ্চালকালয়ৰ বাবে ইং ২০০১-২০০২ বিত্তীয় বছৰৰ বাজেটত ১৩৭.৫৮ লাখ টকা (সংশোধিত) ধাৰ্য্য কৰা হৈছে ।

(খ) সঁচা নহয়।

(গ) সঞ্চালকালয়ৰ বাবে ধাৰ্য্য কৰা বাৰ্ষিক বাজেটৰ ধন চৰকাৰে নিয়মীয়াকৈ মোকলাই দি আহিছে ।

**বিষয় ঃ পক্ষী অভয়াৰণ্যৰ স্থাপন সম্পৰ্কে ।**

শ্ৰীৰকিবুল হুছেইনে সুধিছে ঃ

২৪০। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে জানে নে যে যোৱা বিধান সভাৰ অধিবেশনৰ ৰাজ্যপালৰ অভিভাষণত ৰাজ্যৰ পৰ্যটনত উন্নয়ন দিশত আগবঢ়োৱা বক্তব্যত বিভিন্ন প্ৰজাতিৰ পক্ষীৰ সমাগম স্থলী হিচাপে বিখ্যাত নগাওঁ জিলাৰ চামগুৰি বিলক কেন্দ্ৰ কৰি এখন পক্ষী অভয়াৰণ্য স্থাপনৰ কথা ঘোষণা কৰা হৈছে নেকি ?

(খ) প্ৰস্তাৱিত এই চামগুৰি বিলৰ পক্ষী অভয়াৰণ্য সম্পৰ্কত পৰ্যটন বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

(গ) দুস্প্ৰাপ্য পক্ষীকুলৰ সংৰক্ষণৰ লগতে দেশী-বিদেশী পৰ্যটকক আকৰ্ষণৰ দ্বাৰা চৰকাৰে ৰাজহ সংগ্ৰহ বৃদ্ধিৰ বাবে পক্ষী অভয়াৰণ্য খন স্থাপনৰ ক্ষেত্ৰত ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কৰা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

**বিষয় ঃ ডিব্ৰু-চৈ খোৱা ৰাষ্ট্ৰীয় উদ্যান।**

শ্ৰীৰাজু চাহুৰে সুধিছে ঃ

২৪১। মাননীয় বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্রু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যানখন উন্নয়নৰ বাবে বৰ্ত্তমান চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

(খ) আৰু কেতিয়া লৈ লব খোজা ব্যৱস্থা সমূহ কাৰ্য্যকৰী কৰিব ?

**শ্ৰীগোবিন্দ চন্দ্ৰ লাংথাচা (বন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ ফালৰ পৰা বিভিন্ন উন্নয়ন ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ ভিতৰত ৰাষ্ট্ৰীয় উদ্যানখনৰ ওচৰে-পাজৰে বসবাস কৰা লোকসকলৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে খোৱাপানীৰ যোগান, তাঁতশাল যোগান, স্বাস্থ্য পৰীক্ষা শিৱিৰ, জীৱ-জন্তুৰ চিকিৎসা শিবিৰৰ ব্যৱস্থা কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ সাহায্য আঁচনিত ৰাষ্ট্ৰীয় উদ্যানখন বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবেওঁ ব্যৱস্থা লোৱা হৈছে।

(খ) চলিত বছৰত হাতত লোৱা কামবোৰ এই বিত্তীয় বৰ্ষতে সম্পূৰ্ণ কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

**বিষয় ঃ সংস্কৃত টোল ।**

**শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ**

২৪২। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) সমগ্ৰ আসামে মোট কয়টি Non-upgraded recognised সংস্কৃত টোল আছে? (জিলা ভিত্তিক প্ৰতিটি সংস্কৃত টোলের নাম, ঠিকানা, প্ৰতিষ্ঠার তারিখ সহ পূৰ্ণাঙ্গ বিশদ তালিকা সদনের মোঝে দাখিল করিবেন)

(খ) ২০০১ ইং সালের ডিসেম্বর মাসের সমগ্ৰ আসামের Non-upgraded recognised সংস্কৃত টোল গুলিকে আপগ্ৰেড অথবা প্ৰাদেশীকরণ করার ব্যবস্থা গ্ৰহণ করবেন কি?

(গ) করিমগঞ্জ জিলার গোরক্ষনাথ সংস্কৃত চতুষ্পটিকে ২০০১ ইংর ডিসেম্বর মাসের ভিতর আপগ্ৰেড অথবা প্ৰাদেশীকিকরণ করার ব্যবস্থা গ্ৰহণ করছেন কি?

(ঘ) সংস্কৃত ভাষা উন্নয়নের বৰ্ত্তমান রাজ্য সরকারের কোনো আঁচনি আছেনে কি ?

**শ্ৰীতৰুন গগৈ (মুখ্যমন্ত্ৰী তথা উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমান অসমত ১৬ খন Non-upgraded recognised সংস্কৃত আৰু পালিটোল আছে। (উক্ত বিদ্যালয় কেইখনৰ তালিকা, ঠিকনা প্ৰতিষ্ঠাৰ বছৰ সহ গাঠি দিয়া হ'ল।

(See Annexure - XII)

(খ) ভাৰত চৰকাৰৰ বিত্ত মন্ত্ৰালয় আৰু অসম চৰকাৰৰ বিত্ত বিভাগৰ মাজত হোৱা বিত্তীয় বুজাবুজিৰ চুক্তিৰ আধাৰত কোনো শিক্ষানুস্থানকে প্ৰাদেশিকীকৰণ কৰাৰ প্ৰস্তাৱ বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(গ) নতুনকৈ প্ৰশ্ন নুঠে।

(ঘ) প্ৰচলিত আঁচনি অনুযায়ী সংস্কৃত ভাষাৰ উন্নয়ণ আৰু শিক্ষাৰ কাম চলাই থকা হৈছে।

**বিষয় ঃ ভেঞ্চাৰ স্কুলৰ সংখ্যা ।**

শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ

২৪৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত অসম চৰকাৰৰ অনুমতি (Permission) আৰু স্বীকৃতি (Recognisation) পোৱা কিমানখন ভেঞ্চাৰ প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় আছে ?

(খ) এই বিদ্যালয় সমূহ চৰকাৰীকৰণ কৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছেনে ?

(গ) যদি লৈছে, চলিত বিত্তীয় বছৰত কিমানখন প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় চৰকাৰীকৰণ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) অনুমতি (Permission) আৰু স্বীকৃতি (Recognition) পোৱা ভেঞ্চাৰ প্ৰাথমিক বিদ্যালয় নাই । অনুমতি (Permission) পোৱা মধ্য ইংৰাজী বিদ্যালয় ৫৯০ খন আৰু স্বীকৃতি (Recognition) পোৱা মধ্য ইংৰাজী বিদ্যালয় ১৬৮৮ খন আছে। ৮ম শ্ৰেণী লৈকে অনুমতি পোৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা বৰ্ত্তমান ২৩৩ খন আৰু ৮ম শ্ৰেণীলৈকে স্বীকৃতি পোৱা উচ্চ মাধ্যমিক বিদ্যালয় ২৪৫ খন । উচ্চ মাধ্যমিক বিদ্যালয়ৰ নৱম আৰু দশম শ্ৰেণীৰ অনুমতি আৰু স্বীকৃতি প্ৰদানৰ কাৰ্য্য মাধ্যমিক শিক্ষা পৰিষদ (SEBA) ৰ পৰা হয়।

(খ) চৰকাৰীকৰণ কৰাৰ প্ৰস্তাৱ বৰ্ত্তমান বিত্তীয় বছৰত নাই।

(গ) প্ৰশ্ন নুঠে।

**Re. : B.A.C. Area Fund.**

Smti Pramila Rani Brahma asked :

244. Will the Minister, WPT & BC be pleased to state :

(A) The total amount of fund earmarked for the development of the BAC area from the Prime Minister Package Scheme ?

(B) Whether all the schemes have been selected and approved for the execution by that package ?

(C) Whether all the schemes have been selected and who have been authorised to select the schemes ?

(D) Whether the Principal Secretary of BAC has assured to sanction Rs. 5.00 crores for the development of Kokrajhar University campus from the Central Pool ?

(E) Whether the assured amount has been sanctioned for the

campus ?

(F) The total amount incurred for the payment of T. A. Bills to the Chief Executive Member and the Executive Members including the Principal Secretary of BAC ? (The amount of expenditure incurred annually per member since 1996-97 onwards may be shown separately).

**Shri Bharat Ch. Narah (Minister, WPT & BC) replied :**

(A) The total amount of Rs. 90.00 crores have been earmarked for development of BAC area under Prime Minister Package @ Rs.30.00 crores annually for three years.

(B) All schemes has been selected but approval of 43 Nos. of schemes involving an amount of Rs. 58.50 crores have been received.

(C) All the schemes were selected by the then BAC Advisory Committee headed by Smti Rekha Rani Das Boro, the then Minister, WPT & BC Deptt.

(D) An amount of Rs. 5.00 crores have been included for development of Kokrajhar University campus from Central pool.

(E) The proposal for Rs. 5.00 crores under consideration of the Ministry of H. R. D. Government of India.

(F) The amount incurred for payment of T. A. since 1996-97 to 1999-2000 is Rs. 1,22,32,494.00 (The detailed statement enclosed at Annexure - 'A') (See Annexure - XIII)

**বিষয় ঃ ইংৰাজী মাধ্যমৰ বিদ্যালয় নিয়ন্ত্ৰন ।**

**শ্ৰীপ্ৰনৱ কলিতাই সুধিছে ঃ**

২৪৫ । মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান কিমানখন বেচৰকাৰী ইংৰাজী মাধ্যমৰ বিদ্যালয় আছে ?

(খ) ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহক চৰকাৰী নিয়ন্ত্ৰণাধীন কৰাৰ বাবে চৰকাৰী নীতি কি ?

(গ) উক্ত স্কুল সমুহে নিজ ইচ্ছাকৃতভাৱে মাছুল বৃদ্ধি কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) তথ্য বিচৰা হৈছে। তথ্য পালে সদনক জনোৱা হব।

(খ) (১) ইংৰাজী মাধ্যমৰ বিদ্যালয় সমূহক চৰকাৰৰ ফালৰ পৰা কোনো অনুদান দিয়াৰ ব্যৱস্থা নাথাকিব বুলি স্বৰ্ত্ত আৰোপ কৰি শৈক্ষিক অনুমতি প্ৰদান কৰা হয়।

(২) অসমীয়া মাধ্যমৰ প্ৰাদেশীকৃত বিদ্যালয়ৰ বাবে থকা চৰকাৰী অন্যান্য নীতি নিয়ম সমূহ মানি চলিব লাগিব বুলিও চৰ্ত্ত আৰোপ কৰা হয়।

(গ) বৰ্ত্তমান আইনগত ব্যৱস্থা নাই।

**বিষয় ঃ প্ৰাক্ প্ৰাথমিক বিদ্যালয় ।**

**শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

২৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

প্ৰাথমিক বিদ্যালয়সমূহৰ লগতে সংলগ্ন ৰাখি যিবোৰ প্ৰাক্ প্ৰাথমিক বিদ্যালয় খোলা হৈছিল, সেই বিদ্যালয়সমূহ চৰকাৰীকৰণ কৰা হবনে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

বৰ্ত্তমান তেনে প্ৰস্তাৱ চৰকাৰৰ হাতত নাই।

**Re. : Kalain Forest Range.**

Shri Mission Ranjan Das asked :

247. Will the Minister of Forest be pleased to state :

(a) The steps taken by the Government on the representation submitted on 13-6-2001 to the Hon'ble Minister for retention of Kalain Forest Range with Karimganj Forest Division ?

**Shri Gobinda Chandra Langthasa (Minister Forests) will replied:**

(a) The matter is under consideration of the Government.

**Re. : Withdrawal of Posts of Teacher.**

Shri Biswajit Daimary asked :

248. Will the Minister of Education be pleased to state :

(a) Whether the Government is aware of the fact that the posts of science teacher from Latibari High School, Arts Graduate Post from Tamulpur Girls High School. Arts Graduate post from Tamulpur Higher Secondary School and a post of Education subject teacher from Naokta Milan H. S. School have been withdrawn from those schools and adjusted them to other school?

(b) Whether the Government had sanctioned the permission to withdraw all those posts from those schools ?

(c) Whether the Government will sanction the posts of teacher to fill up the required posts already withdrawn from those schools ?

**Shri Hemprakash Narayan (Minister, Education) replied :**

(a) Govt. is aware of the withdrawal of post from Latibari High School, Tamulpur H. S. School and Naokata Milan H.S. Schools.

Smti Mira Kalita was transferred from Tamulpur Girl's High School to Nalbari Girls High School against the vacant post. But not with post.

(b) No permission was accorded from the Govt. in respect of Latibari High School and Tamulpur H.S. School.

The post of Subject Teacher, (Education) of Naokata Milan H. S. School was withdrawn, in pursuance of order dated 5-6-94 of the Hon'ble High Court under C.R. No. 2536/94.

(c) At present there is no proposal for creation of posts.

**বিষয় ঃ বিশুদ্ধ খোৱাপানী যোগান ।**

শ্ৰীআকলিয়াছ তিৰ্কীয়ে সুধিছে ঃ

২৪৯ । মাননীয় জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰু পথাৰ বিধান সভা সমষ্টিৰ অৰ্দ্ধেক গাওঁলৈ বৰ্ত্তমানলৈকে বিশুদ্ধ খোৱাপানী যোগান ধৰা হোৱা নাই, চৰকাৰ অৱগতনে ?

(খ) যদি অৱগত, চৰকাৰে সমষ্টিটোৰ যি যি অঞ্চল বৰ্ত্তমান বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আছে তেনেকুৱা অঞ্চল সামৰি নতুনকৈ পানী যোগান আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰিব নেকি?

(গ) যদি কৰে, তেন্তে কোন কোন অঞ্চলত তেনে আঁচনি ৰূপায়ণৰ ব্যৱস্থা কৰিব ?

(ঘ) বৰ্ত্তমান সমষ্টিটোত যি কেইটা আঁচনি চলি আছে তাৰো প্ৰায়ে কাৰিকৰী বিজুতি হৈ থকাটো সঁচানে আৰু যদি সঁচা, তেনে বিজুতি বিলাক দূৰ কৰাৰ ব্যৱস্থা চৰকাৰে হাতত লৈছে নেকি?

(ঙ) সমষ্টিটোৰ মৰঙ্গী মৌজাৰ অনুসূচীত জনজাতি আবেষ্টনীভুক্ত (TSP area) পংকা অঞ্চলত থকা খোৱাপানী যোগান আঁচনিটোত ফিল্‌টাৰৰ (বিশুদ্ধিকৰণ) ব্যৱস্থা চৰকাৰে সদ্যহতে হাতত লৈছে নেকি ?

**শ্ৰীদীনেশ প্ৰসাদ গোৱালা (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) সৰু পথাৰ বিধান সভা সমষ্টিত বৰ্ত্তমান প্ৰায় ৮০ শতাংশ গাওঁলৈ বিশুদ্ধ খোৱাপানী

যোগান ধৰা হৈছে।

(খ) এই সমষ্টিত বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত হোৱা অঞ্চল সামৰি পৰ্য্যায়ক্ৰমে পানীযোগান ধৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে।

(গ) সম্প্ৰতি ২৫ টা চুবুৰীত Spot Source তাৰ দ্বাৰা পানী যোগান ধৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। চুবুৰীৰ নাম Annexure-I যোগে সংলগ্ন কৰা হ'ল। (See Annexure -XIIII)

(ঘ) বৰ্ত্তমানে এই সমষ্টিত যি কেইটা আঁচনি চলি আছে তাৰো মাজে মাজে কাৰিকৰী বিজুতি (বিদ্যুৎ লাইন পাম্প) হেৰোৱাতো সত্য, তাৰে ভিতৰত ১ / ফলঙনী পানী যোগান আঁচনিৰ ট্ৰেন্সফৰমাৰ বিকল হৈ আছে উক্ত বিজুতি বিলাকৰ বাবে বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰা হৈছে।

(ঙ) পংকা পানী যোগান আঁচনিৰ বিশুদ্ধিকৰণ (ফিল্টাৰৰ) ব্যৱস্থাৰ প্ৰায় ৮০ শতাংশ কাম সম্পূৰ্ণ হৈ বাকী কাম পুজি সাপেক্ষে পৰ্য্যায়ক্ৰমে সম্পূৰ্ণ কৰি তোলা হব।

**Unstarred Question No. 250 was disallowed.**

**Mr. Speaker :** Now, Question Hour is over.

## DISCUSSION DURING ZERO HOUR

I have received as many as 10 Zero Hour Notices for to-day from the following Hon'ble Members :

1. Shri Dilip Kr. Saikia
2. Shri Dilip Kr. Saikia.
3. Shri Sarbananda Sonowal
   Shri Dilip Kr. Saikia
4. Shri Ripun Bora
5. Shri Pabindra Deka
6. Shri Sarbananda Sonowal
   Shri Dilip Kr. Saikia
7. Shri Dilip Kr. Saikia
   Shri Hitendra Nath Goswami
8. Shri Gunin Hazarika
9. Shri Sukur Ali Ahmed
   Dr. Nazrul Islam

10. Smti. Pramila Rani Brahma
Smti. Kamali Basumatary
Shri Biswajit Daimary

As per rules, I have selected only 3 Zero Hour notices for raising before the House today.

I now, call upon the Hon'ble Member Shri Ripun Bora to raise his Zero Hour Motion which was published in " Asomiya Pratidin" dtd. 3-10-2001 under the caption "শোণিতপুৰত ছন পৰি ৰ'ল ২৫ হেজাৰ হেক্টৰ কৃষি ভূমি =৯২ হেজাৰ কৃষক পৰিয়াল ক্ষতিগ্ৰস্থ"

* **শ্ৰীৰিপুণ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা গুৰুত্বপূৰ্ণ বিষয় এই সদনত উৎথাপন কৰিব খুজিছো আৰু বিশেষকৈ এই বিষয়টো সম্পৰ্কত আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই কি কাৰ্য্য ব্যৱস্থা লৈছে তাৰ কাৰণে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। কথাটো হ'ল আমাৰ ৰাজ্যখনৰ বেছিভাগ খেতিয়কে বৰষুণৰ পানীৰ ওপৰত নিৰ্ভৰ কৰে। কিন্তু এইবাৰ আবতৰীয়া বতৰ হ'ল আৰু নিৰ্দ্দিষ্ট পৰিমাণৰ বৰষুণৰ অভাৱত খৰাং বতৰ হ'ল। এই খৰাং বতৰ শোণিতপুৰ জিলাত সৰ্ব্বাধিক হৈছে। শেষৰ ফালে বৰষুণ হ'ল যদিও খেতি কৰিব নোৱাৰা অৱস্থা হ'ল। যোৱা ২ অক্টোবৰ ২০০১ চনৰ অসমীয়া প্ৰতিদিন কাকতত শোণিতপুৰ জিলাৰ এই খৰাংবতৰ সম্পৰ্কত যথেষ্ট তথ্য সহকাৰে এটা বাতৰি প্ৰকাশ পাইছে। অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি মই গোটেই বাতৰিতো পঢ়ি দিব খোজা নাই। বাতৰিটোত প্ৰকাশ কৰা মতে শোণিতপুৰ জিলাত ২৫ হাজাৰ হেক্টৰ মাটি ছন পৰি আছে আৰু ৯২ হাজাৰ কৃষক পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। বাতৰিটোত জিলাখনৰ ৩ টা মহকুমাত কিমান ক্ষতিগ্ৰস্ত হৈছে সেই কথাটোও প্ৰকাশ পাইছে। এই তিনিটা মহকুমাৰ ভিতৰত গহপুৰ মহকুমাতেই আটাইতকৈ বেচি ক্ষতিগ্ৰস্ত হৈছে। এই তিনিটা মহকুমাৰ ১২ হাজাৰ কৃষক পৰিয়ালৰ এইবাৰ হাহাকাৰ অৱস্থা হৈছে। কাৰণ তেওঁলোকে এইবাৰ খেতি কৰিব পৰা নাই। এই কৃষক পৰিয়াল সকল দুখীয়া। তেওঁলোকে কৃষিৰ ওপৰতেই নিৰ্ভৰ কৰে। কিন্তু এতিয়া এনেকুৱা দুঃখ জনক অৱস্থা হৈছে যে এইবাৰ যি সকল কৃষকৰ মাটি ছন পৰি ৰ'ল তেওঁলোকে ভিক্ষা নকৰিলে খাবলৈ নোপোৱা অৱস্থা হ'ব। এই কৃষক সকলে কেনেকৈ চলিব এই ভয়াবহ পৰিস্থিতিৰ সন্মুখীন হোৱাৰ আশংকাত দিন কটাব লগাত পৰিছে। আমি এই ক্ষেত্ৰত কৃষি বিভাগৰ লগত যোগাযোগ কৰাত ৰবি শস্যৰ কাৰণে মাটি মাহৰ বীজ বিতৰণ কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে বুলি জনাইছিল। কিন্তু কি কাৰণে নেজানো মাটি মাহৰ বীজ খেতিয়ক সকলে সময়মতে নাপালে। এতিয়া মাটি মাহৰ বীজ সিচাঁৰ সময় নাই। মাটি মাহৰ বীজ সিচিলেও এতিয়া

* Speech not corrected

কোনো কামত নাহে। ৰবি শস্যৰ কাৰণে আৰু কেইটামান দিনহে আছে। কেইদিন মান পিচত ৰবি শস্যৰ বতৰো পাৰ হৈ যাব। গতিকে এই ক্ষেত্ৰত কৃষি বিভাগে যুদ্ধকালীন ক্ষীপ্ৰতাৰে মোকাবিলা কৰিব লাগে যাতে ৰবি শস্যৰ খেতি কৃষক সকলে ঠিক মতে কৰিব পাৰে। তাৰ কাৰণে মই মাননীয় কৃষি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। যি সকল কৃষকে খেতি কৰিব পৰা নাই সেই সকল কৃষকৰ গাৰে গাৰে, ঘৰে ঘৰে গৈ চাৰ্ভে কৰাৰ ব্যৱস্থা কৰিব লাগে। যি সকল কৃষকৰ মাটি ছুন পৰিল সেই সকল কৃষকক ৰবি শস্যৰ বীজ দিব লাগে। ৰবি শস্যৰ খেতিৰ বতৰত সেই বিলাক ঠাইত ঘেহু খেতি কৰিব পৰা অৱস্থাত আছে। অন্য খেতি কৰাৰ সম্ভাৱনা তাত নাই। গতিকে অধ্যক্ষ মহোদয় আপোনাৰ যোগেদি মই মাননীয় কৃষি মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব খুজিছো যে এই বিষয়টো অতি গুৰুতৰ সহকাৰে লৈ ৰবি শস্যৰ বীজ কৃষক সকলৰ মাজত অতি সোনকালে বিতৰণ কৰাৰ ব্যৱস্থা কৰিব লাগে। অন্ততঃ ৰবি শস্যৰ খেতি কৰি কৃষক সকলে ৩ মাহৰ ভাত মোকলাব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, এই বিভাগৰ লগত আৰু এটা বিভাগ জড়িত হৈ আছে। সেই বিভাগটো হৈছে জলসিঞ্চন বিভাগ। আমি দেখিছো যেতিয়া খৰাং বতৰ হয় তেতিয়া খেতিয়ক ৰাইজে জলসিঞ্চন বিভাগৰ ওচৰলৈ গৈ বিমুখ হৈ ঘুৰি আহিবলগীয়া হয়। জলসিঞ্চন বিভাগটো ৰাইজৰ ৰাজহৰ ওপৰতেই চলি আছে। জলসিঞ্চন বিভাগৰ বিষয়া কৰ্ম্মচাৰী সকলক পুহি ৰখাৰ বাহিৰে অন্য কোনো কাম হোৱা নাই। সকলো বিলাক মেচিন, পাম্প আদি বেয়া হৈ পৰি আছে। ডিজেল কিনিবৰ কাৰণে পইচা নাই। জলসিঞ্চন বিভাগৰ মন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত নাই যদিও অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে এইবাৰ যি হ'ল হ'ল, অহা বাৰ সময় থাকোতে যাতে মেচিন বিলাক মেৰামতি কৰি দুখীয়া কৃষক সকলক পানী টুপী যোগান ধৰে তাৰ কাৰণে অনুৰোধ জনালো। লগতে আপোনাৰ জৰিয়তে মাননীয় কৃষি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যাতে তেখেতে এই বিষয়টোৰ ওপৰত সদনত এটা সদ্ উত্তৰ দিয়ে। আমি আশা ৰাখিছো কৃষি বিভাগৰ বিষয়া কৰ্ম্মচাৰী সকলে তৎকালীন ভাবে কাম কৰি আমাৰ খেতিয়ক ৰাইজক সকাহ দিব পাৰিব।

*** ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (কৃষিমন্ত্ৰী) ঃ** মাননীয় চেয়াৰমেন মহোদয়, মাননীয় সদস্য ৰিপুণ বৰা ডাঙৰীয়াই ২ অক্টোবৰ, ২০০১ চন তাৰিখৰ প্ৰতিদিন কাকতত প্ৰকাশিত যিটো বাতৰিৰ কথা কলে সেই সংবাদ খিনি সঁচা। তাত প্ৰায় ২৫ হাজাৰ ১০ হেক্টৰ জমি খৰাং পৰিস্থিতিৰ কবলত পৰিছে আৰু তাত প্ৰায় ৭০ হাজাৰ ৩২০ টা পৰিয়াল ক্ষতিগ্ৰস্ত হৈছে। এই যিটো পৰিস্থিতিৰ উদ্ভৱ হৈছে সেই পৰিস্থিতিৰ মোকাবিলা কৰাৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা যি খিনি ব্যৱস্থা লব লাগে সেই ব্যৱস্থা লবলৈ আমি সাজু হৈ আছো। এতিয়া ৰবি শস্যৰ কাৰণে বতৰ হোৱা নাই। আৰু অলপ দিন পিচত ৰবি

* Speech not corrected

শস্যৰ বতৰ আৰম্ভ হ'ব। ইতিমধ্যে আমি প্ৰয়োজনীয় অৰ্থৰ কাৰণে তেনেকুৱা এটা দাবী ৰাজহ বিভাগৰ ওচৰত দাখিল কৰিছো আৰু এই টকাতো আমি অতি সোনকালে পাই যাম। মাননীয় সদস্য ৰিপুণ বৰা ডাঙৰীয়াই যিটো এটা আশংকা প্ৰকাশ কৰিছে যে তাত বহুতো ৰাইজে হয়তো ভিক্ষা বৃত্তি গ্ৰহণ কৰিব পাৰে তেনেকুৱা পৰিস্থিতি আমি হবলৈ নিদিও। মাটি মাহৰ বীজৰ ক্ষেত্ৰত তেখেতে যিটো কথা কৈছে সেই ক্ষেত্ৰত মই কব বিচাৰিছো যে মাটি মাহৰ যিটো বীজ আহিছিল সেইটো চাটিফাইড বীজ সিচাঁৰ সময় পাৰ হৈ গৈছে। কৃষক সকল যাতে ক্ষতিগ্ৰস্ত নহয় তাৰ ব্যৱস্থা লোৱাৰ বাবে চেষ্টা কৰা হৈছে। ইয়াকে কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**Mr. Speaker :** I now call upon the Hon'ble Members Smti. Pramila Rani Brahma, Smti. Kamali Basumatary and Shri Biswajit Daimary to raise their Zero Hour Motion which was published in "Amar Asom" dtd. 3-10-2001 under the caption "মহানগৰীত আৰক্ষীৰ তাণ্ডৱ, বহু মহিলা আহত"

* **শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ অসম নামৰ দৈনিক বাতৰি কাকত খনৰ যোৱা ৩-১০-২০০১ তাৰিখে প্ৰকাশ পোৱা 'মহানগৰীত আৰক্ষীৰ তাণ্ডৱ সম্পৰ্কৰ বাতৰিটোৰ ওপৰত কবলৈ ওলাইছো। উক্ত দিনা সন্ধিয়া উলুবাৰীৰ কছাৰী বস্তীত এদল আৰক্ষীয়ে এক তাণ্ডৱৰ সৃষ্টি কৰাৰ লগতে এক আতংকময় পৰিস্থিতিৰ সৃষ্টি কৰে। উলুবাৰীত বজাৰ কৰি মাকৰ সৈতে এজনী ছোৱালী উভতি আহোতে এজন মদ খাই মাতাল হৈ থকা আৰক্ষীয়ে ছোৱালীজনীক জোকাইছিল আৰু মাকৰ লগতে ছোৱালীজনীকো অশালীন ব্যৱহাৰ কৰিছিল। স্থানীয় ল'ৰাই এই ঘটনাটো দেখি আৰক্ষীজনক কিছু মাৰ-পিত কৰি পঠাই দিয়ে। ৰাতি উক্ত আৰক্ষী জনে লগত ভালেকেইজন ইউনিফৰমত থকা আৰক্ষী আৰু বিষয়া লৈ আহি উক্ত অঞ্চলটোত ত্ৰাসৰ সৃষ্টি কৰে, তেওঁলোকে হাতত খালী বটল লৈ আহি যধে মধে মাৰপিট কৰে, মহিলা, ছোৱালীৰ লগত অশালীন ব্যৱহাৰ কৰে। এই অত্যাচাৰৰ পৰা আনকি সেই অঞ্চলৰ গাওঁবুঢ়াজনৰ ঘৈনীয়েকো সাৰি যোৱা নাই। তেওঁকো চুলিত ধৰি টানি মাৰপিত কৰে লগতে তেওঁলোকে অঞ্চলটোৰ মানুহৰ ঘৰে ঘৰে সোমাই যাকে তাকে মাৰপিট কৰি মহিলাক মলেষ্টেচন কৰে। আনকি তেওঁলোকে দোকান ঘৰ, মুৰ্গী ৰখা খাং আদিও ভাঙি নষ্ট কৰে। ইয়াতো ক্ষান্ত নহৈ আৰক্ষীৰ লোক কেইজন ঘূৰি গৈ ৰাতি ডি, জি, পি অফিচৰ ভানত উঠি আহি উলুবাৰীৰ কছাৰী বস্তী অঞ্চল ৰেইড কৰে আৰু ফায়াৰিং কৰি অঞ্চলটোৰ লোক সকলক আতংকময় কৰি তোলে। সভাপতি মহোদয়, গুৱাহাটীৰ মাজ মজিয়াৰ এই উলুবাৰী অঞ্চল কছাৰী বস্তীটো অতি পিচপৰা অঞ্চল, ইয়াৰ পৰিবেশ অতি দুগন্ধময়, লেতেৰা। এই অঞ্চলটোত চৰকাৰে কোনো উন্নয়ণমূলক আঁচনি

* Speech not corrected

লোৱা নাই। অঞ্চলটোৰ দুখীয়া বড়ো- কছাৰী লোক সকলে মদ বিক্ৰী কৰি জীৱিকা নিৰ্ব্বাহ কৰি আহিছে। চৰকাৰে এই লোক সকলক তাৰ পৰা উঠি গৈ জংগললৈ যোৱাটো বিচাৰেনেকি ?

**মাননীয় সভাপতি ঃ** আপুনি মুল বিষয়টোলৈ আহক ।

*** শ্ৰীমতী প্ৰমিলা ৰাণী ব্ৰহ্ম ঃ** সভাপতি মহোদয়, মই মুল কথালৈ আহিছো। এই ঘটনাৰ লগত জড়িত লোক সকলক উপযুক্ত বিচাৰ কৰি কঠোৰ শাস্তি দিয়াৰ ব্যৱস্থা লবলৈ এই সদনত উপস্থিত থকা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো। যোৱাকালি মই আৰু তিনিগৰাকী মাননীয় বিধায়ক সহ উক্ত অঞ্চললৈ গৈছিলো আৰু স্থানীয় লোক সকলৰ লগত বিষয়টো আলোচনা কৰিছো। উক্ত আলোচনাত স্থানীয় বিধায়ক শ্ৰীপংকজ বৰা ডাঙৰীয়াও উপস্থিত আছিল। আৰক্ষীৰ অত্যাচাৰত কেইবাজনো লোকে আঘাত পাইছে। তাৰে এজনে আমাক তেওঁৰ পিঠিত থকা আৰক্ষীৰ মাৰৰ চিন আমাক দেখুৱাইছে। সভাপতি মহোদয়, এই ঘটনাটোৰ এটা উচিত বিচাৰ আমাক লাগে আৰু দোষী আৰক্ষী বিষয়াৰ কঠোৰ শাস্তি হব লাগে। আমাক জানিবলৈ দিয়া মতে দুজনমান দোষী আৰক্ষীক এৰেষ্ট কৰা হৈছে হেনো। কিন্তু স্থানীয় লোকক ভাল লগাবলৈ তেওঁলোকক এৰেষ্ট কৰা বুলি কোৱা হৈছে যদিও গম পাইছো যে তেওঁলোকক ভালকৈহে কোনোবা ঠাইত খুৱাই বুৱাই ৰাখিছে। সভাপতি মহোদয়, দোষী আৰক্ষীৰ ওপৰত কঠোৰ শাস্তি হব লাগে। আনহাতে যি সকল লোকৰ আৰক্ষী অত্যাচাৰত দোকান পোহাৰ ভঙা গৈছে, বস্তু বাহানি নষ্ট হৈছে সেই সকলক উপযুক্ত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**Mr. Chairman :** Now, Hon'ble Chief Minister to speak.

*** শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, উলুবাৰীৰ কছাৰীবস্তীত যিটো ঘটনা সিদিনা ঘটি গ'ল সেইটো সঁচা। দোকান নষ্ট হোৱা, মাৰপিট হোৱা কথাও সঁচা। মই এই ঘটনাৰ বিষয়ে জনাৰ লগে লগে আৰক্ষীৰ উৰ্দ্ধতন বিষয়াৰ লগত যোগাযোগ কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'বৰ বাবে নিৰ্দ্দেশ দিও। ইতিমধ্যেই এই ঘটনাৰ লগত জড়িত ৩ জন আৰক্ষীৰ লোকক এৰেষ্ট কৰা হৈছে তেওঁলোক হৈছে —শ্ৰীনিতুল বড়ো, শ্ৰীদিলীপ সাহা আৰু শ্ৰীপদ্ম নাথ। তেওঁলোকক ইতিমধ্যে চাকৰিৰ পৰা নিলম্বিত কৰাও হৈছে। যদি কোনো বিষয়াও ইয়াৰ লগত জড়িত হৈ আছে তেওঁলোকৰ ওপৰতো বিহিত ব্যৱস্থা লোৱা হ'ব। ঘটনাটোৰ বিষয়ে মই ইতিমধ্যেই এনকুৱাৰী কৰিবলৈ দিছো। আইডেনটিটি পেৰেড কৰাৰো ব্যৱস্থা লোৱা হ'ব— যাতে কোনো দোষী আৰক্ষী সাৰি যাব নোৱাৰে। মাননীয়া সদস্যা গৰাকীয়ে উলুবাৰীৰ কছাৰী বস্তী অঞ্চলৰ যি লেতেৰা অৱস্থাৰ বিষয়ে উল্লেখ কৰিছে সেই বিষয়ে মই চাম লগতে মই কও যে উক্ত অঞ্চলৰ স্থানীয় লোক সকলক তাৰ পৰা ইভিকচন কৰা নহয়। Is you found any police personnel's involvement, you please identity item.

* Speech not corrected

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, বাতৰি কাকতত ওলাইছে যে এচেমব্লি হোষ্টেলৰ গেটৰ পুলিচ-কৰ্ম্মচাৰীয়ে পুলিচৰ ড্ৰেছ পিন্ধি ৰাতি মদ খাই অশালীন ব্যৱহাৰ কৰে। কাশ্মীৰত যি ঘটনা হ'ল ইয়াতো হ'ব পাৰে। গাতিকে মাননীয় মুখ্য মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা লব নোকি?

**Mr. Speaker :** I now call upon the Hon'ble Members Shri Sarbananda Sonowal and Shri Dilip Kumar Saikia to raise their Zero Hour Motion which was published in "Dainik Janambhumi" dtd. 2.10.2001 under the caption – "মৰাণ মহকুমাৰ দাবীত ধৰ্ম্মঘট পালন"

* শ্ৰীসৰ্ব্বানন্দ সোণোৱাল ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুই অক্টোবৰ তাৰিখে দৈনিক জনমভূমি কাকতত মৰাণ মহকুমা হ'ব লাগে বুলি বাতৰিত প্ৰকাশ পাইছে। মৰাণ মহকুমা নিৰ্ম্মাণ সমিতিৰ তৰফৰ পৰা দিশপুৰত ধৰ্ম্মঘট পালন কৰা হৈছিল। এই দাবী ৪৩ বছৰৰ পুৰণা দাবী। শিৱসাগৰ আৰু ডিব্ৰুগড় জিলাৰ মধ্য স্থানত মৰাণ অৱস্থিত। এই সন্দৰ্ভত বিভিন্ন সময়ত মুখ্য মন্ত্ৰী মহোদয়ে মৰাণ মহকুমা হ'ব বুলি প্ৰতিশ্ৰুতি দি আহিছে। অসমৰ প্ৰশাসন যন্ত্ৰক শক্তিশালী কৰাৰ কাৰণে নতুন জিলা অৰ্ন্তভুক্তিৰে ডিব্ৰুগড় জিলা নামাকৰণ কৰা হৈছিল। তিনিটা মহকুমা গঠন কৰা হৈছিল। শদিয়া, মাৰ্ঘেৰিতা আৰু তিনিচুকীয়া। বৰ্ত্তমান ডিব্ৰুগড় জিলাত এটা মহকুমা আৰু জিলাখনে মহকুমাত অৰ্ন্তভুক্তি হৈ আছে। শিৱসাগৰৰ মাহমৰা সমষ্টিৰ কিছু অংশ ডিব্ৰুগড়ৰ অৰ্ন্তভুক্ত। শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ ৰাইজে বিভিন্ন সময়ত জিলা কৰ্তৃপক্ষক যোগাযোগ কৰাৰ বাবে অসুবিধাৰ সন্মুখীন হৈ আহিছে। মৰাণ মহকুমাৰ বাবে যি যোগ্যতা লাগে সকলোখিনি আছে। অইল ৰিফাইনেৰী, কোল ইণ্ডিয়া আদি বিভিন্ন অনুষ্ঠান আছে। ব্যৱসায়িক দৃষ্টি ভঙ্গীৰ পৰা চালে দেখা যায় যে ই ৰাজহ আদায়ৰ স্থান। টিংখং, লাহোৱাল, জয়পুৰ আদি ভিতৰুৱা অঞ্চল। মৰাণ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ৰাজহুৱা সভাত মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াই ৰাইজক জনাইছে যে বিভিন্ন ঠাই যাতায়তৰ বাবে অসুবিধা। সেই সভাতে মুখ্য মন্ত্ৰী ডাঙৰীয়াক মৰাণ মহকুমা দাবী সমিতিৰ তৰফৰ পৰা আৰু ৰাইজৰ ফালৰপৰা একেলগে স্মাৰক পত্ৰ দিছিল। যাতে সোনকালে মৰাণ মহকুমা গঠন কৰা হয়। কিন্তু এতিয়ালৈ একো হোৱা নাই।

অধ্যক্ষ মহোদয়, ১৯৯৪ চনৰ ১৬ এপ্ৰিল তাৰিখে প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে মৰাণ মহকুমা হ'ব বুলি ঘোষণা কৰিছিল। মৰাণ মহকুমাৰ বাবে যোগ্যতা আছে নে নাই গোটেই বিষয়টো পৰীক্ষা নিৰীক্ষা কৰা হৈছিল। কোহিলী কমিশ্বনে যোগ্যতা আছে বুলি প্ৰতিবেদনো দিছিল আৰু অসম চৰকাৰেও মৰাণ মহকুমা গঠন হ'ব বুলি প্ৰতিশ্ৰুতি দি আহিছিল। এই ক্ষেত্ৰত পবন সিং ঘাটোৱাৰ ডাঙৰীয়াইও দাবী জনাই আহিছে। মুখ্যমন্ত্ৰী মহোদয়ে অলপতে ডিব্ৰুগড়লৈ গৈ আহিছে। সেই সময়ত ৰাইজে এই বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছে। ৰাইজে আন্দোলন কৰিও যোগ্যতাৰ ভিত্তিত যিখিনি পাব

* Speech not corrected

লাগিছিল, তাৰ পৰা ৰাইজ বঞ্চিত হৈছে বুলি ভাবিছে। সেয়েহে ভৱিষ্যতে মহকুমা গঠন হ'লে যাতে মৰাণক অগ্ৰাধিকাৰ দিয়ে তাৰ অনুৰোধ কৰিলো।

অধ্যক্ষ মহোদয়, চৰকাৰে চিলাপথাৰ আৰু ঢেকীয়াজুলিৰ মহকুমা গঠনৰ দাবী পাইছে, তিতাবৰ ৰাইজৰ দাবীৰ ভিত্তিত মহকুমা দিয়া হৈছে। কিন্তু নতুন মহকুমা অৰ্ন্তভুক্তিৰ পিচত কাম বিলাক হৈছে নে নাই? যদি মৰাণ মহকুমা নহয়, আমাৰ ৰাইজৰ অসুবিধা হ'ব। গতিকে চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত মৰাণ মহকুমা সোনকালে ঘোষণা কৰক। ডিব্ৰুগড় জিলাত মহকুমাৰ নিতান্তই প্ৰয়োজন। তাত কোল ইণ্ডিয়া, থাৰ্মেল পাৱাৰ পেট্ৰো কেমিকেল, এবিষ্টা আদি আছে। সেই কাৰণে ইয়াৰ প্ৰতি দৃষ্টি ৰাখি মৰাণ মহকুমা যাতে সোনকালে ঘোষণা কৰে তাৰ বাবে অনুৰোধ কৰিলো।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীসৰ্ব্বানন্দ সনোৱাল ডাঙৰীয়াই মৰাণ মহকুমাৰ কাৰণে প্ৰায় ৪৩ বছৰ ধৰি ৰাইজে দাবী জনাই আহিছে বুলি কৈছে। অসমৰ বিভিন্ন ঠাইত বিভিন্ন সময়ত ৰাইজে মহকুমাৰ বাবে দাবী কৰি আহিছে। নাহৰকটীয়া, বিহপুৰীয়া, চিলাপথাৰ, ডিব্ৰুগড়, তিতাবৰ - তিতাবৰত অৱশ্যে মহকুমা ঘোষণা কৰা হ'ল। প্ৰশাসনক ৰাইজৰ ওচৰলৈ নিয়াটো চৰকাৰৰ মূল উদ্দেশ্য। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ঘোষনা কৰিছে প্ৰশাসনক পদূলি মুখলৈ নিয়াটো। আমি ভাল পাইছো আগৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত এগ্ৰিমেন্ট কৰিছিল —নতুনকৈ মহকুমা গঠন কৰিব নোৱাৰে বুলি চহী কৰিছিল। সেই নিয়ম অনুসৰি নতুনকৈ মহকুমা দিব পাৰিব নেকি? যদি নোৱাৰে চুক্তি পত্ৰত যে চহী কৰিছিল, সেইখিনি বাতিলৰ কাৰণে মুখ্য মন্ত্ৰী ডাঙৰীয়াই কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অনুৰোধ জনাব নেকি? নতুনকৈ পোষ্ট ক্ৰিয়েট কৰিব নোৱাৰি, নতুনকৈ মহকুমাও গঠন কৰিব নোৱাৰে। গহপুৰক নতুনকৈ মহকুমা গঠন কৰিছে যদিও প্ৰাগ্‌জ্যোতিষ পুৰৰ সলনিহে কৰিছে যিহেতু প্ৰশাসনক ৰাইজৰ ওচৰলৈ নিয়াৰ চিন্তা কৰা হৈছে। বিশেষকৈ ধেমাজী জিলাত ১৯৮৬ চনতে মহকুমা ঘোষনা কৰিছে। তাত সকলোবিলাক কাৰ্য্যালয় গঠন কৰা হৈছে, কিন্তু ঢকুৱাখানাত কাৰ্য্যালয় গঠন কৰা হোৱা নাই। তাত পদ সৃষ্টি হোৱা নাই। সকলোবিলাক চিন্তা কৰি ৰাইজ প্ৰকৃততে উপকৃত হবৰ কাৰণে চৰকাৰে মহকুমা গঠন কৰিব লাগে।

অধ্যক্ষ ডাঙৰীয়া, যি জিলাই মহকুমা দাবী কৰিব, সেই দাবী বিলাক চৰকাৰে বিবেচনা কৰি কেন্দ্ৰীয় চৰকাৰৰ লগত চুক্তি পত্ৰত চহী কৰি মুখ্যমন্ত্ৰী ডাঙৰীয়াই তেখেতৰ ফালৰ পৰা মহকুমা গঠন কৰিব। তিতাবৰক ঘোষণা কৰিছে, কেনেকৈ কৰিছে, ৰাজনৈতিক তাৰে নেকি? (সদনত হুলস্থুল)

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া তিতাবৰক মহকুমা হিচাবে ঘোষণা কৰিছে আৰু সেইটো বাতৰি কাকততো ওলাইছে। (সদনত গোলমাল) মই নাই কোৱা, কেৱল বাতৰি কাকতত ওলোৱা কথাটোহে কৈছো। এইটো খং খাবলগা কথা নহয়, মই মোৰ লাইনতে

* Speech not corrected

কৈ আছো। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰীক অনুৰোধ জনাও যাতে চুক্তিখন বাতিল কৰে আৰু তিতাবৰক মহকুমা হিচাবে ঘোষণা কৰে।

*** শ্ৰীশৰৎ বৰকটকী (মন্ত্ৰী) ঃ** সদনক বিশ্বাসত নলৈ আৰু বিশ্বাস নকৰাৰ কাৰণে আজি এইটো অৱস্থা হৈছে।

*** শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ঃ** আপুনি তিতাবৰক লৈ কিয় ইমান টনা-আজোৰা কৰিছে।

*** শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ** তিতাবৰক লোৱাৰ কাৰণে আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। অকল তিতাবৰেই নে আমাৰ বিধান সভাৰ সদস্য সকলে যিমানেই বা মতেই বিচাৰিছো সকলোতে দিব লাগে, মৰাণতো দিব লাগে নাহৰকটীয়াত দিব লাগে হাজোতো দিব লাগে। চৰকাৰৰ নীতি হ'ল প্ৰশাসনক ৰাইজৰ ওচৰলৈ নিয়াৰ কাৰণে যিহেতু চৰকাৰে দায়িত্ব লৈছে তেনে ক্ষেত্ৰত যিবিলাক ঠাইত নতুনকৈ জিলা বা মহকুমা গঠন হৈছে সেইবিলাক ঠাইত কাৰ্য্যালয় প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিব লাগে। মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লবলৈ অনুৰোধ জনালো।

*** শ্ৰীমতী প্ৰণতি ফুকন ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মৰাণতেই মহকুমা কৰক বা তিতাবৰতে ঘোষণা কৰক সেইটো মই আপত্তি কৰিবলৈ নাযাও বা নকও কিন্তু ক'ত মহকুমা বা জিলা গঠন কৰিব সেইটো আমাৰ চৰকাৰৰ বা প্ৰশাসন যন্ত্ৰৰ অবগত, এইটো ৰাজ্যিক চৰকাৰৰ দায়িত্ব। বিগত বিধান সভাৰ সময়ত মইয়ো এগৰাকী সদস্য আছিলো, মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়ায়ো তেতিয়া সদস্য আছিল, তেখেতে কথাটো উল্লেখ কৰিছে, কিন্তু আমাক একো নজনোৱাকৈ তেতিয়াৰ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ লগত কি চুক্তি কৰিলে সেইটো নাজানিলো কিয়নো সেই বিষয়টোৰ ওপৰত আলোচনা কৰিবলৈ আমাক সুবিধা নিদিলে আমাক চৰকাৰে বিশ্বাসত নললে। ফলত আজি এই বিষয়টো ইয়াত উত্থাপিত হ'ল। আমাৰ ৰাজ্যখনত বিভিন্ন অঞ্চলত যতেই জিলা বা মহকুমা গঠন হওক সেইটো ৰাজ্য চৰকাৰে বিবেচনা কৰিব, কেন্দ্ৰীয় চৰকাৰে যে এই বিষয়ে অবগত হব লাগে সেইটো নহয়। এইটো ষ্টেট গভাৰ্ণমেন্টৰ চাবজেক্ট। যতেই ৰাজ্যিক চৰকাৰে জিলা বা মহকুমা গঠন কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিব তাতেই জিলা বা মহকুমা গঠন কৰিব পাৰে। আজি কেবাবছৰৰ আগৰে পৰা নাহৰকটীয়া ৰাইজে নাহৰকটীয়াত নতুন চাব ডিভিজন গঠন কৰাৰ কাৰণে দাবী উত্থাপন কৰি আহিছে। নাহৰকটীয়াখন আমাৰ ৰাজ্যৰ সীমামুৰীয়া অঞ্চলত অৱস্থিত, আপোনালোকে জানেই আমাৰ বোৰ্ডাৰ বিলাকত কিমান গণ্ডগোল চলি আছে, এফালে অৰুণাচল প্ৰদেশৰ পৰা টনা-আজোৰা চলি আছে আৰু আনফালে নাগামিজৰ উৎপাত চলি আছে, দুয়োখন ৰাজ্যৰ পৰা অসমৰ মাটিত বেদখল চলি আছে। গতিকে প্ৰশাসনীক ভাবে আমি সবল হব নোৱাৰিলে নাহৰকটীয়াৰ কাষৰীয়া অঞ্চল নামৰূপ জয়সাগৰ ইত্যাদি অঞ্চল অসমৰ মাটিৰ পৰা নাইকিয়া হৈ যাব পাৰে। নাহৰকটীয়াত চাব ডিভিজন হলে অকল নাহৰকটীয়াৰে সুবিধা হব সেইটো নহয়, নামৰূপ, টিংখং, লাহোৱাল ইত্যাদি অঞ্চলৰো

* Speech not corrected

সুবিধা হ'ব। আনহাতেদি মৰাণৰ পৰা ডিব্ৰুগড়লৈ দূৰত্ব অতি কম সেইদৰে শিৱসাগৰৰ পৰাও সিমান দূৰ নহয়। অসমৰ গুৱাহাটীৰ পিচতেই নাহৰকটীয়াৰ পৰাই ৰাজ্যখনৰ ৰাজহ বেচি সংগ্ৰহ হয়, তাৰোপৰি এই অঞ্চলতেই চাহবাগিছাৰ সংখ্যা সৰহ তাৰোপৰি পেট্ৰোকেমিকেল বা ইণ্ডিয়া আৰু বিভিন্ন ইণ্ডাষ্টিয়েল প্ৰতিষ্ঠান আছে, এই গোটেই অঞ্চল উদ্যোগৰে আবৃত্ত, গতিকে নাহৰকটীয়াতে মহকুমা গঠন হ'লে এই গোটেই দিশ বিলাকত প্ৰসাৰতা লাভ কৰিব পৰা যাব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰীক অবগত কৰিব বিচাৰিছো আজি ইমান বছৰে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত নাহৰকটীয়াত কিয় মহকুমা গঠন কৰা নহ'ল কিয়নো ডিব্ৰুগড় জিলাত এতিয়ালৈকে কোনো মহকুমা নাই। ১৯৯৫ চনৰ পৰা ৫ টা বছৰ মই পাৰ কৰিলো তেতিয়াৰ মুখ্য মন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই জনাইছিল যদি এ.জি.পি. পুনৰ ক্ষমতালৈ আহে তেতিয়াহলে নাহৰকটীয়াক মহকুমা হিচাবে গঠন কৰা হ'ব, দুৰ্ভাগ্যবশত ঃ এ.জি.পি. ক্ষমতালৈ নাহিল। বিগত ইমান বছৰে মই নাহৰকটীয়াৰ পৰা প্ৰতিনিধিত্ব কৰাৰ কাৰণেই হয়তো বিগত চৰকাৰৰ দিনত নাহৰকটীয়াক মহকুমা হিচাবে ঘোষণা কৰা নহ'ল কিয়নো সেই সময়ত কংগ্ৰেছী বিধায়ক আছিলো, ফলত আজি ইমান দিনে ডিব্ৰুগড়ত এখন মহকুমা গঠন নহ'ল। আন আন ঠাইত মাননীয় সদস্য সকলে মহকুমাৰ কাৰণে উত্থাপন কৰিছে তাত আমাৰ আপত্তি নাই। কিন্তু নাহৰকটীয়াত মহকুমা গঠন কৰাৰ ক্ষেত্ৰত যাতে বিশেষ ভাবে বিবেচনা কৰে তাৰ বাবে মাননীয় অধ্যক্ষৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো আৰু আশা কৰিলো সদনৰ মজিয়াত উপস্থিত থকা সদস্য সকলে সন্মতি প্ৰকাশ কৰিব।

* **শ্ৰীএটুৱা মুণ্ডা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কবলৈ বিচাৰিছো টিংখংতেই হওক বা নাহৰকটীয়াত হওক বা মৰাণত হওক, তাত মহকুমা গঠন কৰিলে আমাৰ তেনে ধৰণৰ কোনো আপত্তি নাই কিন্তু চাব লগীয়া কথাটো হ'ল মৰাণ আৰু নাহৰকটীয়াক যাতে ভাগ নকৰে আৰু টিংখং আৰু নাহৰকটীয়াক দুভাগ নকৰে তালৈ লক্ষ্য ৰাখিব লাগে।

* **শ্ৰীশৰৎ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৯৫৮ চনতে মৰাণক মহকুমা কৰাৰ বাবে দাবী কৰা হৈছে। এই সম্পৰ্কত মই অলপ বিস্তৃতভাবে ক'ব বিচাৰিছো। তিনিচুকীয়া জিলা বিভক্ত হোৱাৰ পিচতে শিৱসাগৰ জিলাত নাজিৰা আৰু ডিব্ৰুগড়ত আৰু দুটা মহকুমা মৰান আৰু নাহৰকটীয়াত দিব লাগে। নতুন চাৰডিভিজন দিবলৈ হ'লে মৰাণত দিব লাগে। ডিব্ৰুগড় জিলা দিমৌৰ পৰাই আৰম্ভ হয়। দূৰত্ব হব ৬৫ কিলোমিটাৰ। নামৰূপৰ পৰা ডিব্ৰুগড় দূৰত্বৰ কম হব। নাহৰকটীয়াত মহকুমা দিলেও আপত্তি নাই। মাহমৰাত ৩ টা মৌজা আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী যেতিয়া সাংসদ আছিল তেতিয়াই এই বিষয়টো তেখেঁতক অৱগত কৰা হৈছিল। নিৰ্ব্বাচনৰ সময়ত এই কথাটো প্ৰায় আহে। গতিকে মৰাণত এটা মহকুমা হব লাগে। মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো অসমত যিমান বিলাক জিলা আৰু মহকুমা আছে তাৰ অৱস্থা অতি শোচনীয়। ৰাইজে প্ৰশাসন নিব পৰা

* Speech not corrected

নাই । যাতায়তৰ ব্যৱস্থা নাই, চৰকাৰৰ বিভাগ বিলাক ভাড়া ঘৰত থাকিব লাগে। নতুন যিবিলাক মহকুমা হৈছে তাতো এই ব্যৱস্থা বিলাক নাই। আমি ৰাইজৰ প্ৰতিনিধি। চৰকাৰে সকলো ব্যৱস্থা কৰিহে মহকুমা দিব লাগে।

(সদনত গন্ডগোল)

মৰাণত এটা মহকুমা দিয়াৰ বাবে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক পুনৰ বাৰ অনুৰোধ জনাই মোৰ বক্তব্য সামৰিলো।

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, নলবাৰীৰ পিচতে দ্বিতীয় মহকুমাটো টিহুত হব লাগে। কাৰণ টিহুত সকলো সুবিধা আছে। এই সম্পৰ্কত সকলো ধৰণৰ কাগজ পত্ৰ আৰু মেমোৰেনদাম দিয়া হৈছে। (গণ্ডগোল)

* **শ্ৰীসৰ্ব্বানন্দ সোনোৱাল ঃ** অধ্যক্ষ মহোদয়, মৰাণত এটা মহকুমা দিবলাগে এই কাৰণেই যে, ডিব্ৰুগড় জিলাৰ যি সকল বিধায়ক আছে সেইসকলৰ মাজত এটা সমন্বয় থাকিব লাগে। প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া দেৱে মৰাণ হাইয়াৰ ছেকেণ্ডাৰী স্কুলত হোৱা এখন সভাত মৰানত মহকুমা হব বুলি ঘোষণা কৰিছিল। গতিকে এই বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ে আন্তৰিকতাৰে সৈতে বিবেচনা কৰিবলৈ অনুৰোধ জনালো।

* **ডঃ হৰেণ দাস ঃ** অধ্যক্ষ মহোদয়, হাজো এখন ডাঙৰ ঠাই বুলি মই নকও। হাজোত পোৱা মক্কা, মাধৱ মন্দিৰ আছে। লাখ লাখ মুছলমান জনসাধাৰণে এই পোৱা মক্কাত আহি মাঘ মাহত উৰুচ উৎসৱ পালন কৰে। গতিকে আমাৰ বৈশিষ্ট আছে। হাজোৰ ইনফ্ৰাকট্ৰাকচাৰ আছে। সিদিনা তিতাবৰত মুখ্যমন্ত্ৰীৰ ইলেকচনৰ সভাত কৈছিলো যে, ৬ মাহৰ ভিতৰতে এই সমষ্টিটো ধুনীয়া হৈ আহিব। প্ৰয়াত মহেন্দ্ৰমোহন চৌধুৰী দেৱ মুখ্যমন্ত্ৰী থাকোতেও হাজোত মহকুমা হব বুলি কৈছিল। হাজোত মহকুমা এটা কৰিলে খৰচো বেচি নহয়। গতিকে বিষয়টো মুখ্যমন্ত্ৰী মহোদয়ে বিবেচনা কৰিব বুলি অনুৰোধ কৰিলো।

* **শ্ৰীৰাজু চাহু ঃ** অধ্যক্ষ মহোদয়, চাবুৱা সমষ্টিত ২ টা মহকুমা হৈছে। আৰু এটা মহকুমা হলে সমস্যাহে হব। বিষয়টো বিবেচনা কৰাৰ বাবে মই মুখ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো।

* **শ্ৰীবিদ্যাসিং ইংলেং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কাৰ্বি আংলং জিলাৰ ক্ষেত্ৰত দুষাৰমান কথা কব খুজিছো যে কাৰ্বি আংলং জিলাখন এখন ডাঙৰ জিলা আৰু এই জিলা খনৰ কাম কাজ সুচাৰুৰূপে চলাবৰ কাৰণে আমি ইয়াক দুখন জিলাত বিভক্ত কৰাৰ কাৰণে দাবী জনাই আহিছো। অৱশ্যে আমি তাত এখন জিলা পৰিষদেই থকাতো বিচাৰো। ইয়াৰ আগতেও স্বৰ্গীয় হিতেশ্বৰ শইকীয়া দেৱৰ মন্ত্ৰী সভাই এই জিলা খনক দুভাগ কৰিব বিচাৰিছিল যদিও সেইটো হৈ নুঠিল। গতিকে কাৰ্বি আংলং জিলাখনৰ ভৌগলিক অৱস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনীয় কাম কাজ সুচাৰুৰূপে চলোৱাৰ কাৰণে জিলা খনক দুটা ভাগত ভগায় দুখন জিলাৰ মৰ্য্যদা দিব বুলি মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী

* Speech not corrected

মহোদয়ক অনুৰোধ জনালো।

* **শ্ৰীগোপী নাথ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই বিধান সভাত কেইবাজনো মাননীয় সদস্যই নতুন জিলা আৰু মহকুমা গঠন কৰা সম্পৰ্কত তেওঁলোকৰ দাবী উংখাপন কৰিছে। মই কামৰূপ জিলাৰ বকো সমষ্টিৰ বিধায়ক হিচাবে আপোনাৰ জৰিয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো যে কামৰূপ জিলা খন ৯ টা বিধান সভা সমষ্টিৰে গঠিত। এই আটাইবোৰ সমষ্টিৰে ৩০৭ টা সমষ্টিয়ে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ অৱস্থিত আৰু ইয়াত মাত্ৰ এটাই মহকুমা, সেইটো হৈছে গুৱাহাটী। ক্ষেত্ৰীৰ পৰা গোৱালপাৰা জিলাৰ সীমালৈকে সুদীৰ্ঘ ১২০ কিলোমিটাৰৰ ভিতৰত আৰু অন্য কোনো চাবডিভিজন নাই। গতিকে ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে বকোত এটা চিভিল চাব ডিভিজন হব লাগে। তাত অন্যান্য বিভাগ সমূহৰ চাব ডিভিজন সমূহ হৈছে কিন্তু চিভিল চাব ডিভিজন হোৱা নাই। গতিকে অতি প্ৰায়ৰিটি বেচিচত বকোত এটা চিভিল চাব ডিভিজন দিয়াৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* **শ্ৰীচন্দন কুমাৰ চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা নিবেদন কৰিব খুজিছো যে আমি বিভিন্ন সময়ত বিভিন্ন পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি জিলা আৰু মহকুমা গঠনৰ ক্ষেত্ৰত নানা দাবী উংখাপন কৰি আহিছো আৰু বিভিন্ন সময়ত বিভিন্ন চৰকাৰে ৰাজনৈতিক দিশৰ ওপৰত নিৰ্ভৰ কৰি জিলা আৰু মহকুমা গঠন কৰিছে। এই ক্ষেত্ৰত মই আৰু নতুন মহকুমা লাগে বুলি দাবী নকৰো যদিও এটা কথা উল্লেখ কৰিব খুজিছো যে মোৰ তাত এটা মহকুমা আছে কিন্তু সেইটোৰ আজিলৈকে কোনো কাৰ্য্যালয় নাই। গতিকে এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ কৰিব খুজিছো যে আমি নতুন জিলা বা মহকুমা গঠন কৰাৰ আগতে তাত টকা পইচা দি কাম কাজবোৰ সুচাৰুৰূপে চলাব পৰা যায় নে নাযায়। যদি টকা পইচা দি কাৰ্য্যালয় আদি কৰি কাম কাজ চলাব নোৱাৰে তেনেহলে নতুন জিলা বা মহকুমা কৰি লাভ নাই। আমাৰ আগৰখন চৰকাৰে ৰাইজক বহুতো কিবা কিবি দিব বুলি মাত্ৰ আধাৰ শীলাহে স্থাপন কৰিলে কোনো ঠাইতে একো কাম নহ'ল। গতিকে আমাৰ চৰকাৰে নিশ্চয় এই কথা বিলাকৰ প্ৰতি মনোযোগ দিব আৰু এতিয়াৰ পৰা যিবিলাক অনুস্থান প্ৰতিস্থানৰ কাৰণে আধাৰ শীলা স্থাপন সেই বিলাক যাতে সম্পূৰ্ণ কৰা হয় তাৰ প্ৰতি অনুৰোধ জনালো।

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য শ্ৰীসৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়াই মৰাণত এটা মহকুমা গঠন কৰিব লাগে বুলি দাবী জনায় যিটো প্ৰস্তাৱ আনিছে আৰু সেই প্ৰস্তাৱৰ জৰিয়তে আমি এই বিষয়ে আলোচনা কৰিবলৈ সুবিধা পোৱাৰ কাৰণে তেখেতক ধন্যবাদ জনাইছো। এই ক্ষেত্ৰত মই এটা কথা কব খুজিছো যে ইয়াৰ আগতে ৰাজ্য চৰকাৰে যি খন এম.অ.ইউ. কৰিছে সেইখন তেতিয়াৰ চৰকাৰৰ অমনোযোগিতাৰ কাৰণে বহুতো খুট বৈ গৈছে আৰু সেইকাৰণে এইখনৰ বিৰোধীতা কৰি আমি সকলোৱে

* Speech not corrected

পাৰিলে এটা প্ৰস্তাৱ গ্ৰহন কৰিব লাগে আৰু এই ক্ষেত্ৰত এটা সৰ্ব্ব সন্মত প্ৰস্তাৱ গ্ৰহন কৰি এডমিনিষ্ট্ৰেটিভ কনভেনিয়েন্স দিশৰ প্ৰতি লক্ষ্য ৰাখি নতুন জিলা আৰু মহকুমা গঠন কৰিব লাগে। আজি যিহেতু বিভিন্ন দিশৰ পৰা বিভিন্ন দাবী আহিছে আৰু এই সকলো বিলাক দাবী মুখ্যমন্ত্ৰীয়ে ৰক্ষা কৰাতো সম্ভৱ নহয়, গতিকে এই ক্ষেত্ৰত এখন বিশেষজ্ঞ কমিটি গঠন কৰি নতুন প্ৰস্তাৱ লৈ সকলোৰে গ্ৰহনযোগ্য হোৱাকৈ গুৰুত্ব সহকাৰে কামবোৰ কৰিব পাৰিলেহে আমাৰ ৰাইজৰ আশা আকাংখ্যা পুৰণ হব বুলি ভাবো। আমি বিহপুৰীয়া ৰাইজেও তাত এটা চিভিল চাব ডিভিজন হব লাগে বুলি দাবী জনাই আহিছো। এই অঞ্চলটো অৰুনাচল প্ৰদেশৰ একেবাৰে সীমামুৰীয়া অঞ্চল আৰু সেই কাৰণে ইন্টাৰ ষ্টেটট বৰ্ডাৰৰ অনুন্নত অঞ্চল সমূহৰ ৰাইজৰ চৰকাৰৰ কাষ চপাই অনাৰ কাৰণে তাত এটা নতুন চিভিল চাব ডিভিজন হব বুলি আমি ৰাইজে দাবী কৰিছো আৰু এই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা কৰিলো। এই ক্ষেত্ৰত মই পুনৰ এটা কথা কওঁ যে নতুন জিলা আৰু মহকুমা গঠন কৰা ক্ষেত্ৰত আগৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যি এম.অ.ইউ কৰিছিল এইখন সবসন্ত ভাবে 'নাল এন্ড ভইড' কৰা হওক আৰু ৰাইজৰ প্ৰয়োজনৰ খাতিৰত এইবোৰ পুনৰ বিচাৰ বিবেচনা কৰি সকলোৰে মতামত লৈ কাম বিলাক কৰিব বুলি আশা ৰাখিলো।

* **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাত দ্বিতীয় মহকুমা নাই আমাৰ মাননীয় মুখ্যমন্ত্ৰী, বিত্ত মন্ত্ৰী আৰু স্বাস্থ্য মন্ত্ৰী যোৱা ৰবিবাৰে টিহুলৈ যাওঁতে তাৰ ৰাইজে তাত এটা চিভিল চাব ডিভিজন হব লাগে বুলি দাবী কৰিছিল। এই চাব ডিভিজনটো নমাটি মৌজাৰ 'অসম চিনটেক্স'ৰ ওচৰা-ওচৰিকৈ হব পাৰে বুলি দাবী কৰিছে। গতিকে এই বিষয়ত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা ৰাখিলো। মই মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটা কথা সুধিব খুজিছো যে আমাৰ স্থায়ী ৰাজধানী খন ক'ত হ'ব? এই উত্তৰটোও মুখ্যমন্ত্ৰী ডাঙৰীয়াই ইয়াৰ লগতে দিলে ভাল পাম।

* **শ্ৰীপৰিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীপ্ৰেমধৰ বৰা ডাঙৰীয়াই আগৰ এম.অ.ইউ.খন বাতিল কৰা কাৰণে যিটো প্ৰস্তাৱ আগবঢ়াইছে তাত মই পূৰ্ণ সমৰ্থন জনাইছো আৰু ১৯৭৪ চনৰ পৰা নতুন জিলা আৰু মহকুমা গঠনৰ ক্ষেত্ৰত আমাৰ যিবিলাক দাবী আছে সেই ক্ষেত্ৰত মুখ্যমন্ত্ৰী মহোদয়ে গুৰুত্ব দিব বুলি আশা ৰাখিলো আৰু লগতে শ্ৰীপানীৰাম ৰাভা ডাঙৰীয়াই যিটো প্ৰস্তাৱ আগবঢ়াইছে তাক মই সমৰ্থন জনাইছো।

* **শ্ৰীপ্ৰণয় ৰাভা ঃ** অধ্যক্ষ মহোদয়, আমাৰ গোৱালপাৰা জিলাতো অন্য কোনো মহকুমা নাই। ইয়াৰ আগতে দুধনৈত এটা মহকুমা হব লাগে বুলি বিভিন্ন সময়ত দাবী উৎথাপিত হৈছে আৰু অ.গ.প. কিম্বা কংগ্ৰেছ চৰকাৰৰ মুখ্যমন্ত্ৰী সকলেও তাত মহকুমা দিয়াৰ কাৰণে প্ৰতিশ্ৰুতি দি আহিছে। গতিকে আপোনাৰ জৰিয়তে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে দুধনৈত ৩ এটা চিভিল চাব ডিভিজন দিয়াৰ কাৰণে ব্যৱস্থা কৰে।

---

* Speech not corrected

* **শ্ৰীঅজিত সিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি দেখিছো সকলোৱে মহকুমা বিছাৰিছে আমাৰ বৰাক ভেলিৰ ফালেও চকু দিলে ভাল হয়।

* **শ্ৰীদিলদাৰ ৰেজ্জা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো চৰ এলেকাত। চৰ এলেকাৰ উন্নতিৰ কাৰণে মই মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো।

* **শ্ৰীমনিলাল গোৱালা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে পাথাৰকান্দিটো চাবডিভিজন কৰিবলৈ মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

* **শ্ৰীজামালউদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে মহকুমা লাগে বুলি এই সদনত উৎথাপন কৰিছে। কিন্তু মই কব বিছাৰিছো নালাগে। আজি চাৰি দিন ধৰি যি অৱস্থা দেখিছো। ১৯৭৫ চনৰ মহকুমা গঠন কৰিবলৈ পহৰী কমিচন গঠন কৰা হৈছিল। কিন্তু তাৰ পাছত আজিলৈকে কোনো ধৰণৰ ৰিপোৰ্ট আমি পোৱা নাই। গতিকে নতুনকৈ ২০০১ চনত পহৰী কমিটি গঠন কৰি নিদিলে অসমত মহকুমা গঠন কৰা অসম্ভৱ হ'ব।

* **শ্ৰীসৰ্ব্বানন্দ সোনোৱাল ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত মই এটা কথা স্পষ্টভাৱে জনাব বিছাৰিছো যে কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে গোপনে চুক্তি কৰে, এই সকলোবোৰৰ পৰা আজি অসমৰ জনসাধাৰণ আতৰত আছে। কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসমখন বিক্ৰী কৰা বুলি শাসক দল, বিৰোধী দল, সকলোৱে জানে। কিন্তু অসমৰ জনসাধাৰণৰ পৰা আতৰত কেন্দ্ৰীয় চৰকাৰৰ লগত গোপনে চুক্তি কৰিছে। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাও যে আগন্তুক বিধান সভাত অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ চুক্তিৰ বিতং তথ্য দাঙি ধৰিবলৈ।

* **শ্ৰীভীমানন্দ তাঁতী ঃ** মাননীয় অধ্যক্ষ মহোদয় মোৰ ফালৰ পৰা ঢেকীয়াজুলি খন চাবডিভিজন কৰিবলৈ অনুৰোধ জনালো।

* **শ্ৰীটংক বাহাদুৰ ৰায় ঃ** মাননীয় অধ্যক্ষ মহোদয়, ঢেকীয়াজুলী চাবডিভিজন হ'লে মোৰ সমষ্টি বৰচলা উপকৃত হব। সেয়ে মই মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত অনুৰোধ জনাইছো ঢেকীয়াজুলী চাবডিভিজন কৰিবলৈ।

* **শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰাণ, নাহৰকটীয়াই নহয় মাননীয় সদস্য সকলে যি কেইখন ঠাইৰ কথা কৈছে, বৰাক ভেলিৰো কথা কৈছে দুধনৈ, টিহুও বিছাৰিছে। বিছৰাটো স্বাভাৱিক। এইটো ঠিক দাবী বিলাক বহু দিনৰ পৰাই চলি আছে। নাহৰকটীয়া আৰু টিহুক এচুৰেঞ্চ ও দিছিল। জানো জাচটিফিকেচন আছে লগতে শিৱসাগৰ ডিব্ৰুগড়ৰ ডিচিপুটও আছে এইটো ঠিক যিবিলাক ঠাইত মহকুমা জিলা দিলে সেই অফিচ বিলাকত যিখিনি ইনফ্ৰাষ্ট্ৰাকচাৰ দিব লাগিছিল দিব পৰা নাই। দাবী কৰিছে কিন্তু সম্ভৱপৰ নহয়। ঠিক আমাৰ মাননীয় সদস্য সকলে দাবী কৰিছে কিন্তু অসুবিধা আছে। ফাইনেনচিয়েল কন্সষ্টেইন

* Speech not corrected

নহলেও বিবেচনা কৰিব পাৰিলোহেতেন। চেণ্ট্ৰেল গৰ্মেণ্ট নাকচ কৰাৰ লগতে আছে আমাৰ ৰিচোৰ্চ নাই। আমাৰ ৰিচৰ্চৰ ক্ষেত্ৰত আমি ডিপেনডেন্ট হৈ আছো। আমাৰ যিখিনি ৰেভিনিউ আৰনিং কৰো যথেষ্ট নহয়। চেন্ট্ৰেল গৰ্মেণ্টৰ পৰা পাই আছো। তাৰোপৰি ৰাস্তা, স্বাস্থ্য বিভাগ, খোৱা পানী ইত্যাদিৰ প্ৰবলেম আছেই। আপোনালোকৰ ডিমাণ্ডৰ ওপৰত এখন কমিটি গঠন কৰি দিয়া হৈছে। মহকুমা আমি প্ৰায়ৰটি ধৰণে লম।

## MOTION IN CONNECTION WITH THE ASSAM RIGHT TO INFORMATION BILL

**Mr. Speaker :** Order, Order. I have received a Motion in connection with the Assam Right to Information Bill, 2001 from the Hon'ble Chief Minister.

I now request the Hon'ble Chief Minister to move the motion.

**Shri Tarun Gogoi (Chief Minister) :** Sir, I beg to move "The Assam Right to information Bill, 2001" which is referred to the Select Committee consisting of the following Hon'ble Members :

1. Shri Bharat Chandra Narah – Chairman
2. Dr. Haren Das – Member
3. Shri Ripun Bora
4. Shri Misbahul Islam Laskar
5. Shri Nilmoni Sen Deka
6. Shri Himanta Biswa Sarma
7. Shri Nurjamal Sarkar
8. Shri Tanka Bahadur Rai
9. Smti. Ajanta Neog
10. Shri Gunin Hazarika
11. Shri Bimolangshu Roy
12. Shrimati Pramila Rani Brahma
13. Shri Premodhar Bora
14. Shri Pabindra Deka
15. Shri Dharamsing Teron

---

* Speech not corrected

**Mr. Speaker :** The Committee shall submit its Report within three months from the date of constitution of the Committee.

I now put the motion before the House :

The Motion is that "The Assam Right to Information Bill, 2001" be referred to the select Committee consisting of the following Hon'ble Members of the House.

| | | | |
|---|---|---|---|
| 1. | Shri Bharat Chandra Narah | – | Chairman |
| 2. | Shri Ripun Bora | – | Member |
| 3. | Dr. Haren Das | – | " |
| 4. | Shri Misbahul Islam Laskar | – | " |
| 5. | Shri Nilmoni Sen Deka | – | " |
| 6. | Shri Himanta Biswa Sarma | – | " |
| 7. | Shri Nurjamal Sarkar | – | " |
| 8. | Shri Tanka Bahadur Rai | – | " |
| 9. | Smti. Ajanta Neog | – | " |
| 10. | Shri Gunin Hazarika | – | " |
| 11. | Shri Bimolangshu Roy | – | " |
| 12. | Shrimati Pramila Rani Brahma | – | " |
| 13. | Shri Premodhar Bora | – | " |
| 14. | Shri Pabindra Deka | – | " |
| 15. | Shri Dharamsing Teron | – | " |

The Committee shall submit its Report within three months from the date of constitution of the Committee :

Five Members will form the quorum for sitting of the Committee.

Shri Bharat Chandra Narah, Hon'ble Minister Parliamentary Affairs, etc, Assam will function as Chairman of the Select Committee.

Is it the pleasure of the House to approve the Motion.

The Motion is adopted.

## CALL ATTENTION NOTICE

**Now item No 2.** Shri Himanta Biswa Sarma to call the attention of the Minister, Health & Family Welfare under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Dainik Asom' dated 28.09.2001 under the caption"

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ কাৰ্য্য পৰিচালনাৰ ৫৪ নং নিয়ম মতে মই নীতিগত ভাবে এটা বিষয়ৰ মাননীয় স্বাস্থ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। এই বিষয়টো যোৱা ২৮ চেপ্তেম্বৰৰ দৈনিক অসম কাকতত প্ৰকাশিত হৈছে এই বুলি "বজাৰতকৈ তিনি-চাৰি গুনাধিক মূল্যতো মেডিকেল বস্তু ক্ৰয়"। তাৰ পিছতো আৰু আগতো দৈনিক অসমতে ২৭ তাৰিখেও আৰু আগত একে কথাকে প্ৰকাশ পাইছে। প্ৰতিদিন কাকততো একে কথা প্ৰকাশ পাইছে যে গুৱাহাটী মেডিকেল কলেজত কোটি কোটি টকাৰ দৰব আৰু অন্য সামগ্ৰী সুৰেশ কুমাৰ নামৰ ঠিকাদাৰে যোগান ধৰিছে। মই এইটো অভিযোগ আনিব খোজা নাই আৰু বিষয় বিলাক যিহেতু আগৰ চৰকাৰৰ দিনত মই কাৰো গাঁলে বোকা চটিয়াবও খোজা নাই আৰু কাকো গালি পাৰিবও খোজা নাই যিহেতু সেই মানুহজন আজি ইয়াত উপস্থিত নাই। মই গুৱাহাটী মেডিকেল কলেজৰ কদৰ্য্যতাৰ কথাহে কব বিচাৰিছো। অৱশ্যে আমাৰ বৰ্ত্তমানৰ স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই এতিয়া এই মেডিকেল কলেজখনৰ কাৰণে এখন পৰিচালনা কমিটি কৰি দিছে তাত মোক ভাইচ চেয়াৰমেন হিচাবে ৰাখিছে। বৰ্ত্তমান আমাৰ চৰকাৰে গুৱাহাটী, ডিব্ৰুগড়, শিলচৰ এই তিনিখন মেডিকেল কলেজক বিভিন্ন ধৰণে মডেল হস্পিটাললৈ আপগ্ৰেদ কৰিব বিছাৰিছে। সেই হিচাবে এই কলেজলৈ ৩০ লাখ টকা দিয়া হয় অকল ঔষধ কিনিবৰ কাৰণে, অৱশ্যে এই সংখ্যাটো কেতিয়াবা ডেৰি কৰে। ৩০ লাখ টকা দিয়ে অকল ঔষধৰ কাৰণে তাতো অৱশ্যে অধীক্ষক জনে দিশপুৰৰ হেচোত যদি ২০ টা এন্টিবায়োটিকৰ দৰকাৰ ১০০ কিনি থয় তথাপিও কিন্তু দুখীয়া বেমাৰীসকল ঔষধৰ পৰা বঞ্চিত হয়। আচলতে দুখীয়া যিবিলাক বেমাৰী যি ডাউন টাউন হস্পিটাল বা অন্য দামী নাৰ্চিং হোমত যাব নোৱাৰে তেওঁলোকেহে মেডিকেল কলেজলৈ যায় তেওঁলোকে কিন্তু সাধাৰণ ঔষধখিনিও নাপায়। দেশৰ ইমান বিত্ত নাটনিৰ দিনতো আমাৰ স্বাস্থ্যমন্ত্ৰী, বিত্ত তথা মুখ্যমন্ত্ৰী ডাঙৰীয়াই বহুত কষ্ট কৰিও দুখীয়া লোক সকলৰ কাৰণে ইমান টকা মোকলাই দিয়ে ঔষধৰ কাৰণে তথাপি কিন্তু দুখীয়া লোক সকলে মেডিকেলৰ পৰা ঔষধ নাপায়। এই ৩০ লাখ টকা মাত্ৰ মেডিকেল কলেজৰ কাৰণেহে পি.এইচ ডি বা চিঁইটচ বিলাকৰ কাৰণে আৰু বেলেগ আছেই। এইটো বৰ গুৰুত্বপূৰ্ণ কথা। বেমাৰী ঔষধ নাপায় কিন্তু কৰ্ম্মচাৰীয়ে ভাল পোছাক পিন্ধিবৰ কাৰণে চাৰ্ট পেন্টৰ ব্যৱস্থা কৰিছিল আৰু তাৰ দায়িত্ব দিছিল সুলভ ইন্টাৰনেচনেলক। মেডিকেল

* Speech not corrected

কলেজখনৰ লেট্ৰিন বাথৰূমৰ অৱস্থা দেখিলে দুখ লগা লেট্ৰিন বাথৰূমত মানুহ সোমাব নোৱাৰে। আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ে নিশ্চয় দেখিছে। এতিয়া কথা হ'ল এই ৩০ লাখ টকাৰ মেডিচিন যে কিনে মেডিচিন বিলাক যায় ক'লৈ ? ৩০ লাখ টকাৰ মেডিচিন সচাঁকে যোগান ধৰিলে তাৰ অৱস্থাই বেলেগ হৈ গ'লহেতেন। আমি জনাত ইয়াৰ অংশ লয় সুৰেশ কুমাৰে। আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয় সচাঁকে দয়ালু ব্যক্তি, তেখেতক দুখীয়াৰ বন্ধু বুলি কয়, নামনি অসমত তেখেত দুখীয়াৰ বন্ধু হিচাপে পৰিচিত। তেখেত সজাগ হব লাগে তেখেতে চাব লাগে যাতে মেডিচিনৰ নামত এই চিকিৎসা মহাবিদ্যালয় কেইখনত এটা পইছাও মিচ এপ্ৰোপিয়েচন কৰিব নোৱাৰে তাৰ চেষ্টা কৰিব। এই ৩০ লাখ টকাৰ কি কি ঔষধ কিনিছে তাক বোৰ্ডত লিখি থোৱাৰ ব্যৱস্থা কৰক, চেলাইনত কিমান টকা দিছে, অন্য ঔষধত ইমান টকাৰ কিনিছো বুলি। আজি মেডিকেল কলেজত দুখীয়া মানুহৰ কাৰণে ঔষধ নাই অৱশ্যে মেডিকেল কলেজখনৰ পৰিচালনা সমিতিৰ মোক ভাইচ চেয়াৰমেন কৰি দিছে। আমি কলেজখনৰ যিয়েই নকৰো কিয় তেওঁলোকৰ কিন্তু মাইন চেট হোৱা নাই। আমাৰ মুখ্য মন্ত্ৰী গঁগে ডাঙৰীয়াই যিমানেই দেশৰ উন্নয়নৰ কথা নকওক কিয় হস্পিটলৰ বিষয়া কৰ্ম্মচাৰীৰ কিন্তু মাইন চেট হোৱা নাই, মাইন চেট আমি তেওঁলোকৰ কৰিব পৰা নাই কিবা যে চৰকাৰ বদলিছে কিবা হব তেওঁলোকৰ সেই ভাবেই নাই। মই এই ৫৪ নং নিয়ম অনুসাৰে যে এই বিষয়টো আলোচনা কৰিব বিছাৰিছো কাৰোবাৰ প্ৰতি অভিযোগ কৰিবৰ কাৰণে নহয়, মই নকও যে কিবা এটা অনুসন্ধান কৰক কাৰণ কিমান অনুসন্ধান কৰিব সকলো কথাই যদি অনুসন্ধান কৰি থাকিব লাগে তেনেহলে অনুসন্ধান এটা বিভাগেই খুলিব লাগিব। মই মাত্ৰ এটাই পৰামৰ্শ দিব খুজিছো যে আমি যে ৩০ লাখ টকাৰ ঔষধ কিনি দিছো তাৰ কাৰণে এখন বোৰ্ড কৰক তাত লিখি দিয়ক কি ঔষধ কিমানত কিনিছো বুলি। মই কৈছো এটা টোটেল টেন্সপাৰেঞ্চি হ'ব লাগে, মেডিকেল কলেজ কেইখনক কেন্দ্ৰীয়ভাবে একোমোদেট কৰিব লাগে। মেডিকেল কলেজৰ বাথৰূম লেট্ৰিন দেখিলে দুখ লাগে এই বিলাক ব্যৱহাৰৰ উপযোগী নহয়। মেডিকেল কলেজখনত যাতে দুৰ্নীতিয়ে আৰু গা কৰিব নোৱাৰে তাৰ কাৰণে আমি সচেতন হৈ থাকিব লাগিব। ক'ৰবাত কিবা দেখিলে তাক ক্ষমা কৰিব নালাগে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিল যে মেডিকেল কলেজৰ কাৰণে এটা চাৰ্জে হব লাগে, তাত কিছুমান পেয়িং কেবিন কৰিব লাগে আৰু সেই পেয়িং কেবিনৰ পৰা পোৱা টকাখিনি দুখীয়ালোকৰ চিকিৎসাৰ কাৰণে দাইভাৰ্ট কৰিব লাগে। তেখেতে বহুত বিলাক ভাল ভাল পৰামৰ্শ দিছে পেয়িং কেবিনৰ পৰা পোৱা পইছাৰে ইনফাষ্ট্ৰাকচাৰে দেভেলপ কৰিব লাগে। মই শিলচৰ ডিব্ৰুগড় মেডিকেল কলেজৰ কথা নকও কাৰণ মোৰ অভিজ্ঞতা নাই কিন্তু গুৱাহাটী মেডিকেল কলেজৰ পৰা আমি ১০ লাখ টকা ৰেভিনিউ পাও, সেই টকাৰে যিহেতু বেমাৰীৰ টকা আকৌ বেমাৰীৰ

* Speech not corrected

কাৰণে ঔষধ কিনিব পাৰো। স্বাস্থ্যমন্ত্ৰী মহোদয়ে এইটো চেলেঞ্জ হিচাৱে লওক, তেখেতক দুখীয়াৰ বন্ধু বুলি জানে তেখেতে প্ৰত্যক্ষ হস্তক্ষেপ কৰক চিকিৎসালয় কেইখনৰ উন্নতি কৰক। মই এইটো অভিযোগৰ ভিত্তিত কথা কোৱা নাই মই মাত্ৰ ৰেটিফিকেচনৰ কাৰণে কৈছো। ৫০ লাখ টকাৰ ঔষধ কিনিছো কিন্তু কিয় দুখীয়া লোকে ঔষধ নাপায়? মই আজিয়ে কোৱা নহয় সদায়ে কম। এই চিকিৎসালয়ৰ উন্নয়ণৰ কাৰণে ভবিষ্যতেও আমি মাত মাতি যাম আমি আজিয়ে অধ্যক্ষ মহোদয়ক কৈ ৰাখিলো। আৰু কৈ যোৱাৰ কাৰণে আজিয়ে অধ্যক্ষ মহোদয়ৰ অনুমতি বিচাৰিছো।

এইখিনিকে কৈ মই মোৰ বক্তৃতা সামৰণী মাৰিবলে।

*** ড°হৰেণ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াই কোৱা কথাখিনিত মই একমত। বাতৰিত কোৱা কথাখিনিৰ সত্যতা নোহোৱা নহয়। কাৰণ যিটো টেবলেট আমি বাহিৰত ৫০ পইছাত কিনো সেই একেটা টেবলেটকে আমি মেডিকেল কলেজৰ পাৰা ১.৫০ পইচাত লবলগীয়া হয়। একেটা বস্তুৰ দাম ইমান কম বেছি কেনেকৈ হ'ল বুজি নাপালো। মই আমাৰ স্বাস্থ্য মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে মাৰ্কেট ছাৰ্ভে কৰক। আমি এইখিনি পইছাৰে দুখীয়া লোকক সহায় কৰিব পাৰিম। আমাৰ শৰ্ম্মা ডাঙৰীয়াই ঠিকেই কৈছে। আমি স্বাস্থ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো তেখেত দুখীয়াৰ বন্ধু বুলি সকলোৱে জানে। তেখেতে মাজে মাজে হস্পিটলত চাৰপ্ৰাইজ চেক দিয়ক। মেডিকেল কলেজৰ যিবিলাক যন্ত্ৰপাতি কামত লগাব পৰা নাই এনেয়ে পৰি আছে সেই বিলাক চালু কৰক। আৰু এটা কথা গাড়ী বিলাক কি অৱস্থাত আছে জানিব দিয়ক। সদনৰ সকলো সদস্য আপোনাৰ লগত আছে আপুনি কাম কৰক।

*** ড° আনন্দ ৰাম বৰুৱা ঃ** অধ্যক্ষ মহোদয়, মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্ম্মা আৰু ড° হৰেণ দাস ডাঙৰীয়াই যি কেইটা কথা কৈছে তাৰ লগত মই কেইটামান কথা যোগ কৰিব বিচাৰিছো, অকল মেডিকেল কলেজ কেইখনৰ কথা চিন্তা কৰিলেই নহব আমাৰ বিভিন্ন ঠাইত যিবিলাক হস্পিতাল আছে সেইবিলাকত কটন নাই, বেজি নাই, নাইনল সূতা নাই, মুঠতে লাগতিয়াল একো বস্তু পাবলৈ নাই, মেডিকেল কলেজৰো একেই অৱস্থা। মই নিজেই মেডিকেল কলেজলৈ এজন ৰোগী লৈ আহিছিলো তেতিয়া এই খিনি বস্তু লৈ আহক বুলি এখন লিষ্ট লিখি দিলে, আনকি বেগুেজো কিনি আনিব লগা হৈছিল। এইটো মাত্ৰ এটা উদাহৰণহে। গাওঁ অঞ্চলত যিবিলাক হস্পিতাল আছে তাত ঔষধ নাই, তাত ঔষধ যোগান ধৰিব লাগে। দুটকাৰ পৰা আঠ টকীয়া কেপচুলবোৰ বেছিকৈ যোগান ধৰিব লাগে। গাওঁ অঞ্চলত এনে কিছুমান হস্পিতাল আছে য'ত টেবুল চকিয়েই নাই।

অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে স্বাস্থ্যমন্ত্ৰী মহোদয়ক জনাব বিচাৰিছোঁ যে অকল মেডিকেল কলেজৰ কথাই নহয় বিভিন্ন জিলাত যিবিলাক চিভিল হস্পিতাল আছে,

* Speech not corrected

গাওঁ অঞ্চলত যিবিলাক ডিচপেন্সৰি আছে সকলোত একোখন এডভাইচৰি কমিটী গঠন কৰি উপদেশ দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই খিনিয়েই মোৰ স্বাস্থ্যমন্ত্ৰীৰ প্ৰতি পৰামৰ্শ।

ধন্যবাদ।

* **শ্ৰীবিপুল বৰা** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ত এটা মাথোন কথা যোগ দিব খুজিছোঁ। মেডিকেল কলেজৰ লগতে গাঁৱৰ হস্পিতালবোৰৰ দুৰৱস্থা। বহুত ডাক্তৰ নাই, নাৰ্চ নাই, নোহোৱাকৈ হস্পিতাল চলি আছে। নামত ঘৰ আছে ডাক্তৰ নাৰ্চ নাই। বেমাৰী হস্পিতাললৈ গৈ ঘুৰি আহিব লগা হয়।

মই স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াক অভিনন্দন জনাইছোঁ যে চাৰি মাহৰ ভিতৰতে তেখেতে বহুত খিনি কৰিছে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে চাব চেন্টাৰবোৰত একোগৰাকী নাৰ্চ লাগে। কিন্তু সেই গৰাকী কোনো দিন হস্পিতাললৈ নেযায়। আকৌ পি এইচ ডিয়েই হওক বা চি এইচ চিয়েই হওক ডাক্তৰ নিযুক্ত হৈছে কিন্তু হস্পিতাললৈ নেযায় অন্যত এটাচ হৈ থাকে। এই অভিযোগ বিলাকৰ প্ৰতি হিমন্ত বিশ্ব শৰ্ম্মাৰ লগতে ময়ো আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছো যাতে মেডিকেল কলেজৰ অৱস্থা উন্নত কৰাৰ লগতে আমাৰ গাওঁ অঞ্চলত থকা চিকিৎসালয় বিলাকলৈ ডাক্তৰ নিয়াৰ ব্যৱস্থা কৰক। চাব চেন্টাৰ বিলাকত নাৰ্চ থকাৰ কাৰণে কঠোৰ ব্যৱস্থা লোৱাৰ কাৰণে পৰামৰ্শ আগবঢ়ালো।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা প্ৰশ্ন কৰিব খুজিছো। এইখিনিতে মই শ্ৰীহিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনাইছো। সুৰেশ কুমাৰেই অকল নহয় হংসৰাজ পাটোৱাৰীৰ বিৰুদ্ধেও ব্যৱস্থা লব লাগে।

অধ্যক্ষ মহোদয়, হংসৰাজ পাটোৱাৰীয়ে বিভিন্ন সময়ত অসমত ঔষধ যোগান ধৰিছিল আৰু এইজন হংসৰাজে ওপৰৰ শ্ৰেণীৰ বিষয়াক বিনা পইচাৰে ঘুৰাই ফুৰাইছিল। ক'ৰ পইচাৰে তেওঁ এইবিলাক কৰিছিল? আমাৰ নতুন স্বাস্থ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগত নতুন নীতি অৱলম্বন কৰিবলৈ বিচাৰিছে, কিন্তু ইফালে আয়ুক্ত সচিৱক খেদাবলৈ চক্ৰান্ত কৰিছে হংসৰাজ পাটোৱাৰীয়ে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই জনৰ বিৰুদ্ধে কি ব্যৱস্থা লৈছে জনাব লাগে।

অধ্যক্ষ মহোদয়, মেডিকেল কলেজত পেচ মেকাৰ বনোৱা মেচিনটো এনেয়ে পৰি আছে। ২২ লাখ টকা দি এইটো কিনা হৈছিল। জাপানৰ এক্সপাৰ্টে এই মেচিনটো বনোৱাতকৈ এটা নতুন মেচিন কিনাই ভাল হব বুলি পৰামৰ্শ দিছে।

(ধ্বনী-এইটো কেতিয়াৰ কথা ?)

১৯৯৬ চনৰ পৰা ২০০১ লৈ চৰকাৰে তদন্ত কৰক।

অধ্যক্ষ মহোদয় ২২ লাখ টকা খৰচ কৰি এটা পুৰণা মেচিন কিনা হৈছিল আৰু বিভিন্ন সময়ত জিলা বিলাকলৈ বিশেষকৈ শিলচৰলৈ ১০ হেজাৰ এক্সেৰে প্লেট পঠাইছিল যিবিলাকত ফটোৱেই নাহে। এই বিভাগত বিভিন্ন সময়ত হোৱা দুৰ্নীতিবিলাক তদন্ত হব লাগে। তিনিখন

* Speech not corrected

চিকিৎসা মহাবিদ্যালয় আৰু গাঁৱত থকা স্বাস্থ্য কেন্দ্ৰবোৰৰ কথা কোৱা হৈছে, সেইবোৰৰ তাতোৰেই ব্লাড বেংক নাই। উপাযুক্ত লগ লাগি এটা ব্লাড বেংক বনোৱাৰ চেষ্টা কৰিছিল, হোৱা নাই। আইনমতে ব্লাড বেংক নাথাকিলে তেজ দিব নোৱাৰে। ধেমাজীত কিবা এটা হলে লক্ষীমপুৰলৈ যাব লাগে। মাজত জীয়াঢল নৈ খন থকাৰ কাৰণে ঘূৰি ঘূৰি যাব লাগে। গতিকে ধেমাজীত অতি সোনকালে এটা ব্লাড বেংক দিয়াৰ কাৰণে অনুৰোধ জনাইছো। লগতে চ ক্ৰান্তকাৰী বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লবলৈও দাবী জনাইছো।

* শ্ৰীসৰ্ব্বানন্দ সোণোৱাল ঃ মাননীয় সভাপতি মহোদয়, মাননীয় সদস্য শ্ৰীহিমন্ত বিশ্ব শৰ্ম্মা ডাঙৰীয়াক আজি এই বিষয়টো আলোচনাৰ বাবে উত্থাপন কৰাৰ বাবে ধন্যবাদ জনাইছো। সভাপতি মহোদয়, আজি অসমৰ যিবিলাক চিকিৎসালয় আছে সেই সকলোবোৰ চিকিৎসালয়ৰে অৱস্থা অতি শোচনীয়। আজি মাননীয় সদস্য সকলে নিজ নিজ সমষ্টিৰ চিকিৎসালয়ৰ অৱস্থাৰ কথা উল্লেখ কৰিছে। আজি প্ৰত্যেক গৰাকী সদস্যই এটা কথাত নিশ্চয় একমত হ'ব যে সমগ্ৰ অসমৰে চিকিৎসালয়ৰ অৱস্থা অতি দুখলগা। আজি অসম ৰাজ্যৰ বিত্তীয় অৱস্থাৰ কথা সকলোৰে জানে। সভাপতি মহোদয়, মই মাননীয় স্বাস্থ্য মন্ত্ৰী মহোদয়ক অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ অৱস্থাৰ বিষয়ে কবলৈ বিচাৰিছো। আজি অসমৰ তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ ভিতৰতে পুৰণি চিকিৎসা মহাবিদ্যালয়খন হৈছে ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়। এই অতি পুৰণি চিকিৎসালয়খনৰ অৱস্থা বিভিন্ন ৰাজ্য চৰকাৰৰ দিনতো কিন্তু একো উন্নতি পৰিলক্ষিত হোৱা নাই। এইখন চিকিৎসা মহাবিদ্যালয় তাহানি বৃটিছৰ দিনতে আৰম্ভ হৈছিল। তেতিয়া এই মহাবিদ্যালয়খনৰ এটা সুনাম আছিল। আজিও কোনোবা মানুহক এই তিনিও মহাবিদ্যালয়ৰ কথা সুধিলে প্ৰথমতে ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ কথাকে কয়। এই তিনিওখন মহাবিদ্যলয়ৰ কাৰণে যিখিনি সা-সুবিধা দিব লাগে সেইখিনি সা-সুবিধা কোনো এখন চৰকাৰেই আগবঢ়াব পৰা নাই। মাননীয় সভাপতি মহোদয়, আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অৱস্থা অতি দুখ লগা। মই খাদ্যত বিষ ক্ৰিয়াত আক্ৰান্তসকলৰ খবৰ লবলৈ যাওতে নাকত ৰুমাল দিহে যাবলগীয়া হৈছিল। তাত মই চিকিৎসালয়খনৰ চুপাৰিটেনদেন্ট আৰু বিভিন্ন বিভাগৰ মূৰব্বী অধ্যাপক সকলক লগ পাইছিলো আৰু সেইখনৰ পৰিস্কাৰ-পৰিচ্চন্নতা সম্পৰ্কে সোধাত তেওঁলোকে বিত্তীয় নাটনিৰ দোহাই দিছিল। পৰিস্কাৰ পৰিচ্ছন্নতাই ঈশ্বৰ পৰায়ণ। গতিকে চিকিৎসা মহাবিদ্যালয়খন পৰিষ্কাৰ পৰিচ্চন্নতা হলেহে ৰোগী সকলৰ লগতে চিকিৎসক সকলেও সকাহ পায়। গতিকে সভাপতি মহোদয়, এই তিনিওখন চিকিৎসা মহাবিদ্যালয়ৰ যিখিনি ডেফিচিয়েনচি আছে, সেইখিনি ৰাজ্য চৰকাৰে যিকোনা উপায়েৰে আতৰ কৰি চিকিৎসা মহাবিদ্যালয় কেইখন উন্নত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

সভাপতি মহোদয়, আৰু এটা অভিযোগ আহিছে যে চিকিৎসা মহাবিদ্যালয় কেইখনত অস্ত্ৰোপ্ৰচাৰ কৰিলে ডাক্তৰ সকলে ৰোগীৰ পৰা পইচা লয়। আমি সকলোৰে জানো যে

* Speech not corrected

ডাক্তৰ সকলে দৰমহা পায়। সেয়েহে মাননীয় মন্ত্ৰী মহোদয়ক মই আজি এটা পৰামৰ্শ দিব বিচাৰিছো যে এই দুৰৱস্থাসমূহ আতৰ কৰাৰ বাবে স্বাস্থ্য আদালত গঠন কৰি প্ৰত্যেক এমাহ বা তিনিমাহৰ আতঁৰে আতঁৰে বহি এই বিষয়সমূহ নিস্পত্তি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় সভাপতি ঃ** আপোনালোকে অলপ চমুকৈ কওঁক। কোৱা বিলাকেই কৈ থাকিব নালাগে। নতুন বিলাককো অলপ সুবিধা দিয়ক।

* **শ্ৰীপংকজ বৰা ঃ** মাননীয় সভাপতি মহোদয়, মই বেছি সময় নলও। মাত্ৰ দুটামান কথা কম। আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে যে গঠনমূলক পৰামৰ্শ দিলে তেখেতে গ্ৰহণ কৰিব। মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্ম্মাই আজি সদনত যিকেইটা পৰামৰ্শ দিছে তাত আমিও একমত। আজি আমি তিনিওখন চিকিৎসা মহাবিদ্যালয় উন্নত কৰিব পাৰো তাৰহে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়খনৰ অৱস্থাৰ বিষয়ে কোৱা হৈছে। যদিও মই গুৱাহাটীতে থাকো তথাপি এইখনক লৈ অসমৰ মানুহৰ কথা আছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ কথা ওলালেই কোৱা হয় কপাহ নাই, বেণ্ডিজ নাই আদি বিভিন্ন কথা ওলাইছে। মই ভাবো এইবিলাকৰ নিশ্চয় তদন্ত হ'ব। এই চিকিৎসালয়খন পৰিষ্কাৰ কৰাৰ কাৰণে কৰ্ম্মচাৰী আছে, তথাপি তেওঁলোকে ডেইলি ওৱেজত মানুহ লয়। শেষত মই মাননীয় সভাপতিৰ যোগেদি আমাৰ মাননীয় স্বাস্থ্যমন্ত্ৰীক এটা কথাই কব খুজিছো যে এজন ভাল প্ৰশাসকক নিযুক্তি দিব লাগে।

* **শ্ৰীৰাজীৱ লোচন পেগু ঃ** মাননীয় সভাপতি মহোদয়, আজি এই স্বাস্থ্য বিভাগৰ বিষয়টো আমাৰ মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্ম্মাই অনাৰ বাবে তেখেতক ধন্যবাদ জনাইছো। সভাপতি মহোদয়, এইটো ঠিক যে তিনিওখন চিকিৎসা মহাবিদ্যালয়তে আজি যিটো অৱস্থাৰ সৃষ্টি হৈছে তাক আমাৰ মাননীয় সদস্য সকলৰ উপৰিও আমাৰ মাননীয় মন্ত্ৰী মহোদয়ৰো জ্ঞাত। সভাপতি মহোদয়, এইখিনিতে মই আমাৰ মাজুলীৰ কথা অলপ কব বিচাৰিছো। মাজুলী আজি চিকিৎসাৰ নামত ভগবানৰ ওপৰত এৰি দিয়া হয়। আমাৰ কিছুমান এনেকুৱা চৰ-চাপৰি আছে, তাত নাৱৰ ওপৰত থিয় হৈ ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰা হয় বেমাৰ ভাল হওঁক বুলি। আমাৰ তাত প্ৰাইমাৰী হেল্‌থ চেণ্টাৰ, চাব চেণ্টাৰ আছে যদিও সেইবোৰত জ্বৰ, কাহৰ কোনো দৰব পাবলৈ নাই। সভাপতি মহোদয়, আৰু এটা কথাৰ প্ৰতি মই মাননীয় স্বাস্থ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আহতগুৰি পঞ্চায়তত এখন পি.এইচ. আছিল। কিন্তু সেইখন গড়াখহনীয়াই খহাই লৈ গৈছে। তাত যিজন ডাক্তৰ আছিল তেখেতে আজিও সেইখনৰ বিপৰীতে দৰমহা লৈ আছে। ডাক্তৰজনক সুধিলে কয় যে আহতগুৰি চিকিৎসালয়খন বনাই দিলেহে তেখেতে তাত থাকিব। সভাপতি মহোদয়, আমাৰ আৰু এখন পি. এইচ.চি. আছে, কিন্তু তাত ডাক্তৰ নাই। তাত এজন চকীদাৰহে আছে। বৰ্ত্তমান সেই চিকিৎসালয় খনত চকীদাৰজনে চালি এখন সাজি সাক্ষী হৈ আছে। কিন্তু ডাক্তৰে

* Speech not corrected

দৰমহা লৈ আছে। সেয়েহে মাননীয় মন্ত্রী মহোদয়ে বিষয়টো অতি সোনকালে তদন্তৰ ব্যৱস্থা কৰি সেই অঞ্চলত চিকিৎসা সেৱা উন্নত কৰিব বুলি আশা কৰি মোৰ বক্তব্যৰ সমাৰণি মাৰিলো।

* **Capt. Rabin Bordoloi :** I would like to draw the attention of the Hon'ble Minister, Health & F. W. about the health condition of the people in general and whatever the earlier Hon'ble Member said. I would like to mention not only about the Medical Colleges but also about the PHCs and sub-centres. In my constituency there are a number of PHCs and Sub-Centres but they are without any repairing or maintenance. I would like to mention that yesterday at about 5 o'clock, I got an information from a place near Sonapur adjacent to Meghalaya border of my constituency that a boy of about 5 years old who was suffering from dysentery died in the way to Guwahati, where he was supposed to brought for treatment. Sir, there are sub-centres but without medicines, nurses and Doctors. Sir, not only sub-centres but also PHCs in my constituency which are not functioning at all. Sir no Doctors are available. Sir I would also like to mention that some Homeopath and Ayurvedic Doctors are there. But many a times they are not available. There is no hygiene and sanitation in the PHs and Sub-centres.

**Mr. Chairman :** Kindly make the speech very short. Because, a very important discussion on Sarbamangalam is going to be done now. Hon'ble Minister, Health & F.W. is very ill but he has assured that steps in regard to the problems as raised by the Hon'ble Members concerning to Health and F.W. will be taken early.

* **শ্ৰীওৱাজেদ আলী চৌধুৰী ঃ** মাননীয় সভাপতি মহোদয়, ইতিমধ্যে আমাৰ মাননীয় সদস্য সকলে গাওঁ অঞ্চলত ডাক্তৰ নাই, নাৰ্চ নাই ঔষধ নাই ইত্যাদি বিষয়ে কৈছেই। আমাৰ ধুবুৰী জিলাতো আমি জনা মতে প্ৰায় ৬০ জন ডাক্তৰৰ পোষ্ট খালী হৈ আছে। এইখিনিতে মই আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে অসমত বহুত মানুহে আৰ্য়ুবেদিক ডাক্তৰ পাছ কৰি বহি আছে। এম. বি. বি. এচৰ পোষ্টতো বহু খালী আছে। এই আৰ্য়ুবেদিক ডাক্তৰখিনিক নিযুক্তি দি গাওঁলৈ পঠাব পাৰি নেকি তাৰ ব্যৱস্থা কৰিব লাগে।

* **ডাঃ ভূমিধৰ বৰ্মন (মন্ত্ৰী) ঃ** মাননীয় সভাপতি মহোদয়, মেডিকেল কলেজৰ ঔষধ ক্ৰয় সম্পৰ্কে,

---

* Speech not corrected

ঔষধৰ দুৰ্নীতি সম্পৰ্কে মাননীয় সদস্য হিমন্ত বিশ্ব শৰ্মাই যিটো আলোচনা আৰম্ভ কৰিছে তাত মই ভাল পাইছো। লগতে আমাৰ মাননীয় সদস্য সকলে নিজে নিজে অংশীদাৰ হবলৈ আগবাঢ়ি অহাৰ বাবে মই তেখেত সকলক ধন্যবাদ জনাইছো। আমি জানো যে স্বাস্থ্যই পৰম ধন। এইটোত সকলোৱে গুৰুত্ব দিব লাগে। আমাৰ মাননীয় সদস্য শৰ্মা ডাঙৰীয়াই কোৱাৰ দৰে মেডিকেল কলেজ কেইখনত কিছুমান ঘটনা ঘটিছে। আমি সেইবিলাকৰ ওপৰত সম্পূৰ্ণ তদন্ত কৰিবলৈ দিছো আৰু তদন্ত আৰম্ভ হৈছে। দ্বিতীয়তে-স্বাস্থ্য বিভাগে যিখিনি টকা ঔষধ কিনিবৰ কাৰণে দিয়ে সেইখিনিৰ যাতে সৎ ব্যৱহাৰ হয় তাৰ আমি ব্যৱস্থা কৰি আছো। সভাপতি মহোদয়, মইও এজন ডাক্তৰ আৰু সেই হিচাপে কওঁ যে যিখিনি ধন দিয়া হয় সেইখিনি যদি সৎ ব্যৱহাৰ হয় তেনেহলে দুখীয়া ৰাইজ উপকৃত হ'ব।

মাননীয় সভাপতি মহোদয়, অন্ততঃ আমি প্ৰয়োজনীয় ঔষধ খিনি দিবলৈ সক্ষম হম। ইয়াৰ ভিতৰত কেইবাটাও কথা আছে, কিছুমান প্ৰয়োজন নহয় আৰু কিছুমান প্ৰয়োজন হয় অৱশ্যে ভিটামিনৰ প্ৰয়োজন আছে। এতিয়াৰ পৰা আমি বেছি প্ৰয়োজনীয় ঔষধ বেছিকৈ দিয়াৰ ব্যৱস্থা লম অৱশ্যে কমপ্ৰয়োজনীয় বিলাকো কেতিয়াবা প্ৰয়োজন হয়। কিছুমান ঔষধ আছে কম সময়ত মোৰ নিজৰ অভিজ্ঞতা আছে। কিছুমান ঔষধ কিনা হয় যি বিলাক বছৰৰ পিছত বছৰ অ-ব্যৱহৃত হৈ পৰি থাকে আৰু তাৰম্যাদ উকলী যায়।

মাননীয় সদস্য শ্ৰীহিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই ঠিকেই কৈছে যে মেডিকেল কলেজ কেই খনত ৫০ লাখ কৈ টকা দিয়া হয়, এইখিনি কম টকা নহয়, এই খিনিৰ সৎ ব্যৱহাৰ হ'ব লাগে। সেই কাৰণে আমি নতুন নীতি এটা লৈছো কোম্পানীয়ে আহি ঔষধ কিনিবলৈ দিলে কিনা নহব। মেডিকেল কলেজৰ প্ৰিনচিপাল আৰু প্ৰতিটো বিভাগৰ মুৰব্বীৰ আলোচনাৰ মৰ্মে ঔষধৰ এখন লিষ্ট হব আৰু সেই লিষ্ট মতে কিনিবলৈ দিয়া হব আৰু মেডিকেল কলেজৰ অধীক্ষকে সেই মতে ঔষধ কিনিব পাৰিব। ঔষধৰ উপৰিও যন্ত্ৰপাতি বিলাক সেই মতে কিনা হব। এইটো তিনিওখন মেডিকেল কলেজতে হব। আমাৰ যি বিলাক পি এইচ চি আছে সেইবিলাকত লাখ লাখ টকাৰ যন্ত্ৰপাতি অ-ব্যৱহৃত হৈ পৰি আছে। আপোনালোকে কেথলেগৰ কথা জানে, সেই কেথলেগ আজি তাত পৰি আছে, ভাল কৰিব পৰা নহয়। আৰু বহুত যন্ত্ৰপাতি আছে যাক ভাল কৰিব পৰা নহয় সেইবোৰ কেজি হিচাবে বিক্ৰি হব। গোটেই বস্তু বিলাক আমি চাব লাগিব সেই বিলাকৰ এটা 'এনকুৱাৰী' কৰিব লাগিব। আমি এইটোও দেখিবলৈ পাইছো ঘৰটো বনোৱা শেষ হোৱা নাই তেওঁলোকে যন্ত্ৰ-পাতি কিনাত অধিক গুৰুত্ব দিছে। তাত কিবা এটা আছে নহলে এনে হয়নে। যন্ত্ৰপাতি কিনি আনি বাৰান্দাত ৰখাও দেখিছো। অৱশ্যে কেতিয়াবা কেন্দ্ৰৰ পৰাও আহে, সেইটো 'ডাইৰেক্ট' আহে। আঠুৱা কিনাৰ ক্ষেত্ৰত যি আঠুৱা দিছিলে অতি নিম্নমানৰ এইটো চি বি আইৰ 'এনকুৱাৰী' হৈছে। কোটি কোটি টকাৰ লোকচান হ'ল। এতিয়া আমি সেইবিলাক হবলৈ নিদিও। আমাৰ যি নতুন নীতি লোৱা হৈছে সেই মতে কাম কৰিব লাগিব। আমাৰ মাননীয়

সদস্য সকলে ইয়াত সহায় সহযোগ কৰিব তেখেত সকলে নিজৰ সমষ্টিটোত কিবা অনিয়ম হলে জনাব। মই আৰু এটা কথা মাননীয় সদস্য সকলক কবলৈ বিচাৰিছো যদি তেখেত সকলে 'এটাচমেন্ট'ৰ বিষয়ে অনুৰোধ নকৰে তেতিয়া হলে এইটো বন্ধ কৰিব পৰা যাব। আমি দেখিছো গাওঁ অঞ্চলত ডাক্তৰ সকল কাম কৰিবলৈ নাযায়। পি এইচ চি/চি এইচ চি বিলাকত ডাক্তৰৰ অভাব। গুৱাহাটীত চাকৰি কৰি থকা ডাক্তৰে তামুলপুৰত দৰমহা লয়। মানকাচৰটো আছে। ধেমাজিত ব্লাড বেংকৰ বাবে অনুমোদন পাইছো। আমি আৰু ৫ টা ব্লাড বেংকৰ বাবে অনুজ্ঞা পত্ৰ পাম। আপোনালোকে হংসৰাজৰ কথা কৈছে —হংসৰাজ হওক বা অন্য কিবা ৰাজ হওঁক সেইটো নহব —অসমত ভাল ঔষধ উচিত দামত পাব লাগিব। এইবাৰ আমি স্থানীয় উদ্যোগ বিলাকত বেছি গুৰুত্বৰ দিয়া হ'ব। আগৰ চৰকাৰে দিয়া নাছিল। আমি এই বিষয়ে আলোচনা কৰিছো। আমি যদিও স্থানীয় উদ্যোগ বিলাকক অগ্ৰাধিকাৰ দিবলৈ বিচাৰিছো তেওঁলোকৰ মানদণ্ড বিলাক ঠিক থাকিব লাগিব।

অধ্যক্ষ মহোদয়, লোকেল ইণ্ডাষ্ট্ৰীক গুৰুত্ব দিলেও এইটো কিন্তু ঠিক যে ঔষধৰ গুণাগুণৰ ওপৰতো গুৰুত্ব দিব লাগিব। যি বিলাক নতুন টেণ্ডাৰ কৰে সেই বিলাকৰ পৰা নতুন লিষ্ট কৰিবলৈ হলে মেডিকেল কলেজৰ অভিজ্ঞ ডাক্তৰ, প্ৰিন্সিপাল, হেড অব দি ডিপাৰ্টমেন্ট বা চিনিয়ৰ ডিৰেক্টৰ হেল্‌থ চাৰ্ভিচৰ মানুহৰ দ্বাৰা তেনে তালিকা চেক কৰাৰ ব্যৱস্থা ভাল হব বুলি ভাবো। তাৰ উপৰিও আন বিলাক ষ্টেটত কি বিলাক তালিকাত আছে তেনে তালিকা মই সংগ্ৰহ কৰিছো। ডেট এক্সপায়েৰি হোৱা ঔষধ যাতে নিদিয়ে সেইটোও ব্যৱস্থা লব লাগিব। হাজোত কিবা এটা পোৱা বুলি অলপ আগতে বিভাগীয় কমিশ্যনাৰে কৈছে। এই বিলাক কথা চাবলৈ কমিটিখন লোকেল কমিউনিটি পাৰ্টিচিপেশ্বন থকাৰ ব্যৱস্থা লোৱা হৈছে। মাননীয় সদস্য সৰ্ব্বানন্দ সোণোৱালে মেডিকেল কলেজ আধুনিকীকৰণ কৰাৰ কথা কৈছে এইটো ইতিমধ্যে কৰা হৈছে। এই কেইদিনৰ ভিতৰত জি-এম-চি, এ-এম-চি, আৰু এচ-এম-চিৰ কিছুমান অভাৱ এতিয়া পূৰ হৈছে। বৰাক ভেলিৰ মাননীয় সদস্য সকলেও এই কথা স্বীকাৰ কৰিব। মেডিকেল কলেজৰ কৰ্ম্মচাৰী সকলৰ লগতো আলোচনা কৰা হৈছে। ৩৫০ জন ডাক্তৰৰ পোষ্ট খালী আছিল তাৰ ভিতৰত দুশৰো অধিকক নিযুক্তি দিয়াইছে বাকীখিনি এ-পি-এচ-চিৰ চেয়াৰম্যান ডাঙৰীয়াক টেলিফোন যোগে লিষ্ট কৰি দিবলৈ কৈছো। তাৰ পিচত এই বাকী থকা পোষ্ট বিলাক ফিল আপ কৰিবলৈ নিৰ্দ্দেশ দিবলৈ কৈছো। কিন্তু এইটো কথা ঠিক যে পোন্ধৰ দিন উকলি গ'লে সেই নিৰ্দ্দেশ দিয়াৰ কিন্তু তাৰ এক তৃতীয়াংশ লোকেও কামত গৈ জইন কৰা নাই।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ অধ্যক্ষ মহোদয় ৰুৰেল এৰিয়াত চাৰ্ভিচ কৰিব লগাটো আইন এখন কৰাৰ কথা। সেইটো কি কৰিছে জানিব বিচাৰিছো।

* **শ্ৰীহেমেন্দ্ৰ নাথ ব্ৰহ্ম** ঃ ৰুৰেল এৰিয়াত নিযুক্তি দিয়াৰ পিচত ডাক্তৰ যদি নাযায় তেতিয়া কি ব্যৱস্থা

* Speech not corrected

লব সেইটো জনালে। মুখ্যমন্ত্ৰী মহোদয়েও কৈছে গাওঁলৈ ডাক্তৰ যাব নোখোজে। এইটো আক্ষেপ কৰি থাকিলেই নহ'ব কিবা এটা ব্যৱস্থা কৰিব লাগিব।

* **ডাঃ ভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) ঃ** নতুনকৈ নিযুক্তি দিয়া সকলে জইন নকৰিলে বাধ্য কৰা টান। কিন্তু বদলি কৰাৰ ক্ষেত্ৰত সুকীয়া। নতুনৰ ক্ষেত্ৰত কিবা কিবি ইন্‌চেনটিভ দিয়াৰ কথা ভাবিছো। যেনে এচ-এম-ওৰ পৰা এচ-ডি-এম- এইচ-ও হোৱাৰ সময়ত পাচ বছৰ গাওঁ অঞ্চলত চাকৰি কৰাতো বাধ্যতামূলক কৰাৰ কথা ভাবিছো। তাৰ উপৰিও পঢ়াৰ ক্ষেত্ৰত পি-জিৰ কাৰণে ৰিজাৰ্ভ চীটৰ ব্যৱস্থা আছিল কিন্তু এইটো চুপ্ৰীম কোৰ্টে বন্ধ কৰিছে। এই কাৰণে আমি এতিয়া পৰিস্থিতি পৰ্য্যবেক্ষণ কৰি চুপ্ৰীম কোৰ্টৰ ৰায় মানি আমাৰ কাম কৰাৰ কাৰণে কিবা এটা মাৰ্কৰ ব্যৱস্থা কৰিম বুলি ভবিছো। আমাৰ মাননীয় সদস্য ওৱাজেদ আলীচৌধুৰী ডাঙৰীয়াই কৈছে যে এম-বি-বিএচ ডাক্তৰ সকল যদি গাওঁ অঞ্চললৈ নাযায়। তেতিয়াহ'লে সেই খালী পোষ্ট বিলাকত আয়ুৰ্বেদিক কলেজৰ পৰা পাচ কৰা ডাক্তৰ সকলক নিযুক্তি দিব লাগে আৰু পদ বিলাক কনভাৰ্ট কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আৰু আয়ুৰ্বেদিক এচোচিয়েশ্বনেও যাম বুলি আমাক জনাইছে।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ** চাৰ, যোৱা পাচ বছৰে এইটো মনা হোৱা নাছিল।

মন্ত্ৰীয়ে কোৱাৰ পিচত আৰু নহয়, গতিকে ইয়াৰ পিচত আৰু ডিবেট হ'ব নোৱাৰে।

## MATTER UNDER RULE 301

**Mr. Speaker :** Now item No 3. Shri Mission Ranjan Das to draw the attention of the Minister, Education by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the "Sonar Cachar" dated 8.9.2001 relating to "KARIMGANJER JELA SASHAKER KACHE TADANTA DABI- BOYASKAR SISKHA BIBHAGER PROJECT OFFICERER OFFICE TULE DEOAH HALA"

* Shri Mission Rajan Das :

* **Mr. Speaker** Sir, I would like to draw the attention of the Minister, Education by raising to matter under rule- 301 of the Rules of procedure and conduct of Business in Assam Legislative Assembly to the news item appeared in the "Sonar cachar" dt. 8.9.2001 relating to

"করিমগঞ্জ জেলা শাসকের কাছে তদন্ত দাবি বয়স্ক শিক্ষা বিভাগের প্রজেক্ট অফিসের

* Speech not corrected

অফিস তুলে দেওয়া হল।”

অধ্যক্ষ মহোদয়, এ ব্যাপারে কাছারের বিভিন্ন পত্র-পত্রিকায় বিস্তারিত ভাবে বিভিন্ন খবর প্রকাশিত হয়েছে। আমি গত ৮ সেপ্টেম্বর তারিখে ‘সোনার কাছাড়’ পত্রিকায় প্রকাশিত খবরের কিছু অংশ পড়ে শুনাচ্ছি। খবরে প্রকাশিত হয়েছে —‘জেলা বয়স্ক শিক্ষা অফিসার বিভাগীয় প্রজেক্ট অফিসারের অফিস ৮ সেপ্টেম্বর আচমকা তুলে দেন। সেই সঙ্গে প্রজেক্ট অফিসের সংযুক্ত সরকারি কর্মচারিদেরও প্রত্যাহার করে নেন তিনি। এই পরিপ্রেক্ষিতে প্রজেক্ট অফিসার ইছহাক আহেমেদ জেলাশাসকের কাছে ঘটনার বিবরণ দিয়ে ম্যাজিস্ট্রেট পর্য্যায়ের তদন্ত দাবি করলে জেলাশাসক ম্যাজিস্ট্রেট আর এ চৌধুরীকে ঘটনার তদন্তের দায়িত্ব দেন।

জেলাশাসককে প্রদত্ত স্মারকপত্রে প্রজেক্ট অফিসার বলেছেন যে পূর্ণ সাক্ষরতা সমিতির শহর কমিটীর সম্পাদক হিসেবে সোমবার অনুষ্ঠিত শহর সাক্ষরতা সমিতির সভায় গৃহীত সিদ্ধান্তের প্রতিলিপি তিনি জেলা বয়স্ক শিক্ষা অফিসারের কাছে প্রেরণ করলে রাগের বশর্তী হয়ে জেলা বয়স্ক শিক্ষা অফিসার একে তাগাদার প্রজেক্ট অফিসারের অফিস চেম্বারটিতেই তালা ঝুলিয়ে দেন। তুলে নেন তার সঙ্গে সংযুক্ত থাকা সরকারি কর্মচারিদেরও। দুপুরে টিফিন করতে বেরিয়ে ফিরে এসেই এসব দেখতে পান প্রজেক্ট অফিসার। পরে তার ব্যক্তিগত ব্যাগ ইত্যাদি চাইলে সন্ধ্যার দিকে একবার অফিস চেম্বার খুলে দেওয়া হলেও সন্ধ্যা ৬ টা নাগাদ অফিস চেম্বারটিকে গোদামে পরিণত করা হয়ে যায়। এ অবস্থায় সরকারি নথিপত্র ও আসবার পত্র সম্পর্কে উদ্বিগ্ন প্রজেক্ট অফিসার জেলাশাসকের কাছে তদন্তক্রমে বিহিত ব্যবস্থা নিতে আর্জি জানালে খঅলাশাসক ঘটনার ম্যাজিস্ট্রেট পর্য্যায়ের তদন্তের নির্দেশ দেন।”

অধ্যক্ষ মহোদয়, যে বয়স্ক শিক্ষা জেলা অফিসার এই প্রজেক্ট অফিস বন্ধ করেছেন তিনি গত ৮ বৎসর যাবৎ একই যায়গায় অর্থাৎ করিমগঞ্জ জেলায় রয়েছেন। টোটাল লিটেরিচির নামে তিনি ভাবে একটার পর একটা অন্যায় কাজ করে যাচ্ছেন তার বিরুদ্ধে করিমগঞ্জ জেলার সব বিধায়ক মিলে সরকারের কাছে আমরা মেমোরেণ্ডাম দিয়েছি। এছাড়া-বিষয়টি বিশেষভাবে তদন্ত করার জন্য চীফ ভিজিলেন্স কমিশ্যনারকেও জানানো হয়েছে। এ ব্যাপারে প্রজেক্ট অফিসার ডি সি’র কাছে অভিযোগ করলে তিনি ম্যাজিষ্ট্রেট পর্য্যায়ে তদন্তের নির্দেশ দেন।

তদন্তের ফলশ্রুতি হিসেবে ডি সি মহোদয় ১৯/৯/২০০১ মধ্যে প্রজেক্ট অফিস খোলার নির্দেশ দেন। কিন্তু এই নির্দেশ পালন না করাতে তিনি পুনরায় ২৪/৯/২০০১ তারিখে নির্দেশ দিয়ে দুই দিনের মধ্যে এই অফিস খোলার আদেশ দেন। কিন্তু জেলা বয়স্ক শিক্ষা অফিসার কোন ছুটি না নিয়ে হেড কোয়াটার ছেড়ে চলে যান। এই ভাবে তিনি ডিসি মহোদয়ের নির্দেশও পালন করেন নি। এ ব্যাপারে আমরা সব

বিধায়ক মিলে বিভাগীয় মন্ত্রী মহোদয় দৃষ্টি আকর্ষণ করেছি। বিভিন্ন পত্র পত্রিকাতেও এ ব্যাপারে বিস্তারিত ভাবে খবর প্রকাশিত হয়েছে। এছাড়া, এই জেলা বয়স্ক শিক্ষা অফিসার নানা কেলেংকারীতেও যুক্ত। যেখানে প্রস্তাব অনুযায়ী ১ লক্ষ ৪৫ হাজার লোককে এই আচনীর মাধ্যমে শিক্ষা দেবার কথা সেখানে তিনি ১ লক্ষ ৬৪ হাজার লোককে শিক্ষা দিয়েছেন বলে দেখিয়ে প্রায় ২৪ লক্ষ টাকা তিনি মেনুপুলেট করেছেন। এছাড়া, ১৯৯৮ সালে যে ৯২ জন সুপারভাইজরের চাকরী ছাটাই করা হয়েছিল তাদেরে অন্যায়ভাবে রিইনস্টিট করে প্রায় ৩ লক্ষ টাকা নিয়েছেন বলেও অভিযোগ উঠেছে। তাছাড়া এই অফিসে ৯৬ জন সার-করডিনেটর ছিল। এদের মাত্র ৪/৫ জনকে ৩০০ টাকাকরে বেতন দিয়ে বাকী টাকা তিনি লুট করেছেন। এ ব্যাপারে আমরা চীফ ভিজিলেন্স কমিশনারকেও জানিয়েছি। কিন্তু দেখা যাচ্ছে যে এসব করার পরেও এই জেলা বয়স্ক শিক্ষা অফিসার এখনও বহাল তবিয়তে তার যায়গায় রয়েছেন। সুতরাং আমাদের দাবী হলো- অতি সত্বর প্রজেক্ট অফিসারের অফিচ খোলার ব্যবস্থা করা হউক। কারণ আমাদের প্রয়োজনীয় কাগজপত্র যাছিল সেগুলোও জব্দ করে রাখা হয়েছে। এরজন্য আমরা কোন মিটিং করতে পারছি না। সুতরাং এ ব্যাপারে বিভাগীয় মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করে অতি সত্বর বিহিত ব্যবস্থা নেওয়ার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ করছি।

* **Shri Hem Prakash Narayan (Minister, Education) :** Hon'ble Speaker, Sir I like to place the following in regard to shifting of North Karimganj Project Office, Karimganj.

1. Office of the Project Officer, State Adult Education Project in brief SAEP was functioning from the Block Elementary Education office of North Karimganj at Sadashi since long.

2. During the incumbency of Shri Kalalesh Bhattacharjee, the then District Adult Education Officer, Karimganj, the Project Officer was shifted from Block Head Quarter, North Karimganj and accommodated in the District Office at L.I.C. Building Karimganj Town some times in the year 1993 without the approval of the higher authority.

3. The office continued to function at L.I.C. Building till August 25th 2001 along with the District Office. Thereafter, it was further shifted to another venue viz settlement area of Karimganj town on 26th August 2001 along with the District Adult Education office.

---

* Speech not corrected

4. The Dist. Office, North Karimganj was functioning along with District Office at settlement area till 31st August and on 1st of September, 2001 the present District Adult Education Officer locked the room of the Project Officer Md. Ishaque Ahmed vacating all his office documents including furniture etc. from the Project Officer room. The documents including furnitures etc. were, however, kept under the custody of District Adult Education Officer concerned. The Project Officer continued to work from another room.

5. The matter was taken up by the Deputy Commissioner, Karimganj. The Deputy Commissioner, Karimganj recently in absence of District Adult Education Officer, Karimganj while the latter was on tour to Guwahati unlocked the room of Project Officer and the Project Officer at present is working from his room along with his staff from the office building of District Adult Education Officer in settlement area of Karimganj. This was done on 25.9.01 by D.C. Karimganj deputing an Executive Magistrate.

6. The locking of the room of Project Officer by the District Adult Education Officer is found unauthorised. The Govt. is taking appropriate action against the officer at fault.

## DISCUSSION UNDER RULE 49

**Mr. Speaker :** Now item No. 4

Shri Nilamani Sen Deka, Shri Ripun Bora, Shri Chandan Kumar Sarkar, Shri Himanta Biswa Sarma, Shri Rana Goswami, Shri Rockybul Hussain, Shri Ajit Singh, Shri Pankaj Bora, Shri Bhima Tanti, Shri Misbahul Islam Laskar, Shri Etuwa Munda, Dr. Haren Das, Shri Rajib Lochan Pegu, Shri Nazrul Islam, Shri Idris Ali, Shri Rajendra Prasad Singh, Shri Pranewar Basumatary, Shri Aftabuddin, Shri Basanta Das, Shri Member Gogoi, Shri Tanka Bahadur Rai, Dr. Ananda Ram Baruah, Shri Bidyasing Engleng, Shri Pranoy Rava, Shri Rupon Sing Ronghang, Shri Raju Shahu, Shri Hemanta Talukdar, Shri Monilal Gowala, Shri

Robin Bordoloi, Shri Madan Kalita, Shri Sarbananda Choudhury Shri Paniram Rabha, Smti Sarifa Begum, Smti Ajanta Neog, Smti Jonjonali Baruah, Smti Pranati Phukan and Smti Uttara Kalita to raise a matter under Rule 49 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly on a matter arising out of an answer to short notice Question No. asked by Shri Nilamani Sen Deka on 3.10.2001 in respect of " সৰ্বমঙ্গলম অনুষ্ঠানক মাটি অবান্টন দিয়াৰ বিষয়ে।

* **শ্ৰীনীলমনি সেন ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি মই যিটো বিষয়ে সদনত পুনৰ আলোচনা কৰিবলৈ বিচাৰিছো সেইটো অসমৰ ৰাইজৰ স্বাৰ্থৰ হকে কৰা হৈছে। এইটো এনেকুৱা এটা বিষয় যিটো বিষয় উত্থাপন হোৱাৰ লগে লগে আমাৰ মাননীয় কেইবাগৰাকী সদস্যই এই বিষয়টো সদনত আলোচনা হ'ব লাগে বুলি বাৰে বাৰে কৈছিল। মই যোৱা বাৰ বে-চৰকাৰী সংগঠন সৰ্বমঙ্গলমৰ নামত মাটি আবন্টন দিয়াৰ কাৰণে মাননীয় ৰাজহ মন্ত্ৰী মহোদয়ক কিছুমান প্ৰশ্ন কৰিছিলো। সেই প্ৰশ্নৰ উত্তৰ দিয়াত ৰাজহ মন্ত্ৰীগৰাকী ব্যৰ্থ হয়। ইয়াৰ পৰা বুজা যায় সৰ্বমঙ্গলমক দিয়া আবন্টিত মাটিত যথেষ্ট আসোঁৱাহ আছে। গতিকে আমি বিধায়কসকলে এটা সিদ্ধান্ত কৰিলো যে এখন জাননীযোগে এই বিষয়টো বহলভাৱে আলোচনা কৰা প্ৰয়োজন। যিটো অনুষ্ঠানক মাটি দিয়া হৈছে সেইটোত খেলি-মেলি আৰু অনিয়ম হৈছে। আমাৰ স্বাধীনতাৰ পিছত অসমত কোনো ৰাজনৈতিক দলৰ মাজত এনেকুৱা হোৱা নাই। আনকি এনেকুৱা ভুমি কেলেঙ্কাৰী "জানেকী বল্লভ" আৰু "ৰামকৃষ্ণ হেগৰেৰ" দিনতো হোৱা নাছিল। সৰ্বমঙ্গলমৰ নামত দিয়া মাটি কেলেঙ্কাৰী চি. বি. আই বা উচ্চন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ দ্বাৰা তদন্ত কৰিব লাগে।

আমাৰ অসমত বহুত কেইজন ব্যক্তি মুখ্যমন্ত্ৰী হৈ গ'ল, বহুত কেইজন ৰাজহ মন্ত্ৰী হৈ গ'ল। লোকপ্ৰিয় গোপীনাথ বৰদলৈ, মহেন্দ্ৰ মোহন চৌধুৰী, শ্ৰীগোলাপ বৰবৰা আদিকে ধৰি কেইবাগৰাকী মুখ্যমন্ত্ৰীয়ে অসমখন শাসন কৰি গ'ল। তেখেত সকলৰ শাসন কালত এনেকুৱা কেলেংকাৰী সৃষ্টি হোৱা নাছিল। গোপীনাথ বৰদলৈদেৱৰ পৰিয়াল ভাড়া ঘৰত থাকে। শ্ৰীগোলাপ বৰবৰাদেৱ ভাড়া ঘৰত থাকে। মহেন্দ্ৰ মোহন চৌধুৰীদেৱৰ পৰিয়াল থকাৰ কাৰণে মাটিৰ অভাব। শ্ৰীশৰৎ চন্দ্ৰ সিংহ ভাড়া ঘৰত থাকিবলগীয়া অৱস্থা হৈছে। এই অনিয়ম বিলাক আৰম্ভ হৈছে ১৯৮৬ চনৰ পৰা। আজি এনেকুৱা হৈছে ৰাজনৈতিক নেতা সকলে নিজৰ ব্যক্তিগত স্বাৰ্থ পুৰণৰ কাৰণে চৰকাৰী মাটি আত্মসাৎ কৰি নানা ধৰণৰ অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি তুলিছে। এই বে-চৰকাৰী অনুষ্ঠানটোক চৰকাৰে মাটি দি ৰাজনীতি কৰিছে। ৰাজহ বিভাগে চৰকাৰী মাটিবোৰ

* Speech not corrected

পৈতৃক সম্পত্তিৰ দৰে ব্যৱহাৰ কৰিছে। কেৱল সৰ্বমঙ্গলমমতে নহয় বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান আদি দেখুৱাই শ শ বিঘা চৰকাৰী মাটি আত্মসাৎ কৰিছে। এনেবোৰ কাৰ্য্যই ৰাইজৰ মাজত নেতা সকলৰ সততাৰ পৰিচয় দিছে।

এসময় শ্বিলংত মতি নগৰ স্থাপন কৰিছিল কাৰণ ৰাইজে তেওঁক ভাল পাইছিল। গোপীনাথ বৰদলৈদেৱক ভালপোৱাৰ কাৰণে ৰাইজে গোপী নগৰ নামেৰে নামাকৰণ কৰিছিল। ১৯৮৮ চনৰ পিচত নিজৰ নামটোকে লৈ প্ৰফুল্ল নগৰ নাম দি লৈছে। জয়শ্ৰী নগৰ নাম দিছে আৰু এতিয়া মিত্ৰা নগৰ কৰিবলৈ লৈছে। মাননীয় অধ্যক্ষ মহোদয়, এইটো তদন্ত কৰিব লাগে। এইবিলাকৰ কোনো লেণ্ড ৰিভিনিউ নাই। ১৯৮৬ চনৰ পৰা কোনো প্ৰিমিয়াম দিয়া নাই। তেনেস্থলত কেনেকৈ চেটেলমেন্ট দিয়া হ'ল? বিষয়া সকলক বঞ্চিত কৰি সেই সময়ৰ ৰাজহ মন্ত্ৰীয়ে মুখ্যমন্ত্ৰীৰ পত্নীক মাটি আবন্টন দিছিল। সেই সময়ত ৰাজহ মন্ত্ৰীয়ে মুখ্য মন্ত্ৰীৰ পত্নীক সন্তুষ্ট কৰাৰ কাৰণে এনে কাৰ্য্য কৰিবলগীয়া হ'ল। কিছুমান ৰাজনৈতিক দলে পাৰ্টিৰ নামত বা নিজৰ নামত চৰকাৰী মাটি লৈ সেইবিলাকত ঘৰ বনাই ঘৰ ভাড়াত দিছে। গতিকে মই আজি ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো, যি সকলে আইন ভায়েলেট কৰিছে সেই সকলৰ মাটি কেনচেল কৰিব লাগে। গুৱাহাটী হাই কোৰ্টত ১৯৯৪ চনত আইনমতে কেনচেল কৰিব পাৰে। যি সকলে বে-আইনী ভাৱে মাটি লৈছে আৰু ইউটিলাইজেচন চাৰ্টিফিকেট দিয়া নাই সেই সকলৰ ক্ষেত্ৰতহে প্ৰযোজ্য হব লাগে। সেয়েহে মই আমাৰ মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো এই সম্পৰ্কে চি. বি আইৰ দ্বাৰা বা উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশৰ দ্বাৰা তদন্ত হোৱা উচিত। কোনোবা চৰকাৰী বিষয়াৰ দ্বাৰা তদন্ত কৰিলে বিষয়টো গাপ দি থব পাৰে।

আমাৰ নলবাৰীত প্ৰতিজন লোকৰ নামত তেনেই কম পৰে অথচ সৰ্বমঙ্গলমৰ নামত শ শ কঠা মাটি লৈছে।

এই মাটিৰ মূল্য প্ৰায় ১০/১২ কোটি মান টকা হব। গতিকে এইটো এটা ৰাজহুৱা স্বাৰ্থ জড়িত কথা। অসমৰ প্ৰতিজন নাগৰিকৰে এই দুৰ্নীতিৰ সম্পৰ্কে অবগত আছে। সেয়েহে ৰাজহুৱা স্বাৰ্থৰ খাটিৰত ইয়াৰ এটা তদন্ত কৰাৰ কথা ঘোষণা কৰিব লাগে। সদনত আমাৰ বিৰোধী দলৰ নেতা বৃন্দাবন গোস্বামী ডাঙৰীয়াই এটা সুন্দৰ কথা কৈছে। তেখেতে সেই কথাটো দলীয় সভাতো কৈছে আৰু বাতৰি কাকতৰ জৰিয়তেও প্ৰকাশ কৰিছে। সেই কথাটো হৈছে দুৰ্নীতিগ্ৰস্ত যিবিলাক দলীয় কৰ্ম্মী আছে তেখেতে তেওঁলোকৰ ৰক্ষণা-বেক্ষণ নিদিয়ে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়েও নানা ধৰণৰ পৰম্পৰা হাউচত ডাঙি ধৰিছে। আপোনালোকে দাবী কৰা বিষয়ও চি.বি.আইৰ দ্বাৰা তদন্ত কৰা হব বুলি ঘোষণা কৰিছে। আৰু বহুতো কথাত আপোনালোকৰ সহমত মানি লোৱাৰ আশ্বাস আপোনালোকক দিছে। মই ভাবো বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ নিচিনা নিকা ভাব মূৰ্ত্তিৰ বিৰোধী দলৰ নেতাই আমাৰ লগত একমত হ'ব। মই এই সম্পৰ্কত

এটা কথা কব বিচাৰিছো যে যোৱা কালি মই ফোন কল পাইছো। ফোনত কৈছে যে সৰ্ব্ব মঙ্গলমে কোনো কাম নকৰে। ইয়াত এটা আন্ত ৰাষ্ট্ৰীয় চক্ৰ জড়িত থাকিব পাৰে। বোম্বেত এই চক্ৰটোৰ মিটিং হৈ গৈছে। মই মাননীয় গৃহমন্ত্ৰীক এই সম্পৰ্কে তদন্ত কৰাৰ কাৰণে অনুৰোধ জনাইছো। মই আৰু বেচি কথা নকও। আমাৰ কেইবাজনো সদস্যই এই সম্পৰ্কত মতামত ডাঙি ধৰিব। তেওঁলোক যিহেতু নিৰ্ব্বাচিত প্ৰতি নিধি গতিকে তেওঁলোকৰ মতামতৰো প্ৰয়োজন আছে।

* **শ্ৰীৰিপুন বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয় যোৱাকালি এই বিষয়টোৰ ওপৰত সদনত যথেষ্ট বাক বিতণ্ডা আৰু আলোচনা হৈছিল। যিহেতু এই বিষয়টো আমাৰ অসমৰ গোটেই ৰাইজৰ এটা ৰাজহুৱা স্বাৰ্থ জড়িত বিষয় আৰু আমাৰ ২ কোটি মানুহৰ স্বাৰ্থৰ কথা ইয়াত জড়িত হৈ আছে সেই কথাটো সদনত অধ্যক্ষ মহোদয়ৰ পৰামৰ্শ মতে আৰু সদনৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ ৪৯নং নিয়মত অধীনত আজি এই বিষয়টো ইয়াত আনিছো। আজি সৰ্ব্বাধিক এই গুৰুত্বৰপূৰ্ণ বিষয়টো সদনত আমাক আলোচনা কৰিবলৈ সুযোগ দিয়াৰ বাবে মই মাননীয় অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো। ইতিমধ্যে এই সম্পৰ্কত মোৰ সহযোগী বন্ধু ডেকা ডাঙৰীয়াই কৈ গৈছে। মই তেখেতে কোৱা কথাখিনি ৰিপিট কৰিব খোজা নাই। সৰ্ব্বমঙ্গলম হৈছে এটা স্বেচ্ছাসেৱী সংগঠন। স্বেচ্ছাসেৱী সংগঠনবোৰে চৰকাৰৰ বিধি ব্যৱস্থা অনুসৰি মাটি আবন্টন পোৱাটো কোনো দোষণীয় কথা নহয়। আগতেও এনেকুৱা ধৰণৰ সংগঠনে মাটি আবন্টন পাইছে। কিন্তু সৰ্ব্বমঙ্গলমক যি প্ৰক্ৰিয়াত মাটি আবন্টন দিয়া হৈছে তাৰ মাত্ৰ এটাই স্বাৰ্থ আছে, সেইটো হৈছে তেওঁ মুখ্যমন্ত্ৰীৰ পত্নী। গতিকে মুখ্যমন্ত্ৰীৰ পত্নীক সন্তুষ্ট কেনেকৈ তেওঁলোকে সা-সুবিধা আদায় কৰিব পাৰে তাৰ কাৰণেই দিয়া হৈছে। আমি দেখিবলৈ পাইছো যে অসমত সৰ্ব্বমঙ্গলমৰ নিচিনা স্বেচ্ছাসেৱী অনুস্থান বহুত আছে। কিন্তু সেই স্বেচ্ছাসেৱী অনুষ্ঠানবোৰে এনে ধৰণে মাটি আবন্টন পাইছেনে? এই কথাটো মই সেই সময়ৰ ৰাজহ মন্ত্ৰী জয়নাথ শৰ্ম্মা ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰা হৈছিল যে সৰ্ব্বমঙ্গলমে অসমৰ সকলো জিলাই জিলাই মহকুমাই মহকুমাই যেনে ধৰণে মাটি আবন্টন পাইছে ঠিক তেনেদৰে আন আন স্বোচ্ছাসেৱী অনুস্থানবোৰে আবেদন নিবেদন কৰিছিল যদিও কোনো মাটি আবন্টন পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, অসম লেণ্ড ৰেগুলেচন এক্ট এটা কথা আছে যে যি উদ্দেশ্যত মাটি আবন্টন দিয়া সেই উদ্দেশ্যতহে সেই মাটি ব্যৱহাৰ কৰিব লাগে। কিন্তু সৰ্ব্বমঙ্গলমক যিটো উদ্দেশ্যত মাটি দিয়া হৈছিল প্ৰকৃততে সেই উদ্দেশ্যত সেই মাটি ব্যৱহাৰ কৰা হোৱা নাই। ৰাজনৈতিক উদ্দেশ্য, ব্যৱসায়িক উদ্দেশ্য আৰু অন্য বহুতো উদ্দেশ্যত সেই মাটি ব্যৱহাৰ কৰা হৈছে। ব্যক্তিগত সম্পদ আহৰণৰ উদ্দেশ্যেক'ত সেই মাটি ব্যৱহাৰ কৰা হৈছে। যোৱা কালি ৰাজহ মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কত উত্তৰ দিওতে বিভিন্ন জিলাত প্ৰায় ২৭ বিঘা মাটি আবন্টন দিয়া হৈছে বুলি জনাইছিল। এই সম্পৰ্কত শোণিতপুৰ আৰু লক্ষীমপুৰ জিলাৰ তথ্য নথকাৰ কাৰণে

* Speech not corrected

তেখেতে সেই হিচাবটো দিব নোৱাৰিলে। এইটো এই কাৰণেই গুৰুত্বপূৰ্ণ বিষয় যে চৰকাৰী নীতি নিয়ম বিসৰ্জন দি এই মাটি আবণ্টন দিয়া হৈছে। সেই সময়ৰ ৰাজহ মন্ত্ৰী জয়নাথ শৰ্ম্মা ডাঙৰীয়া এসময়ৰ এজন ডাঙৰ ছাত্ৰনেতা আছিল আৰু সদায় তেওঁ সোণৰ অসম গঢ়াৰ কথা কৈছিল। আজি শৰ্ম্মা ডাঙৰীয়াৰ এইটো এটা সুন্দৰ নমুনা যে এই পদ্ধতিৰে তেখেতে সোণৰ অসম গঢ়িবলৈ গৈছে নেকি? কথাই প্ৰতি তেখেতে কংগ্ৰেছ দলে দেশ খন খালে কংগ্ৰেছ দল অপ সংস্কৃতিৰ বাহক বুলি অভিযোগ কৰে। আজি মই তেখেতক প্ৰশ্ন কৰিব বিচাৰিছো এনে ধৰণে মাৰত্মক দুৰ্নীতি কৰি সোণৰ অসম গঢ়িব নেকি? আমি অহা বাজেট চেচনত উত্থাপন কৰিম মাননীয় সদস্য জয়নাথ শৰ্ম্মাই সেই সময়ত তেখেতৰ ব্যক্তিগত সংস্থা নেৰিমৰ জৰিয়তে শ শ বিঘা মাটি তেখেতৰ নামত আবন্টন কৰিছে। গুৱাহাটী জিলা কাৰাগাৰৰ কিছুমান মূল্যবান মাটি নেৰিমৰ নামত আবণ্টন দিয়া হৈছে আৰু তাৰ পিচত সেই মাটি হাউচ ফেডলৈ হস্তান্তৰ কৰিছে। ৰাজনৈতিক দলৰ মাটি লাগে কাৰ্য্যালয় চলোৱাৰ কাৰণে আমি ৰাজীৱ ভৱনটো কিনি লৈছো। ৰাজীৱ ভৱনৰ নামত চৰকাৰী মাটি লোৱা নাই। এ. জি. পি. দলে তেওঁলোকৰ হাতত ক্ষমতা থাকোতে কেডাৰ ৰোড আৰু এম. চি. ৰোডত দলৰ কাৰণে মাটি লৈছে। অধ্যক্ষ মহোদয়, এটা কথা নকৈ নোৱাৰিলো যে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ ইমানেই মহানুভৱতা যে নিৰ্ব্বাচনৰ পিচত মুখ্যমন্ত্ৰীৰ বাসভৱনত তেখেত থকাৰ কথা আছিল। কিন্তু সৰ্ব্বমঙ্গলমৰ সভানেত্ৰী জয়শ্ৰী মহন্ত ডাঙৰীয়ানীয়ে এই ঘৰটো এৰি দিয়াত আমাৰ অলপ অসুবিধা আছে বুলি কোৱাত তেখেতে সেই ঘৰটো এৰি দিলে। সৰ্ব্বমঙ্গলমৰ নেতৃ গৰাকীক মই প্ৰশ্ন কৰিব বিচাৰিছো যে তেখেতে স্বেচ্ছাসেৱী অনুস্থানটোৰ নাম দিছে সৰ্ব্বমঙ্গলম। এই অনুষ্ঠাটোৰ উদ্দেশ্য কি? সকলোৰে মঙ্গল সাধন কৰা। কিন্তু তেখেত ইমান নিষ্ঠুৰ যে মুখ্যমন্ত্ৰীৰ বাসভৱনটোও এৰি দিব নুখুজিলে। সেই জন মাননীয় মুখ্য মন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়া অকল মুখ্যমন্ত্ৰীয়েই নহয় আমাৰ এজন নেচনেল লিডাৰো।

মাননীয় অধ্যক্ষ মহোদয়, এইটো অতি গুৰুত্বপূৰ্ণ কথা, সদনৰ মাননীয় সদস্য সকলে জানিব লাগে। যোৱা ২২ ফেব্ৰুৱাৰীৰ দিনা, নিৰ্ব্বাচনৰ আগে আগে আমাৰ নেতা তথা এম.পি. শ্ৰীতৰুণ গগৈ ডাঙৰীয়াই দিল্লীৰ অসম ভৱনত থকা কনফাৰেঞ্চ হলত তেতিয়া দিল্লীত থকা অসমৰ এম. এল. এ আৰু এম. পি সকলক এসাজ ভাত খুৱাবলৈ বিচাৰি অনুমতি বিচাৰিছিল কিন্তু আচৰিত কথা হ'ল এই সৰ্ব্বমঙ্গলমৰ নেতৃ গৰাকীয়ে অসম ভৱনৰ বিষয়াক ধমকি দি কলে যে যদি শ্ৰীতৰুণ গগৈ ডাঙৰীয়াক ভাত সাজ খুৱাবলৈ অসমৰ ভৱনৰ হলটো দিয়ে তেন্তে তেওঁলোকৰ চাকৰি যাব বুলি। অধ্যক্ষ মহোদয়, মই তেতিয়া তাত উপস্থিত আছিলো। অথচ এ. জি. পিৰ মন্ত্ৰী এম. এল এ নেতা পালিনেতাৰ লৰা-ছোৱালীৰ বাৰ্থ দে অসম ভৱনৰ কনফাৰেঞ্চ হলত প্ৰায়েই অনুষ্ঠিত হোৱা দেখা যায়। অধ্যক্ষ মহোদয়, আপুনি ভাবি চাওক এইটো এটা কেনে ধৰণৰ বিপৰীত চিন্তা। অধ্যক্ষ মহোদয়, মই আজি এই সৰ্ব্বমঙ্গলমৰ বিষয়টোৰ এটা উচ্চ পৰ্য্যায়ৰ

তদন্ত হোৱাটো বিচাৰিছো। যিবোৰ মাটি বিভিন্ন ঠাইত নিয়ম বৰ্হিভূত ভাবে আবন্টন দিয়া হৈছে সেইবোৰ কেনচেল কৰিব লাগে। লগতে আৰু এটা কথা চাব লাগে যে এই মাটিবোৰৰ বাবে এই অনুষ্ঠানটোৱে চৰকাৰক মাটিৰ প্ৰিমিয়াম দিছেনে নাই আৰু দিছে যদি কিমানকৈ দিছে। এই ২৭ বিঘা মাটিৰ আবন্টন দিয়া হৈছে জিলাৰ হেড কোৱাটাৰত। গুৱাহাটীত আজি একঠা মাটিৰ দাম কমেও ৪ লাখ টকা, জিলাত হেড কোৱাটাৰত ইয়াৰ মূল্য কমেও কঠাত ২ লাখ টকা হব। এই হিচাবত ২৭ বিঘা মাটিৰ প্ৰিমিয়াম আঢ়েকোটি টকা হব লাগে। চৰকাৰে এই ৰাজহ পাইছেনে নাই? এই গোটেই বিষয়টোৰ ওপৰত মই সদনৰ দৃষ্টি আকৰ্ষণ কৰিছো - লগতে এই মাটি আবন্টণৰ লগত জড়িত বিষয়া, কৰ্ম্মচাৰী বা অন্য যি ব্যক্তিয়েই জড়িত নহওক লাগে তেওঁলোকৰ ওপৰত কঠোৰ শাস্তি বিহাৰ সিদ্ধান্ত হব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** সময় আৰু আধাঘন্টা আছে, ইয়াৰ ভিতৰতে শেষ কৰিব লাগিব, চমু কৰিব।

